# সহজ অসমীয়াত গীতা

প্ৰশান্ত কুমাৰ বৰদলৈ



**SAHAJ AXOMIAT GEETA :** *A translation of the Shree Madbhagawat Geeta by Prashanta Kumar Bordoloi. B.E (Civil), MS (Water Resources Engineering, Rutgers, NJ, USA) Fellow, Institution of Engineers, India and published by M/s. Purbanchal Prakash, H.No.-2, Seujee Path, Dr. B.N. Saikia Road, Wireless, Dispur, Guwahati-781006.*

**Price : 70.00 only.**

॥ প্ৰকাশক ঃ পূৰ্বাঞ্চল প্ৰকাশ, ঘৰ নং-২, সেউজী পথ, ৱায়াৰলেছ, দিশপুৰ, গুৱাহাটী-৬ ॥

॥ মুদ্ৰণ ঃ আংগিক প্ৰেছ, আমবাৰী, গুৱাহাটী-১ ॥

॥ ১ম প্ৰকাশ ঃ ২০০৬ ॥

॥ ২য় প্ৰকাশ ঃ ২০০৮ ॥

॥ ৩য় প্ৰকাশ ঃ ২০১৫ ॥

॥ বেটুপাতৰ শিল্পী ঃ অনুপম ভৰদ্বাজ ॥

॥ © লেখকৰদ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত ॥

ISBN : 978-81-7213-249-1

॥ মূল্য ঃ ৭০.০০ টকা ॥

পূজনীয় আই জ্যোতিৰ্ময়ী বৰদলৈৰ
পবিত্ৰ স্মৃতিত উৎসৰ্গিত

# আগ কথা

গীতাখন কি সেয়া মহাপুৰুষ মাধৱদেৱে অতি নিৰহ-নিপানি ভাষাৰে কৈ থৈ গৈছে।

ভগৱন্ত ভক্তিযুক্ত পুৰুষৰ আত্মবোধ
মাধৱৰ প্ৰসাদে মিলয়
কৃষ্ণৰ কৃপাত জানা গুচয় সংসাৰ বন্ধ
এহিমানে গীতাৰ নিৰ্ণয়। ৬২০।।

মহামানৱ মহাত্মাই যিকোনো কাম কৰিবলৈ লোৱাৰ আগতে গীতাখন চাইছিল। গীতাত যদি কোনো সূচনা নাপায় তেতিয়া সেই কামতে হাত নিদিছিল। নৰতনু পাই ধন্য হোৱা আমি নৰমনিষসকলে জীৱনত কি বিচাৰো, আমিনো কোন, আমি কি কৰিলে ভাল হয়, এই জীৱনবোধৰ কথা লিখা এইখনি এখন মহত্তম শাস্ত্ৰ। শাস্ত্ৰ বুলি কোৱাৰ লগে লগে এটা কথাই মনত সোমায় – বয়স হ'লে পঢ়িম। পাছে আমাৰ জীৱন বোধ হ'ব লাগে কেতিয়া, জীৱন গঢ় লোৱাৰ পৰত নহয় জানো? গীতাৰ বয়স এতিয়া হেনো ৪৫০০ বছৰৰো ওপৰ। আচলতে বয়স বোলাটোৱেই ভুল হ'ল, কাৰণ গীতাৰ নিৰ্ণয়সমূহ সনাতন। ব্ৰহ্মাণ্ডৰ জন্মৰ পৰতে হেনো গীতাৰ জন্ম। যি সদায় থাকে সেইটোহে সঁচা, তাৰ জনম, মৰণ, বয়স এইবিলাক নাই, গীতাৰো নাই।

গীতাৰ অনুবাদৰ ক্ষেত্ৰত অসমীয়া সাহিত্য বৰ চহকী। অসমীয়া ভাষাতে ভাৰতীয় ভাষাসমূহৰ ভিতৰত প্ৰথম গদ্য ৰচনা হৈছিল – সেয়া আছিল ভট্টদেৱৰ কথাগীতা। তাৰ পাছতো অনেকেই গীতাৰ অনুবাদ কৰিছে। পাছে প্ৰায়বোৰ অনুবাদৰে ভাষা ভকতীয়া, ভকতি ৰসেৰে পৰিপূৰ্ণ। কেতিয়াবা পঢ়োঁ বুলিলেও পঢ়িব নোৱাৰোঁ। গা-পা নোধোৱাকে পুথিখন চুবলৈ সত নাযায়। তথাপি পঢ়িলোঁ, পাছে আজিও নুবুজিলোঁ। আজিকালি মানুহে যিকোনো কথা চালিজাৰি চাইহে গ্ৰহণ কৰে। গতিকে বিজ্ঞানৰ দৃষ্টিৰে গীতাখন চাবলৈ হেঁপাহ জন্ম হ'ল আৰু তাৰে ফলশ্ৰুতিত এই কিতাপখনি সৃষ্টি হ'ল। এই বিষয়ত প্ৰভূত সহায় পালোঁ পণ্ডিত প্ৰৱৰ ৰাধানাথ ফুকন ডাঙৰীয়াৰ শ্ৰীমদ্ভগৱতগীতা আৰু সাংখ্য-দৰ্শন পুথিৰ পৰা। দুয়োখন পুথি তেখেতৰ গভীৰ প্ৰজ্ঞা আৰু অধ্যয়নৰ ব্যাপকতাৰ ফলশ্ৰুতি। সৰ্বসাধাৰণে চালিজাৰি চাই গ্ৰহণ কৰিবলৈ সুবিধা হওঁক বুলিয়েই সহজ ভাষাত এই কামটি কৰিবৰ বাবে হাতত কলম তুলি ল'লোঁ। ইতিমধ্যে "অমিত্ৰাক্ষৰ ছন্দত গীতা"

নামেৰে আমাৰ আন এখনি ভগ্ন অমিত্ৰাক্ষৰ ছন্দত লিখা পুথি প্ৰকাশ হৈ গৈছে। সেইখন ৰচনা কৰিবৰ পৰত “মহানাদৰ পৰা কৃষ্ণ গহ্বৰলৈ সময়ৰ চমু ইতিহাস” নামৰ আমাৰ আন এখন পুথিও প্ৰকাশ পাইছিল, যিখনৰ আধাৰ আছিল ষ্টিফেন হকিং ডাঙৰীয়াৰ সময়ৰ ইতিহাসৰ কিতাপ “A Brief History of Time from the Big Bang to Blackhole”। সৃষ্টিৰ সাঁথৰ ভাঙিবৰ প্ৰয়াস কৰা ব্ৰহ্মাণ্ডতত্ত্বৰ কিতাপ। পঢ়ি উঠি ভাৱ হ'ল হকিং ডাঙৰীয়াৰ বহু খিনি কথা দেখোন গীতাৰ কথা, সাংখ্য দৰ্শনৰ কথা। অপৰা-পৰাত কাৰ্য্য-কাৰণ বাদ, বা ধ্ৰুপদী বাদ, আইনষ্টাইনৰ দিশ্-কালৰ কথা, মেক্স প্লাঙ্কৰ অনিৰ্ণেয়তাৰ অনুৰণন শুনা যেন লাগিল। সাংখ্যৰ মতে পদাৰ্থ মুঠেই তিনিটাহে – ব্যক্ত, অব্যক্ত আৰু পুৰুষ। ব্যক্ত হ'ল ইন্দ্ৰিয়গ্ৰাহ্য দৃশ্যমান জগতখন। পদাৰ্থ বিদ্যাৰ কাৰ্য্য-কাৰণ বাদৰ মতে কাৰ্য্য সংঘটিত হ'বলৈ হ'লে কাৰণ লাগে, সাংখ্যৰ মতেও লাগে। ব্যক্ত পদাৰ্থ বিলাকৰো নিশ্চয় কাৰণ থাকিব লাগিব। পাৰ্থিৱ জগতখনক যদি আমি এটি সমষ্টিৰূপে গণিতা কৰোঁ, তেনেহ'লে দেখা পাম যে ই এক পৰিণামদশী জগত। ইয়াৰ প্ৰতিটো পলৰ পৰিণাম হৈ আছে; এক বিৰামবিহীন পৰিণাম। জগতৰ প্ৰতিটো পলৰ অৱস্থা তাৰ আগৰ ক্ষণৰ কাৰ্যৰ পৰিণাম। সেইদৰে আগৰ ক্ষণৰ কাৰ্য হয় পৰৱৰ্ত্তী ক্ষণৰ অৱস্থাৰ কাৰণ। এইদৰে আমি যদি কাৰণৰো কাৰণৰ ওৰ বিচাৰি বিচাৰি ওপৰলৈ উজাই গৈ থাকোঁ, তেনেহ'লে শেহান্তৰত এক মূলহীন কাৰণত উপনীত হওঁহক, যাক সাংখ্য আৰু গীতাই বুলিছে অব্যক্ত আৰু বেদান্তই বুলিছে ব্ৰহ্ম। হকিং ডাঙৰীয়াইও তাৰ উহ বিচাৰি বিচাৰি একলীয়তাতহে উপনীত হ'লগৈ আধুনিক পদাৰ্থ বিজ্ঞানৰ গইনা লৈ। “মহানাদৰ পৰা কৃষ্ণগহ্বৰলৈ সময়ৰ চমু ইতিহাস” ত সেই কথা সবিস্তাৰে বৰ্ণোৱা হৈছে। পুৰুষ হৈছে সেই দেখা শক্তি যাৰ দ্বাৰা আমি দেখিব পাৰোঁ, বুজিব পাৰোঁ। ব্যক্ত পদাৰ্থৰ (জগতৰ দৃশ্যমান আৰু অনুমেয় পদাৰ্থ) এটা কাৰণ (হেতু) থাকিবই লাগিব, এই সকলো অব্যক্তত উৎপন্ন হৈ পুনৰাই অব্যক্ততে বিলীন হয়। তাৰ আদি আছে, অন্ত আছে, আয়ুস আছে। সিহঁত অনিত্য, সদায় নাথাকে। কিন্তু অব্যক্তৰ কোনো কাৰণ নাই, সি অজ, নিত্য আৰু সৎ; মানে সদায় থাকে, তাৰ উৎপন্নও নাই। আদি নাই, অন্ত নাই, নপৰশে কালৰ সীমাই। ব্যক্ত সসীম, কিন্তু অব্যক্ত অসীম। ই অনন্ত, অৱয়ৱহীন আৰু সৰ্বব্যাপ্ত। ব্যক্ত সদায়েই অব্যক্তৰ অন্তৰ্গত। ব্যক্ত পদাৰ্থ যেতিয়া ধ্বংস হয়, তেতিয়া তাৰ এক পৰিণাম থাকিব লাগিব। ব্যক্ত পদাৰ্থবিলাক সেয়ে সক্ৰিয় বা সগুণ। ভাৱ আৰু শক্তিৰ ক্ৰিয়াৰ সাধাৰণ নামেই হ'ল গুণ। কিন্তু শক্তিৰ বিনাশ নাই, সেয়ে অব্যক্ত



সদায়েই নিৰ্গুণ। গতিকে অব্যক্তৰ পৰিণাম নাই, ক্ৰিয়া নাই। ই নিষ্ক্ৰিয়, নিৰ্গুণ, অ-হেতুবাদী, অজ, নিত্য, সকলোতে বিয়পি থকা, অনাদি, অনন্ত, কলেৱৰহীন, আৰু সদায় এক। অব্যক্তৰ বিপৰীত হ'ল ব্যক্ত।

কাৰ্যৰ হেতু হৈছে কাৰণ। যি শক্তিৰে কাৰণৰ পৰা নিলগ হৈ কাৰ্য প্ৰকাশিত হয় সেই শক্তিয়েই হ'ল “প্ৰকৃতি”। শক্তি এবাৰ চালিত হ'লেই অব্যক্তৰ পৰা বিশ্ব ব্ৰহ্মাণ্ড ব্যক্ত হয়; ই এক বিৰামহীন প্ৰক্ৰিয়া বুলি ফুকন ডাঙৰীয়াই তেখেতৰ গীতাৰ পাতনিত কৈছে। প্ৰকৃতিৰ ক্ৰিয়া এবাৰ আৰম্ভ হ'লেই ই আপোনা-আপুনি নিৰ্দিষ্ট উদ্দেশ্যত নিৰ্দিষ্ট নিয়মৰ অধীনে পৰিচালিত হৈ থাকে। প্ৰকৃতিৰ নিয়মবোৰৰ সমষ্টিয়েই হৈছে “স্বভাৱ”। জড় জগতখনত আমি শক্তিৰ ক্ৰিয়াক প্ৰত্যক্ষ কৰোঁ, যাক প্ৰকৃতিৰ ক্ৰিয়া বোলা হয়। এই ক্ৰিয়া পৰিণামদৰ্শী। এই পৰিণামী জড় প্ৰকৃতিকেই “অপৰা” প্ৰকৃতি বোলা হৈছে। এই অপৰা প্ৰকৃতিৰ মূলতে থকা যি অপৰিণামী শক্তি আছে তাক গীতাত “পৰা” প্ৰকৃতি বোলা হৈছে। ইয়েই জীৱভূতা ঐশী শক্তি - যি জগত জুৰি পৰিব্যাপ্ত। জগত হ'ল এই পৰা শক্তিৰেই ক্ৰমবিকাশ মাত্ৰ। (৭ম অধ্যায়, শ্লোক ৪/৫)।

সাংখ্য দৰ্শন মতে জগতত শক্তিৰ ক্ৰিয়াৰ বাদে আন একো নাই। শক্তিৰ বাস্তৱিক একো অস্তিত্ব নাথাকে। ই মানুহৰ মনৰ অনুমান। ভাৰৰ পৰা শক্তি হয় আৰু শক্তিৰ পৰা ভাৰ হয়। ভাৰ আৰু শক্তি ইটোৱে সিটোক আশ্ৰয় কৰি থাকে। যেনেকৈ বাহিৰৰ শক্তিৰ ক্ৰিয়া মানুহৰ ইচ্ছাধীন নহয়, তেনেকৈ মনৰ ভাৱৰ ক্ৰিয়াও মানুহৰ ইচ্ছাধীন নহয়। নহ'লে মানুহে ইচ্ছা কৰিলেই ৰং, ইচ্ছা কৰিলেই খং কৰিব পাৰিলেহেঁতেন। ভাৰ আৰু শক্তিৰ ক্ৰিয়াৰ নাম হ'ল “গুণ”। শক্তিৰ ক্ৰিয়াক বিজ্ঞানে তিনিৰকমে ভগাইছে – ভৰ বা শক্তি (mass or energy), ভৰবেগ (momentum) আৰু প্ৰতিচাপ (stress)। নিউটনৰ বলৰ ত্ৰি-সূত্ৰমতে মতে সেয়াই হ'ল – জড়তা, ত্বৰণ আৰু প্ৰতিক্ৰিয়া। পাছে ভাৰৰ ক্ৰিয়াৰ নিয়মবোৰ বিজ্ঞানৰ আয়ত্বাধীন হোৱা নাই, গতিকে তাৰ নামো নাই। অতীজৰ ঋষি-মুনি সকলে ভাৰ আৰু শক্তিক একে বুলি জানিছিল আৰু ভাৰক তিনিভাগে ভগাইছিল – সত্ত্ব, ৰজ আৰু তম। এই তিনিগুণ ভাৰৰ তিনি ৰকমৰ বেলেগ বেলেগ ক্ৰিয়া।

ব্যক্ত সকলো বস্তু সক্ৰিয় তথা পৰিণামদৰ্শী। এই পৰিণাম হ'ল ৰজোগুণৰ কাৰ্য। গতিকে ৰজোগুণ ক্ৰিয়াশীল (acceleration)। ক্ৰিয়াৰ প্ৰতিক্ৰিয়া থাকে। প্ৰতিক্ৰিয়া হ'ল তমোগুণৰ কাৰ্য। গতিকে তমোগুণ অৱৰোধী (reaction)। এই দুই গুণ দুৰ্বল হৈ যেতিয়া সত্ত্বগুণে ক্ৰিয়া

কৰে তেতিয়া বস্তুৰ আচল ৰূপ প্ৰকাশ পায় – তাৰ পৰিণাম বন্ধ হয়। সেয়ে সত্ত্বগুণ প্ৰকাশক (inertia, mass or energy)। ই বুদ্ধিৰ প্ৰকাশ কৰায়, গতিকে সুখদায়ক বা জ্ঞানাত্মক হয়। ৰজোগুণে বাসনাৰ উদ্ৰেক কৰে, কাৰণ ই ক্ৰিয়াশীল। গতিকে ই দুখদায়ক। তমোগুণ অৱৰোধক বাবে ই মোহাত্মক হয়। ভাৱৰ জগতত এই তিনিগুণে কেনেকৈ কেতিয়া ক্ৰিয়া কৰে মানুহে বুজি নাপায়। সকলোৰে গাত এই তিনিওটা গুণেই থাকে। যেতিয়া মানুহ এজনৰ মনটো সুখেৰে উপচি থাকে (সত্ত্ব) তেতিয়া দুখ (ৰজঃ) আৰু মোহ (তমঃ) তল পৰি থাকে। কোনো এজন মানুহৰ মন যেতিয়া ক্ৰিয়াশীল ৰজোগুণৰ প্ৰভাৱত পৰি চঞ্চল নহয় বা অৱৰোধক তমোগুণৰ প্ৰভাৱত পৰি বুদ্ধি মোহগ্ৰস্ত নহয়, তেতিয়া তেওঁৰ বুদ্ধিক সত্ত্বস্থ বোলা হয়। গীতাৰ চতুৰ্দশ অধ্যায়ত এই কথা কোৱা হৈছে।

জগত সৃষ্টিৰ পাছত স্ৰষ্টাই ব্ৰহ্মাণ্ডক নিজৰ খেয়াল খুচি মতে চলি যাবলৈ এৰি দিছে। জগত গতিশীল। এটি পলৰ বাবেও স্থিৰিৰ হ'বই নোৱাৰে। কাম নকৰাকৈ কোনো থাকিব নোৱাৰে। কেনে কাম কৰিব লাগে তাক নিৰ্ণয় কৰিবলৈ গীতাই স্বাতন্ত্ৰ্য দিছে। তাৰ ফলো অৱধাৰিত। মানুহৰ ভাল বেয়া কামৰ হিচাপ ৰাখিবলৈ ভগৱানে কাকো কৰ্তৃত্ব প্ৰদান কৰা নাই আৰু নিজেও সেয়া হিচাপ- নিকাচ নকৰে। যি যিমতে আৰ্জে, তেওঁ সেইমতেই ভুঞ্জে। বেয়াবোৰ বেচি হ'লে তাক বন্ধ কৰিবলৈ নাৰায়ণ জাগি উঠে; যেতিয়াই অনীতি, বিশৃংখলা বেচি হয় তেতিয়াই। যুগে যুগে। গীতাৰ জগত দুখন – বৰ্হিজগত আৰু অন্তৰ্জগত। বৰ্হিজগতত থকা বস্তুবিলাকে পাৰস্পৰিক সম্পৰ্ক বজাই চলে। এয়া বিজ্ঞানৰো কথা। বস্তুৰ এই পাৰস্পৰিক সম্পৰ্কই হৈছে জগত। বস্তুৰ আচল ৰূপ আমি প্ৰত্যক্ষ নকৰোঁ, কৰোঁ সিহঁতৰ মাজৰ পাৰস্পৰিক সম্পৰ্কক। মানুহৰ মনৰ ভাৱবিলাক বৰ্হিজগতৰ পৰা আহে। আমাৰ বুদ্ধিস্থ সংস্কাৰত জাগতিক ভাৱবিলাকেই থাকে। গতিকে সংস্কাৰত জাগতিক ভাৱবিলাকক সুমাব পাৰিলে জগতৰ আচল ৰূপটো প্ৰত্যক্ষ কৰিব পাৰি। পাৰমাৰ্থিক কথাৰ ধাৰণা কৰিব পাৰি।

দুয়োখন জগতৰ সকলো পৰিণাম হ'ল স্বভাৱৰ (nature) কাৰ্য। জগতৰ এক নিৰ্দিষ্ট উদ্দেশ্য আছে আৰু সেই উদ্দেশ্য সাধনৰ বাবে জগতে যান্ত্ৰিকভাৱে আগবাঢ়ে। তাত জীৱৰ কোনো স্বাধীন কৰ্তৃত্ব নাই। অংশপাতি নিয়মানুগ নহ'লে যন্ত্ৰ এটা বিকল হৈ পৰে। সেয়ে গীতাই কৈছে প্ৰকৃতি বা স্বভাৱে বা সংস্কাৰস্থ ভাৱে কাম কৰায় আৰু অজ্ঞানী জীৱই তাকে নিজে কৰা বুলি কৰ্তৃত্ব অভিমান কৰে। মানে অহংকাৰ কৰে। প্ৰকৃতিৰ বশতে অৱশ হৈ জীৱৰ সৃষ্টি হয় আৰু প্ৰকৃতিৰ বশতে



অৱশ হৈ জীৱই কৰ্ম কৰি ধ্বংসাভিমুখী হয়। আমি কি কাম কৰোঁ সেয়া আগতে ভাবোঁ। ভাৱৰ পৰা ইচ্ছা হয় আৰু ইচ্ছা অনুসৰি কাম হয়। গতিকে কৰ্মৰ মূল হৈছে ভাৱ; আৰু আগেয়ে কৈ অহা মতে ভাৱেই হৈছে শক্তি, যি মানুহৰ মনৰ কল্পনা মাত্ৰ। সেয়ে ভাৱ বা শক্তিক ঈশ্বৰৰ ইচ্ছা বুলি ধৰি লোৱা হয়। খং-ৰাগ, হাঁহি-কান্দোন, ৰুচি-অৰুচি আদি এই ভাৱবিলাক প্ৰকৃতিৰ। গতিকে প্ৰকৃতি হ'ল ঈশ্বৰৰ ইচ্ছা। গতিকে ভগৱানেই হ'ল সকলো কৰ্মৰে নিয়ন্ত্ৰা।

হৃদিস্থিত হুয়া তুমি জেন কৰাবাহা স্বামি
হৃষিকেস কৰিবো তেহ্নই।। (নামঘোষা ১৩৮)

পোনতেই উল্লেখ কৰা হ'ল গীতা শাস্ত্ৰই ভগৱন্ত ভক্তিযুক্ত পুৰুষৰ আত্মবোধ কৰায়। এই আত্মবোধটো কি? গীতাই তাৰ উত্তৰত ক'লে – আমি যি জাগতিক কাম কৰোঁ - খোৱা-বোৱা, ভবা আদি, এই সকলোখিনি যদি ঈশ্বৰক অৰ্পণ কৰোঁ, তেওঁৰ ইচ্ছাতে কৰা বুলি বুজি পাওঁ, তেনেহ'লে মানুহ কৰ্মত আসক্ত হ'ব নোৱাৰে আৰু কৰ্মফলত স্পৃহাও নাথাকে। সেয়া হ'ল কৰ্মযোগৰ প্ৰথমটি ঢাপ - "কৰ্মফল-ত্যাগ"। সকলো কৰ্মৰে হৰিহে নিয়ন্ত্ৰা বুলি যদি ভাৱ কৰিব পাৰি তেতিয়া কৰ্তৃত্ব বুদ্ধিহীন হৈ মানুহে অনাসক্তভাৱে কাম কৰিব পাৰিব, লাহে লাহে মনৰ পৰা খং ৰাগ আদি সংস্কাৰাবদ্ধ ভাৱবোৰ নিৰোধ হৈ মানুহৰ চিত্তশুদ্ধি হ'ব। গতিকে মানুহৰ বুদ্ধিস্থ সংস্কাৰ উৎকৰ্ষ সাধন হৈ প্ৰকৃতিৰ বান্ধোনৰ পৰা মুকলি হ'ব, প্ৰকৃতিৰ ক্ৰিয়াৰ অতীত বা গুণৰ অতীত গুণাতীত হ'ব। সেয়ে "আত্মজ্ঞান"। এয়া হ'ল কৰ্মযোগৰ দ্বিতীয়টি ঢাপ। আত্মজ্ঞানী বা গুণাতীতে মনৰ পৰা অহংভাৱ দূৰ কৰিলে। গুণাতীত অৱস্থাটো কিন্তু গীতাই সৰ্বোত্তম বুলি কোৱা নাই। অহং ভাৱ নাশ, ক্ৰমোন্নতিৰ প্ৰথম স্তৰহে। ভেম, মইবৰ ভাৱ, অহং ভাৱ নাইকীয়া হ'লেহে মানুহে নিজে কিমান দুৰ্বল তাক বোধ কৰিব পাৰে। তেওঁলোকযে নিৰ্দ্ধাৰিতহে - নিৰ্দ্ধাৰক নহয় এই বোধ মনত তেতিয়া উদয় হয়।

গুণাতীত বা স্থিতপ্ৰজ্ঞতাৰ পাছৰ স্তৰত জ্ঞানযোগী – কৰ্মযোগী উভয়ৰে মনত পৰাভক্তিৰ উদয় হয়। পৰাভক্তি হ'ল পৰম ব্ৰহ্মৰ অসীমত্বৰ মহত্বৰ ধাৰণা কৰিব পৰা অৱস্থা। মানুহৰ সসীম মনে অসীমত্বৰ ধাৰণা কৰিবলৈ আহুকাল পায়, গতিকে যি সেই ধাৰণা কৰিব পাৰিছে তেওঁহে প্ৰকৃততে ভক্ত। আৰু সেয়েই হৈছে পৰম জ্ঞান। এইখিনিতে জ্ঞানযোগ আৰু কৰ্মযোগ একাকাৰ হৈছে। (৪/৩৩)।

কথা হ'ল সংসাৰী মানুহে ঘৰ সংসাৰ বাদ দি ঈশ চিন্তাৰে কালাতিপাত কৰিলে সংসাৰ চলিবনে? যদি আসক্তি ত্যাগ কৰা হয়,

কর্ত্তব্য বিৰত হয়, সংসাৰ চলিবনে? গীতাৰ মতে এনে কথা হ'ব নোৱাৰে। মানুহে কাম কৰিবই লাগিব - কিন্তু এনেদৰে কৰিব লাগিব যাতে ক্ৰমাত আমাৰ মন নিৰ্মল হৈ আহে, ৰাগ-অনুৰাগ বিবৰ্জিত হৈ আহে। সংসাৰৰ মাজতে থাকিও সেয়ে মানুহ স্থিতধী হ'ব পাৰে - গুণাতীত হ'ব পাৰে।

আমি আমাৰ চৌপাশৰ জগতখন যি ধৰণে দেখি আহিছোঁ, সেই ধৰণেই আমাৰ বোধে গঢ় লৈছে। সেই বোধ বা জ্ঞানক পৰোক্ষ জ্ঞান বুলি বেদান্তই কৈছে। এইবিলাক দৰাচলতে সংস্কাৰস্থ ভাৱহে। আমাৰ অস্তিত্ব সম্বন্ধে আমাৰ যি জ্ঞান বা অখণ্ড কাল জ্ঞান, সেয়ে হ'ল অপৰোক্ষ জ্ঞান। এই জ্ঞান আমাৰ ভিতৰৰ পৰাই উদ্ভৱ হয়। গীতাই জ্ঞান বোলোতে পৰোক্ষ জ্ঞানৰ কথা কৈছে আৰু দ্বিতীয়বিধ জ্ঞানক বিজ্ঞান বুলিছে অৰ্থাৎ অখণ্ড কাল জ্ঞানক বিজ্ঞান বুলিছে। গীতাৰ মতে সংস্কাৰস্থ জাগতিক ভাৱবিলাক জ্ঞান, বাকিবিলাক অজ্ঞান। সেইমতে ৰাজসিক ভাৱবিলাক অজ্ঞান। ৰাজসিক ভাৱবিলাকে সাত্বিক ভাৱনাক ঢাকি ৰাখি মানুহক কামত লিপ্ত কৰে - সেইবাবেই মানুহ মোহগ্ৰস্ত হয়। ক্ৰিয়াশীল ৰাজসিক ভাৱনা টুটি আহিলেহে মানুহৰ মনত সাত্বিক ভাৱনাই ঠাই পাব।

ৰাজসিক ভাৱবিলাক বিশ্লেষণ কৰি গীতাই পালে যে ভাৱ তিনিবিধ - কাম, ক্ৰোধ আৰু লোভ (১৬/২১-২২)। ইয়াৰ ভিতৰত কামেই প্ৰধান শত্ৰু। অপূৰণ কামনাতে ক্ৰোধৰ জন্ম হয়, লোভৰ জন্ম হয় (৩/৩৭ আৰু ৪৩)। এই কামেই সাত্বিকতাক ঢাকি ৰাখে অৰ্থাৎ জ্ঞানক ঢাকি ৰাখে। অভ্যাসৰ বলতে মানুহে কামনা দমাই ৰাখিবলৈ সমৰ্থ হ'ব পাৰে। সৰ্বদাই হৰিৰ চিন্তাত মজি থাকি নিজ নিজ কৰণীয়খিনি জানি বুজি কৰি গ'লে, ফলাফল ফলদাতা বিভুৰ হাতত এৰি দিব পাৰিলে, মানুহৰ মনৰ পৰা ফলাকাংক্ষা লোপ পাই বাসনা নিবৃত হয়। ক্ষমা, অহিংসাৰ দৰে সাত্বিক ভাৱনাৰে পৰিচালিত হ'লে মানুহক বিপথে চালিত কৰা কাম ক্ৰোধ লোভ এই ৰিপুবিলাক পলাই ফাট মাৰিব। অহংভাৱে মনত ঠাই পালে এই বেয়া ভাৱবিলাকে মনত ভৰ কৰে। সকলো ভুততে নাৰায়ণ আছে বুলি মনত ভাৱ আনিলে মানুহে সকলোকে সমান দেখিব, নিস্কাম হ'ব।

গীতা পাঠ কৰাৰ আগতে যি মহাভাৰতত গীতা অন্তৰ্ভূক্ত আছে সেই মহাভাৰতখনত বিভিন্ন চৰিতাৱলী ৰূপক ভাৱটো জানি ল'লে শাস্ত্ৰভাগী বুজাত সুবিধা হয়।

স্বামী যোগানন্দৰ ভাষ্যমতে মহাভাৰতৰ চৰিতাৱলীৰ প্ৰতীকি ৰূপটো এনে ধৰণৰ -



কৃষ্ণ আৰু অৰ্জুনৰ জন্মৰ তিনিপুৰুষ আগেয়ে ৰজা শান্তনুৰ দিনতে মহাভাৰতৰ কাহিনীয়ে পাতনি মেলিছে। শান্তনুৰ প্ৰথমা পত্নী গঙ্গা - গঙ্গা নদীৰ মূৰ্ত্তৰূপ। তেওঁৰ আঠোটি পুত্ৰ, কিন্তু সাতোটাক তেওঁ গঙ্গানদীত বিসৰ্জন দিয়ে; অষ্টম পুত্ৰক শান্তনুৰ অনুৰোধত তেওঁৰ হাতত দিয়ে কিন্তু নিজে গঙ্গানদীত প্ৰাণ বিসৰ্জন দিয়ে। এইজনা পুত্ৰই পাছলৈ ভীষ্ম নামে জনাজাত হয়। দ্বিতীয় পত্নী সত্যৱতীৰ দুজন পুত্ৰ– বিচিত্ৰবীৰ্য্য আৰু চিত্ৰাঙ্গদ। চিত্ৰাঙ্গদৰ সৰুতে মৃত্যু হয়; বিচিত্ৰবীৰ্য্যই দুগৰাকী ( অম্বিকা আৰু অম্বালিকা) বিয়া কৰায় যদিও তেওঁৰো সন্তান জন্মৰ আগতে মৃত্যু হয়।

শান্তনুৰ দ্বিতীয় পত্নী সত্যৱতী মাছমৰীয়াৰ ছোৱালী আছিল। তেওঁৰ গাৰ মাছৰ গোন্ধৰ কাৰণে কোনেও তেওঁক বিয়া কৰাব খোজা নাছিল। মুণি পৰাশৰে এবাৰ সত্যৱতীৰ সেৱাত সন্তুষ্ট হৈ তেওঁক পদ্মগন্ধা হ'বলৈ আশীৰ্বাদ দিয়ে আৰু মুণিৰ অনুগ্ৰহত তেওঁ এটি পুত্ৰসন্তান লাভ কৰে। উপজিয়েই এই পুত্ৰ তপস্যা কৰিবলৈ যায়। এওঁ পাছলৈ বেদব্যাস নামে জনাজাত হয়। সম্বন্ধত ব্যাস বিচিত্ৰবীৰ্য্যৰ সতীয়া ককায়েক।

সত্যৱতীৰ পৰা হোৱা দুই পুত্ৰৰ অপুত্ৰক অৱস্থাত মৃত্যু হোৱা বাবে সত্যৱতীয়ে তেতিয়াৰ দিনৰ দস্তুৰ মতে ব্যাসক মাতি বিচিত্ৰবীৰ্য্যৰ দুই পত্নীৰ গৰ্ভত দুজন পুত্ৰ জন্ম দিয়াই শান্তনুৰ বংশ ৰক্ষা কৰে। প্ৰথম অম্বিকাৰ পুত্ৰ জন্মান্ধ ধৃতৰাষ্ট্ৰ। অম্বালিকাৰ পুত্ৰ পাণ্ডু। ধৃতৰাষ্ট্ৰই গান্ধাৰীক বিয়া কৰায়; স্বামী অন্ধ হোৱা বাবে গান্ধাৰীয়েও নিজৰ চকু ক'লা কাপোৰেৰে বান্ধি লৈ অন্ধ হৈয়ে জীৱন কটায়। তেওঁলোকৰ এশটা সন্তানৰ জ্যেষ্ঠ দুৰ্য্যোধন। ধৃতৰাষ্ট্ৰৰ দ্বিতীয় পত্নী বৈশ্যাৰ এজন পুত্ৰ - যুযুৎসু।

পাণ্ডুৰো দুগৰাকী পত্নী। প্ৰথমা কুন্তী, বসুদেৱৰ ভনীয়েক আৰু কৃষ্ণৰ পেহীয়েক। দ্বিতীয়া মাদ্ৰী। মৃগয়ালৈ যাওঁতে পাণ্ডুৱে ভুলতে এজন ঋষিক বধ কৰাত শাপগ্ৰস্ত হয়। শাপ মতে তেওঁৰ স্ত্ৰী সংযোগ ঘটিলে মৃত্যু হ'ব। গতিকে তেওঁও অপুত্ৰক হ'ব লগা হোৱাত মনৰ দুখ দেখি কুন্তীয়ে জনালে যে জীয়ৰী কালতে ঋষিৰ সেৱা সৎকাৰ কৰাত ঋষি সন্তুষ্ট হৈ পাঁচটা বৰ দিছিল যে কুন্তীয়ে ইচ্ছা কৰিলে যি কোনো দেৱতাক পুত্ৰৰ কাৰণে আহ্বান কৰিব পাৰে। (এই কথাৰ প্ৰমাণ চাবলৈ তেওঁ সূৰ্য্যদেৱতাক আহ্বান কৰি এজন পুত্ৰ লাভ কৰে; কিন্তু অপবাদৰ ভয়ত শিশুটিক পানীত উটুৱাই দিয়ে।)

এই কথা জনাৰ পাছত পাণ্ডুৱে কুন্তীক পুত্ৰৰ কাৰণে মন্ত্ৰ প্ৰয়োগ কৰিবলৈ কয়। এইদৰে কুন্তীৰ ধৰ্মৰাজ, বায়ু আৰু ইন্দ্ৰ দেৱতাৰ

পৰা তিনিজন পুত্ৰ জন্ম হয়। অৱশেষ মন্ত্ৰটো কুন্তীয়ে মাদ্ৰীক দিয়ে আৰু তেওঁ অশ্বিনীকুমাৰদ্বয়ক আহ্বান কৰি যমজ সন্তান লাভ কৰে।

পাণ্ডু আৰু মাদ্ৰীৰ মৃত্যুৰ পাছত কুন্তীয়ে পঞ্চ পুত্ৰক লৈ ধৃতৰাষ্ট্ৰৰ কথা মতে হস্তিনাপুৰত কৌৰৱসকলৰ সৈতে একেলগে বাস কৰিবলৈ লয়। কৌৰৱ আৰু পাণ্ডৱ উভয়ে গুৰু দ্ৰোণাচাৰ্য্যৰ ওচৰত শিক্ষা লাভ কৰি সকলো পিনে পাৰ্গত হৈ উঠিল; কিন্তু এই সকলোৰে ভিতৰত মধ্যম পাণ্ডৱ অৰ্জুন ধনুৰ্বিদ্যাত সকলোতকৈ শ্ৰেষ্ঠ হ'ল। কৌৰৱসকলে সৰুৰে পৰা পাণ্ডৱসকলক হিংসা কৰিছিল আৰু ছলে-বলে তেওঁলোকক মাৰিবৰ অসফল চেষ্টা কৰিছিল। কৌৰৱৰ অত্যাচাৰত পাণ্ডৱসকল ছদ্মবেশে ঘূৰি ফুৰোঁতে দ্ৰুপদ ৰজাৰ জীয়াৰী দ্ৰৌপদীৰ স্বয়ম্বৰত উপস্থিত হৈ অন্যান্য ৰজাবোৰক হৰুৱাই দ্ৰৌপদীক লাভ কৰে। মাক কুন্তীৰ কথা মতে পাঁচো ভায়েকে দ্ৰৌপদীক বিয়া কৰায়। ইয়াৰ পাছত ধৃতৰাষ্ট্ৰই তেওঁলোকক পুনৰ মাতি নি বেলেগে ৰাজ্য দি ৰাখে।

শকুনিৰ (দুৰ্য্যোধনৰ মোমায়েক) বুদ্ধিমতে কপট পাশা খেলত পাণ্ডৱৰ সকলো ৰাজ্যধন কাঢ়ি লৈ পাণ্ডৱক বাৰ বছৰ বনবাস আৰু এবছৰ অজ্ঞাতবাসলৈ পঠিয়ায়। কিন্তু তেৰ বছৰৰ পাছত ঘূৰি আহি যেতিয়া পাণ্ডৱে নিজৰ ৰাজ্য ঘূৰাই বিচাৰিলে, তেতিয়া দুৰ্য্যোধনে যুদ্ধহে ঘোষণা কৰিলে। শ্ৰীকৃষ্ণই ইমানদিনে পাণ্ডৱক সকলো বিপদে-আপদে তাৰি আছিল। এতিয়াও শান্তিৰ বাবে চেষ্টা কৰি দুৰ্য্যোধনৰ পৰা অপমানহে পালে। এই গৃহযুদ্ধই ভয়ঙ্কৰ কুৰুক্ষেত্ৰ যুদ্ধ। এই যুদ্ধ অন্যায়ৰ বিৰুদ্ধে। কৃষ্ণ ইয়াত পাণ্ডৱৰ ফলীয়া হৈ অৰ্জুনৰ ৰথৰ সাৰথি হয়। তেওঁ নিজে এই যুদ্ধত অস্ত্ৰ ধাৰণ কৰা নাছিল। অৱশেষত সত্য আৰু ন্যায়ৰ পক্ষত থকা পাণ্ডৱৰ জয় আৰু কৌৰৱ সমূলে ধ্বংস হয়।

## প্ৰতীক ৰূপ

ৰজা শান্তনুৰ পৰা নামি অহা কুৰু পাণ্ডৱৰ বংশধাৰাক ৰূপক হিচাপে চৈতন্যৰ পৰা পদাৰ্থলৈ নামি অহা বিশ্বজগত আৰু মানৱ জাতিক সমান্তৰালকৈ দেখুৱা হৈছে। নশ্বৰ মানৱৰ সীমাৱদ্ধ চৈতন্যৰ পৰা মানুহে কেনেকৈ নিজৰ স্বৰূপ, আত্মাৰ অমৰ চৈতন্যলৈ আৰোহণ কৰি অনন্ত পৰমাত্মাৰ সৈতে মিলি যাব পাৰে আৰু নামি অহা ধাৰাক পুনৰ উৰ্দ্ধগতি কৰিব পাৰে সেই সম্পৰ্কই গীতাৰ এই কথোপকথনৰ মূল আলোচ্য বিষয়।



মহাভাৰতৰ চৰিত্ৰবিলাকৰ আধ্যাত্মিক অৰ্থ ইয়াত দিয়া হৈছে। এই নিহিত অৰ্থসমূহ নিজৰ ইচ্ছামতে দিয়া হোৱা নাই, প্ৰত্যেক শব্দ আৰু নামৰ অন্তৰ্নিহিত অৰ্থ মূল সংস্কৃত ধাতুৰ আদি ৰূপটোত সোমাই আছে। মহান ভগৱৎ গীতাৰ ৰচয়িতাই প্ৰত্যেক মানসিক অনুভূতি তথা গুণ আৰু তাত্ত্বিক মীমাংসাক যেনেকৈ আবৃত কৰিছে সেয়া বিশেষ উল্লেখনীয়। প্ৰত্যেক শব্দই অতি সুন্দৰ আৰু প্ৰতিটো শব্দই একোটা ধাতুৰ পৰা ওলাইছে। এই শব্দসমূহৰ স্থানভেদে প্ৰয়োগো বিশেষ মন কৰিবলগীয়া কথা - যেনে অৰ্জুনক এঠাইত গুড়াকেশ বোলা হৈছে, কোনো ঠাইত ভাৰত বোলা হৈছে ইত্যাদি।

ৰূপক হিচাপে শান্তনুৰ পৰা ব্ৰহ্ম- ঈশ্বৰ, সৃষ্টিকৰ্ত্তা, সৃষ্টিৰ অপৰিৱৰ্তিত, অতীন্দ্ৰিয় মূল আৰু উৎস; পৰমেশ্বৰৰ বিশ্বজনীন চৈতন্যৰ পৰা বিকশিত হোৱা শক্তি, ৰূপ আৰু জীৱৰ অদ্বিতীয় সত্য। এই বিকাশৰ প্ৰথম প্ৰকাশ তেওঁৰ পৰা স্ফুৰিত হোৱা বোধজ্ঞান আৰু সৃষ্টিমূলক কম্পন শক্তিক প্ৰতিনিধিত্ব কৰিছে শান্তনুৰ দুই পত্নী গঙ্গা আৰু সত্যৱতীয়ে।

গঙ্গা আধ্যাত্মিক প্ৰকাশ - চৈতন্য আৰু বুদ্ধিৰূপে মহা প্ৰকৃতি। ঈশ্বৰ চৈতন্য আঠ ভাগে বিভক্ত হৈ প্ৰকাশিত হৈছে - গঙ্গাৰ আঠ পুত্ৰ; প্ৰথম কূটস্থ চৈতন্য – অপৰিৱৰ্তনীয়, সাৰ্বজনীন, বিশ্বব্যাপী পৰমাত্মা; ছটা বোধজ্ঞান – মহা বিশ্বব্ৰহ্মাণ্ডৰ প্ৰকাশৰ নিয়ন্ত্ৰক বোধজ্ঞান তিনিটা আৰু তিনিটা বোধজ্ঞান অণুবিশ্বৰ ব্যক্তিগত কাৰণ সূক্ষ্মশৰীৰ আৰু পাৰ্থিৱ শৰীৰৰ ৰূপ প্ৰকাশৰ নিয়ন্ত্ৰক। অষ্টমটি হ'ল অভাস চৈতন্য বা প্ৰতিবিম্বিত পৰমাত্মা। এয়া কূটস্থ চৈতন্যৰ প্ৰতিফলন, সকলো ব্যক্তিগত ৰূপত প্ৰতিফলিত হৈ আছে; ইয়াৰেই সকলো প্ৰাণৱন্ত আৰু আত্মাযুক্ত হৈছে। এনেদৰে আত্মাযুক্ত হোৱা পদাৰ্থ বা পাৰ্থিৱ ৰূপে, মন বুদ্ধি আৰু চেতনাৰে নিজৰ এটা বেলেগ অস্তিত্বৰ প্ৰতি সচেতন হৈ উঠে। এই আত্ম চৈতন্যই অহংকাৰ - ব্যক্তিগতকৰণৰ ফলত আত্মাৰ দ্বৈতৰূপ যেন দেখা সাৰ্বজনীন জীৱাত্মা। প্ৰতিফলিত আত্মবোধৰ এই দিশৰ প্ৰতিনিধিত্ব কৰিছে ভীষ্মই। গীতাত এইজনাৰ চৰিত্ৰৰ বিষয়ে স্বামী যুক্তেশ্বৰদেৱে লেখিছে- “এজন সুদক্ষ বয়োবৃদ্ধ জাগতিক মানুহ যাক কুৰুবৃদ্ধ বুলি কোৱা হৈছে; সৃষ্টিৰ আদিৰ পৰাই এওঁ আছে । তেওঁৰ অবিহনে আমাৰ এই সংকীৰ্ণ পাৰ্থিৱকৰ্ম আৰু চিন্তাধাৰাৰ কাম কৰাৰ মানসিকতা নাথাকিব। সমগ্ৰ সৃষ্ট জগত এই ব্যক্তিকেন্দ্ৰিক শক্তিৰ ওপৰতে থিয় হৈ আছে।”

এইদৰে সাতোটা জাগতিক ৰূপ আৰু বোধজ্ঞানেৰে পৰমাত্মা সমগ্ৰ সৃষ্টি ব্যাপী আছে, কিন্তু সাধাৰণ মানুহৰ চেতনাৰ আঁৰত

জাগতিক সোঁতত গঙ্গাত উটুৱাই দিছে (গঙ্গাৰ সাত পুত্ৰক নৈত পেলাই দিছে)। একমাত্ৰ 'অভাস চৈতন্য'–প্ৰতিবিম্বিত আত্মা – অষ্টম পুত্ৰ দেৱব্ৰত (পাছলৈ ভীষ্ম নামে খ্যাত) – জগতত প্ৰকাশিত হৈ থাকিল। তেৱেঁই মনৰ স্থূল অনুভূতিসমূহ সক্ৰিয় কৰি তুলিছে ; কিন্তু নিজে সমস্ত ঘটনাৰ ফলাফলৰ প্ৰতি উদাসীন। (ভীষ্মই সিংহাসনৰ দাবী ত্যাগ কৰিছে আৰু ব্ৰহ্মচৰ্য্যৰ প্ৰতিজ্ঞা কৰিছে)। ইন্দ্ৰিয়াসক্ত মনৰ সৈতে সংযুক্ত হৈ অথবা সৎ অনুভূতিৰে দিব্যভাৱ প্ৰকাশ কৰি জীৱাত্মাই নিজকে হয় মহান বা নহয় পতিত কৰে।

গঙ্গা যেনেকৈ আধ্যাত্মিক প্ৰকৃতি, সেইদৰে সত্যৱতী পদাৰ্থ ৰূপে আদি প্ৰকৃতি। তেওঁৰ পৰাই জাগতিক বিশ্বৰূপ – অনুভূতি আৰু চিন্তাশক্তিযুক্ত কৰ্মী জীৱৰ উৎপত্তি। ইয়াৰ প্ৰথম প্ৰকাশ ব্যাস। সৃষ্টি কৰিবলৈ হ'লে ঈশ্বৰে আপেক্ষিকভাৱে নিজৰ চৈতন্যক আবৃত কৰিব লাগিব, অৰ্থাৎ একক সত্যই দ্বৈতবাদৰ প্ৰক্ষেপ আৰু দুয়োটাৰ পাৰ্থক্য বুজিব পৰা বিবেচনাশক্তি প্ৰকাশ কৰিব লাগিব। ৰূপক হিচাপে এয়ে ব্যাস।

সত্যৱতীৰ আন দুজন পুত্ৰ হ'ল চিত্ৰাঙ্গদ আৰু বিচিত্ৰবীৰ্য্য: ক্ৰমান্বয়ে দিব্য মৌলিক উপাদান আৰু দিব্য জীৱাত্মা; সৃষ্টিৰ চৌবিছটা তত্ত্বৰ প্ৰথমটোক মৌলিক উপাদান বা মহৎ তত্ত্ব বুলি কোৱা হয়। এই মৌলিক উপাদানৰ ভিতৰত মানসিক চৈতন্য বা চিত্তও পৰে। সচেতনতা আৰু অনুভূতিৰে মৌলিক তত্ত্ব ভ্ৰষ্ট হৈ বেলেগ বেলেগ অংশত বিভক্ত হৈ পৰে। এয়ে চিত্ৰাঙ্গদৰ অকাল মৃত্যু। প্ৰথম অপকাৰ্ষ হ'ল 'মই' ভাৱ বা অভিজ্ঞতা লাভ কৰোঁতা জীৱাত্মা - শৰীৰৰ দিব্য জীৱাত্মাক পৰমাত্মাৰ পৰা নিলগ কৰি ব্যক্তিগতকৰণ।

বিচিত্ৰবীৰ্য্যৰ দিব্য জীৱাত্মাৰ দুগৰাকী পত্নী ; অম্বিকা আৰু অম্বালিকা। অম্বিকা নেতিবাচক সন্দেহৰ প্ৰতিনিধি (শুদ্ধ বিচাৰ বিবেচনাহীন দৃষ্টি) ; অম্বালিকা ইতিবাচক বিবেক বুদ্ধি যুক্ত শক্তি। বিচিত্ৰবীৰ্য্যৰ মৃত্যুৰে চৈতন্যৰ বহিঃ বিকৃতিৰ ফলত কৰ্তৃত্বশীল চৈতন্যৰ পৰা দিব্য জীৱাত্মাক গুপ্ত কৰি ৰখা বুজাইছে। পাছত অম্বিকাৰ গৰ্ভত ব্যাসৰ পৰা আপেক্ষিকতা আৰু বিবেক বুদ্ধিযুক্ত শক্তিৰ পৰা অন্ধ ধৃতৰাষ্ট্ৰ (মানস ইন্দ্ৰিয়মন)ৰ জন্ম হয়। তেওঁ অন্ধ কাৰণ বিবেচনাশক্তিহীন। অম্বালিকাৰ গৰ্ভত ব্যাসৰ পৰা পাণ্ডু – শুদ্ধ বিচাৰ বুদ্ধিৰ জন্ম হয়।

অন্ধ ধৃতৰাষ্ট্ৰই গান্ধাৰীৰ পৰা (বাসনা শক্তি) দুৰ্য্যোধন (অহংকাৰী বাসনা) আৰু তেওঁৰ নিৰান্নৈবেটি ভায়েক (দহ ইন্দ্ৰিয় – পাঁচ জ্ঞানেন্দ্ৰিয় আৰু পাঁচ কৰ্মেন্দ্ৰিয়) আৰু সেইবিলাকৰ প্ৰত্যেকৰ



দহোটাকৈ অনুভূতিৰ জন্ম দিয়ে। দ্বিতীয়া পত্নী বৈশ্যাৰ পৰা যুযুৎসূ (মনস্তাত্ত্বিক যুদ্ধ বাসনা )ৰ জন্ম দিয়ে। কুৰুক্ষেত্ৰ যুদ্ধত যুযুৎসূৱে পাণ্ডৱৰ পক্ষে যুদ্ধ কৰিছিল।

পাণ্ডু হ'ল শুদ্ধ বিবেক বুদ্ধি — মনৰ ইতিবাচক দিশ। তেওঁৰ পাঁচজন পুত্ৰ - পঞ্চ তত্ত্ব বা পঞ্চ কম্পন শক্তি, যাৰ সৈতে সৃষ্টি শক্তি যুক্ত হৈ বিভিন্ন ৰূপত বিভক্ত হয় - ক্ষিতি, অপ, তেজ, মৰুৎ আৰু ব্যোম (মাটি, পানী, তেজ, প্ৰাণবায়ু আৰু আকাশ বা মহাশূন্য)। মানুহৰ শৰীৰত ই পাঁচটা চক্ৰ ৰূপে মেৰুদণ্ডত স্থিত, সৃষ্টি আৰু পালনৰ বাবে জীৱন আৰু চৈতন্যৰ সুক্ষ্ম কেন্দ্ৰ। আধ্যাত্মিক চেতনাৰে জাগ্ৰত কৰিলে এই চক্ৰই দিব্য শক্তি প্ৰদান কৰে।

কুন্তীৰ পৰা জন্ম লাভ কৰা প্ৰথম তিনিজন পুত্ৰ সৃষ্টি নিয়ন্ত্ৰণ কৰোঁতা বিশ্বতত্ত্বৰ আহ্বায়ক। যুধিষ্ঠিৰ হৈছে দিব্য প্ৰশান্তি, বিশুদ্ধ চক্ৰত ব্যোমৰ কম্পন শক্তি; ধৰ্মৰাজৰ পৰা জন্ম লোৱা বাবে ন্যায়দেৱতা। অনাহুত চক্ৰত কম্পন শক্তি মৰুৎ বা প্ৰাণবায়ু ভীম - দেৱতাসকলৰ ভিতৰত বলৱান পৱন দেৱতাৰ পুত্ৰ। অৰ্জুন মণিপুৰ চক্ৰত তেজস্ কম্পন শক্তি দেৱৰাজ ইন্দ্ৰৰ পুত্ৰ – দিব্য আত্ম সংযম। মাদ্ৰী - অনাসক্তি, অনুৰাগৰ পুত্ৰ নকুল স্বাধিষ্ঠান চক্ৰত 'অপ' কম্পন শক্তি - দিব্য সংযুক্তশক্তি আৰু সহদেৱ - দিব্য মূল শক্তি- ক্ষিতি কম্পন শক্তি মূলাধাৰ চক্ৰত স্থিত। এওঁলোক দুয়ো অশ্বিনীকুমাৰদ্বয়ৰ পুত্ৰ।

পাৰ্থিৱ শৰীৰৰ দৈহিক গঠনেও পাঁচ পাণ্ডৱৰ জন্ম দুজনা মাতৃৰ পৰা বুলি দেখুৱায়। মস্তিষ্ক মজ্জা (Medulla) ৰ পৰা মণিপুৰ চক্ৰলৈকে মেৰুদণ্ডৰ প্ৰথম তিনিটা চক্ৰত প্ৰথম তিনিজন কুন্তীপুত্ৰৰ স্থিতি ; মেৰুদণ্ডৰ তলৰ অংশৰ পৰা মেৰু গ্ৰন্থী বা গুচ্ছিকা ওলাই মেৰুদণ্ডৰ অন্তিম মূৰলৈকে গৈছে আৰু ইয়াতে পাছৰ দুজন যমজ পুত্ৰৰ স্থিতি।

ৰূপক হিচাপে ইও উল্লেখনীয় যে যদিও শৰীৰ মনক সচেতন কৰি ৰখাৰ বাবে পাঁচোটা চক্ৰই কাম কৰে, কিন্তু প্ৰথম তিনিটা উচ্চস্থানৰ চক্ৰ আধ্যাত্মিক কাম আৰু ধ্যানৰ বাবে যোগীৰ কাৰণে বিশেষ সহায়ক আৰু মঙ্গলদায়ক আৰু তলৰ দুটা চক্ৰ বাহ্যিক কৰ্মৰাজিক আধ্যাত্মিক ভাৱাপন্ন কৰাৰ বাবে শক্তিশালী সহায়ক।

পাঁচ পাণ্ডৱৰ সমূহীয়া স্ত্ৰী দ্ৰৌপদী - মেৰুদণ্ডত কুণ্ডলীকৃত হৈ থকা জীৱনী শক্তি বা কূলকুণ্ডলিনী। কুণ্ডলিনী জাগ্ৰত হ'লে যোগীৰ আধ্যাত্মিক শক্তি জাগ্ৰত হয়, অৰ্থাৎ পাঁচটা চক্ৰৰ শক্তি একত্ৰিত হয়; পাণ্ডৱৰ পাঁচ পুত্ৰৰ জন্ম।

# গীতাৰ আলোচ্য বিষয়

গীতাৰ কথোপকথন আৰম্ভ হোৱাৰ সময়ত পৰিস্থিতি এনে ধৰণৰ আছিল - মানুহৰ আত্ম-চৈতন্য বা সনাতন আনন্দময় স্বৰূপৰ সৈতে একাত্ম উপলব্ধি স্তৰে স্তৰে অৱনমিত হৈ নশ্বৰ শাৰীৰিক চৈতন্যত উপনীত হৈছেহি। এই শাৰীৰিক ৰাজ্যত অন্ধ মন আৰু ইন্দ্ৰিয়সমূহ আৰু শুদ্ধ বিবেক বুদ্ধিৰ বিবেচনা শক্তি, উভয়ে শাসন কৰে; ইন্দ্ৰিয়গ্ৰাহ্য আনন্দত বস্তুবাদী ইন্দ্ৰিয়সমূহে চৈতন্যক মগ্ন কৰি ৰাখিব বিচাৰে আৰু শুদ্ধ বিবেচনা শক্তিয়ে চৈতন্যক আত্মোপলব্ধিৰ স্বাভাৱিক অৱস্থালৈ নিব বিচাৰে। ফলত দুয়োটাৰ মাজত অবিৰত সংঘৰ্ষ চলি থাকে।

পাশাখেল মানে মায়াৰ খেলা; মায়াত মোহিত হৈ মানুহৰ বোধশক্তি আত্মাৰ পৰা পদাৰ্থলৈ নামি আহে - আত্ম চৈতন্যৰ পৰা শাৰীৰিক বন্ধনলৈ; মোহগ্ৰস্ত হৈ মানুহে নিজৰ সকলো আত্ম শক্তি আনন্দ এই কপট পাৰ্থিৱ ইন্দ্ৰিয়ানুভূতিৰ খেলত পণ কৰি সকলো হেৰুৱায়। অৰ্থাৎ শুদ্ধ বিবেচনা শক্তি শৰীৰ ৰাজ্যৰ পৰা নিৰ্বাসিত হয়।

শৈশৱত মানুহৰ ইন্দ্ৰিয়ানুভূতি, জীৱনী শক্তি, দৈহিক বিকাশ আদি আত্মাৰ বোধশক্তিৰ দ্বাৰা স্বয়ংক্ৰিয়ভাৱে অনুশাসিত হৈ থাকে। কৈশোৰ পাৰ হোৱাৰ লগে লগে জীৱনৰ প্ৰলোভন, অতীত জীৱনৰ সংস্কাৰ আদিয়ে শক্তিশালী কামনাৰ সৃষ্টি কৰে আৰু তেতিয়াই অন্ধ মানস আৰু ইন্দ্ৰিয়ই শৰীৰ ৰাজ্য অধিকাৰ কৰাৰ চেষ্টা কৰে। একে লগৰ ৰাজসিক বিবেচনা শক্তিসমূহক কপট মায়াৰ খেলত পৰাভূত কৰি ৰাজ্যৰ পৰা নিৰ্বাসন দিয়ে। বহুবছৰ কু-শক্তিৰ প্ৰভাৱত কষ্ট, দুৰ্ভোগ ভুগি কাম, ক্ৰোধ, লোভ, মোহ অহংকাৰ আদিৰ অভিজ্ঞতা লভি বিবেক বুদ্ধি আৰু ইয়াৰ সঙ্গীসকলে হেৰোৱা ৰাজ্য পুনৰ অধিকাৰৰ বাবে প্ৰচেষ্টা আৰম্ভ কৰে। কু-অভ্যাস মনৰ পৰা নোহোৱা কৰি শাৰীৰিক আৰু মানসিকভাৱে পৰিৱৰ্তিত হৈ নতুন সু অভ্যাসত স্থিত হ'বলৈ কমেও বাৰবছৰ সময় লাগে। বাৰ বছৰীয়া এই চক্ৰত মানুহ ধীৰে ধীৰে আধ্যাত্মিকতাৰ পিনে আগুৱায়। অন্তিম ত্ৰয়োদশ বছৰটো অজ্ঞাতবাসত কটোৱাৰ অৰ্থ যোগধ্যানত সমাধি অৱস্থাত থকা।

ইয়াৰ দ্বাৰা সাধকে নিজৰ বিবেক বুদ্ধিৰ শক্তিক সংগঠিত কৰি শৰীৰ ৰাজ্য দখলৰ বাবে প্ৰস্তুত কৰি তোলে। এইদৰে গীতাই দেখুৱাইছে - যুধিষ্ঠিৰৰ সূক্ষ্ম মানসিক শক্তি, ভীমৰ প্ৰাণশক্তি, অৰ্জুনৰ অনাসক্ত আত্মসংযম ,নকুলৰ শুদ্ধনীতি পন্থা আৰু সহদেৱৰ কু-কাম প্ৰতিৰোধ শক্তি সু-সংস্কৃত হৈ নিজ নিজ শুদ্ধ অভ্যাস আৰু



আধ্যাত্মিক উদ্দেশ্যৰ সৈন্য সামন্ত লগৰীয়াৰে সৈতে নিৰ্বাসনৰ পৰা উভটি আহি প্ৰতিস্থিত হোৱাৰ চেষ্টা কৰিছে। কিন্তু দুষ্ট ইন্দ্ৰিয়ানুভূতিয়ে সিহঁতৰ সৈন্য সামন্তৰে তাত বাধা দিছে। গতিকে গুৰু কৃষ্ণ (জাগ্ৰত আত্মচৈতন্য )ৰ সহায় লৈ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিকভাৱে যুদ্ধ কৰি (বাৰম্বাৰ সমাধি যোগৰ দ্বাৰা শক্তিমান হৈ) জীৱাত্মাৰ অহংকাৰ আৰু তাৰ সঙ্গীসকলৰ পৰা ৰাজ্য পুনৰ অধিকাৰ কৰি লৈছে। মানুহৰ শৰীৰৰ ক্ষেত্ৰখনত (কুৰুক্ষেত্ৰ) এতিয়া অন্ধ মানসৰ সতি সন্ততি আৰু শুদ্ধ বিবেক বুদ্ধিৰ সতি সন্ততি মুখামুখি হৈছেহি।

সংস্কৃত অৱতাৰ শব্দৰ অৰ্থ "নামি অহা"। অৱ–ধাতু, অৰ্থ 'তল', তৃ- ধাতু, অৰ্থ 'গৈ থকা'। হিন্দু শাস্ত্ৰ মতে অৱতাৰ মানে দেৱতাই মানৱৰূপ ধাৰণ কৰিবলৈ পৃথিৱীলৈ নামি অহা। আমি সকলোৱে জনা ভাৰত নামটোৰ শব্দ গাথঁনিও মন কৰিবলগীয়া - 'ভা' মানে পোহৰ বা জ্ঞান আৰু 'ৰত' মানে অনুগত। গতিকে 'ভাৰত' মানে পৃথিৱীৰ একোণত থকা ভৌগোলিক সীমাৰেখাৰ মাজৰ মাটি, পানী আৰু বায়ুৰে এখন ভৌগোলিক ঠাই নহয়। 'ভাৰত' শব্দই পোহৰ বা জ্ঞানৰ প্ৰতি অনুৰক্ত ইয়াৰ প্ৰতিজন মানুহৰ কথা বুজাইছে। গতিকে আমি ক'ব পাৰো যে ই পৰমেশ্বৰৰ সৃষ্টিৰ প্ৰথম জ্ঞান জ্যোতিৰ কথা কৈছে আৰু এই জ্যোতিয়েই ভাৰতীয় জীৱনৰ মুখ্য বা আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু পৰম মূল্যবান লক্ষ্য।

কৃষ্ণ শব্দৰ বহুত ধৰণৰ অৰ্থ প্ৰচলিত হৈ আছে। ইয়াৰ ভিতৰত অতি প্ৰচলিত সাধাৰণ অৰ্থ হ'ল ক'লা –কৃষ্ণ গাৰ ৰং অনুসৰি দিয়া নাম। সাধাৰণতে তেওঁক দেৱত্বসূচক গাঢ় নীলাৰঙৰ বুলি কোৱা হয়; কিয়নো আধ্যাত্মিক দৃষ্টি বা কপালৰ সোঁ মাজত কল্পনা কৰা তৃতীয় নয়নৰ পৰা বিচ্ছুৰিত হোৱা উজ্জল বগা জ্যোতিক কূটস্থ চৈতন্যৰ ডাঠ নীলা পোহৰে আৱৰি থকা বুলি বৰ্ণনা কৰা হয়। কৃষ্ণ শব্দৰ অনেক অৰ্থৰ ভিতৰত বেছিখিনি ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণত পোৱা যায়। ইয়াৰে এটা সূত্ৰ মতে "কৃষ্ণ" মানে 'বিশ্বচৈতন্য'। 'কৃষ্' শব্দই গুণধৰ্ম বুজাইছে আৰু 'ণ' শব্দই আত্মাক বুজাইছে। এতেকে দুয়োটা মিলি "বিশ্বচৈতন্য" বুজাইছে। শ্ৰী মাধৱদেৱে নামঘোষাত লেখিছে–

কৃষ হেন শব্দ ইটো পৃথিৱী-বাচক ভৈল
ণ আনন্দত প্ৰৱৰ্ত্তয়।
দুইৰ এক পদ ভৈল পৰমব্ৰহ্ম-ৰূপ কৃষ্ণ
নাম-আনন্দক মাত্ৰ কয়।। ১৪০

যিজন সম্পূৰ্ণ মুক্ত- অৰ্থাৎ যাৰ আত্মা মায়াৰ বান্ধোনৰ পৰা মুক্ত হৈছে তেওঁক 'সিদ্ধ পুৰুষ' বুলি কোৱা হয়। তেওঁ 'পৰামুক্ত' বা

মোক্ষপ্ৰাপ্ত। এনে পুৰুষে অৱতাৰৰূপে পৃথিবীলৈ প্ৰত্যাগমণ কৰিব পাৰে, যেনে - কৃষ্ণ, যীশুখৃষ্ট, বুদ্ধ আৰু মানুহৰ মুক্তিৰ কাৰণে অৱতাৰ লৈ অহা অন্যান্যসকল। যেতিয়াই পৃথিবীত অধৰ্ম বাঢ়ি যায় তেতিয়াই এনে একোজন 'পৰামুক্ত'ই অৱতাৰ হৈ পুনৰ ধৰ্মৰ স্থাপনা কৰে। অৱতাৰী বা দিব্যজন্মধাৰীয়ে দুটা কাৰণত জন্ম লয়। প্ৰথম - সংখ্যাগতভাৱে তেওঁ মানৱজাতিক মহৎ শিক্ষা, উপদেশবাণী আৰু নিজৰ কামৰ দ্বাৰা উদ্বুদ্ধ কৰি তোলে। দ্বিতীয়তে গুণগতভাৱে; তেওঁৰ অৱতাৰ হোৱাৰ প্ৰধান উদ্দেশ্য হ'ল ঈশ্বৰ উপলব্ধি কৰিব পৰা আত্মাক মোক্ষপ্ৰাপ্তিত সহায় কৰা। এয়া হ'ল গুৰু আৰু শিষ্যৰ একান্ত আৰু ব্যক্তিগত আধ্যাত্মিক বান্ধোন। শিষ্যৰ পৰম ভক্তিযুক্ত আধ্যাত্মিক প্ৰচেষ্টা আৰু গুৰুৰ দিব্য আশীৰ্বাদৰ পৰম সংযোগ। সত্যৰ অলপ জ্যোতি লাভ কৰাজন হ'ল ছাত্ৰ; কিন্তু শিষ্য হ'ল সেইজন, যিজনে সম্পূৰ্ণভাৱে, দৃঢ়চিত্তে, উছৰ্গা আৰু ভক্তিৰ মনোভাৱেৰে নিজক পৰমেশ্বৰত বিলীন কৰি মুক্ত হ'ব নোৱাৰালৈকে গুৰুৰ উপদেশ আখৰে আখৰে পালন কৰি সাধনাত ব্ৰতী হৈ থাকে। অৰ্জুন এনে এজন আদৰ্শ ভক্ত আৰু পূৰ্ণ শিষ্য।

ভগৱৎ গীতাত কৃষ্ণক আমি অৰ্জুনৰ গুৰু আৰু পথ-প্ৰদৰ্শক ৰূপে পাওঁ - দিব্য আত্মোপলব্ধি আৰু মোক্ষপ্ৰাপ্তিৰ একমাত্ৰ উপায় ধ্যান আৰু বিশুদ্ধ কৰ্মপন্থাযুক্ত পৰম যোগবিদ্যাৰ উপদেশ দিওঁতা - যাৰ বাবে তেওঁ যুগ যুগ ধৰি ভক্তৰ অন্তৰত ভগবানৰূপে প্ৰতিস্থিত হৈ আছে। নিৰ্জন স্থানত বা হাবিত আশ্ৰম পাতি থকা সাধু-সন্তসকল সৰ্বত্যাগী মহান মানৱ; কিন্তু কৃষ্ণ দেৱত্বৰ মহত্তম উদাহৰণ। কাৰণ তেওঁ মানুহৰূপে পৃথিবীত জীয়াই থাকিও নিজৰ ভগৱৎ ৰূপ প্ৰকাশ কৰিব পাৰিছিল। একে সময়তে তেওঁ ৰজাৰ সকলো ৰাজসিক কৰ্ত্তব্যও পালন কৰিছিল। তেওঁৰ জীৱনে দেখুৱাইছে যে সাংসাৰিক কৰ্ত্তব্য ত্যাগ কৰি বনলৈ যোৱা শুদ্ধ নহয়।

মহাভাৰতৰ যুদ্ধত সমুখ সমৰত উপস্থিত হৈ অৰ্জুনে যেতিয়া দেখিলে যে তেওঁৰ সমুখত শত্ৰুৰূপে যুদ্ধলৈ সাজু হোৱা সকল তেওঁৰেই ভাই-বন্ধু আৰু আত্মীয়-স্বজন, তেতিয়া তেও শোকত ভাঙি পৰিল। সেই সময়ত কৃষ্ণই ধৰ্ম-কৰ্ম, আধ্যত্মিকতা, বিশ্বজগত আৰু পৰমেশ্বৰৰ বিষয়ে যি উপদেশ অৰ্জুনক দিছিল সেয়ে শ্ৰীমদভগৱৎ গীতা, যাৰ অতুলনীয় শ্লোকসমূহ আজিও সমগ্ৰ বিশ্বত অদ্বিতীয় হৈ জিলিকি আছে। উদ্যমেই পুৰুষৰ; পুৰুষাৰ্থ হতোদ্যম অৰ্জুনক শ্ৰীকৃষ্ণই যুক্তিৰে উদ্যম ঘূৰাই অনাৰ সাহস যোগাইছে। এই আদৰ্শ সমাজৰ বাবে চানেকী হোৱা উচিত। হতাশগ্ৰস্তজনক সমাজে আবৰি



ধৰি বুজনি দি সাহস যোগাব লাগে।

কিন্তু মহাভাৰতৰ ৰচক মহৰ্ষি বেদব্যাসে কেৱল অৰ্জুনৰ বাবেই গীতাৰ প্ৰকাশ কৰা নাই। তেওঁৰ মূল উদ্দেশ্য সমগ্ৰ মানৱজাতিৰ আধ্যাত্মিক, মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধন। সেইবাবে গীতাৰ প্ৰত্যেক শ্লোকেই অৰ্থবহ, তত্ত্বগধুৰ আৰু গুঢ়। অথচ ই শ্ৰুতিমধুৰ, সুললিত আৰু মানুহক সহজে আকৰ্ষণ কৰে। প্ৰত্যেক মানুহে - তেওঁ যি স্তৰৰে নহওক কিয়, গীতাৰ পৰা নিজৰ উপযোগী ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষৰ বাণী আহৰণ কৰিব পাৰে। সংস্কৃত ভাষাৰ বিশাল অৰ্থবহতাৰ ইয়েই প্ৰমাণ। যুগে যুগে গীতাই মানুহৰ উত্তৰণৰ দিশ নিৰ্ণয় কৰি আহিছে। যুগে যুগে মানুহে গীতাৰ ন ন ভাষ্য উলিয়াইছে । কিন্তু গীতাৰ মূল কথাৰ সাৰাংশ একেই আছে। সৰ্বতিকালৰ বাবে গীতা এক মহান শাস্ত্ৰ।

অবিদ্যাৰ প্ৰভাৱ ইমান শক্তিশালী যে এই মায়া যিমানেই বিৰক্তিকৰ নহওক কিয় তথাপিও মানুহে তাক এৰিব নোখোজে। এই অনিত্য জগতকে সত্য চিৰন্তন আৰু শাশ্বত বুলি খামুচি ধৰি স্থূল ইন্দ্ৰিয়ানুভূতিকে তেওঁ শুদ্ধ আৰু সঁচা বুলি পতিয়ন যায়। নিজৰ নৈতিকতা আচৰণ আদি নিজেই ঠিক কৰে ; লাগিলে সেইবোৰ শাশ্বত দিব্য নীতিৰ পৰিপন্থীয়ে হওক। আৰু এই ফুলি উঠা আত্মাভিমানেৰে জীৱাত্মাই নিজৰ অহমিকা আৰু নৈতিক ভাৱধাৰাৰে নিজক পৰমাত্মা জ্ঞান কৰে। এইদৰে প্ৰভাৱিত জীৱাত্মা আত্মোপলব্ধিৰ প্ৰধান শত্ৰু। কিন্তু তথাপিও আমি দেখোঁ যে অবিদ্যাৰ প্ৰতিনিধি কুৰুক্ষেত্ৰ যুদ্ধৰ কৌৰৱৰ সেনাপতি কৃপাচাৰ্য্য যুদ্ধত বাচি থকা বিলাকৰ এজন আৰু যুদ্ধৰ শেষত তেওঁ পাণ্ডৱৰে আপোচ কৰি অৰ্জুনৰ নাতি পৰীক্ষিতৰ শিক্ষাগুৰু হৈছে। ইয়াৰ অৰ্থ এয়ে যে সৃষ্টিৰ আপেক্ষিক ক্ষেত্ৰত ব্যক্তিত্ববিহীন শূন্যৰ অৱস্থিতি সম্ভৱ। অবিদ্যা সম্পূৰ্ণ গুচাই পেলালে, ই পালন কৰা জাগতিক ৰূপসমূহো বিলীন হৈ অৰূপ আত্মা হৈ পৰিব।

স্বপ্নময় ইন্দ্ৰিয়ানুভূতিৰ এই জাগতিক ৰূপৰ কথাত সাধাৰণ মানুহ বিমূঢ় হৈ পৰে আৰু মায়াৰ এই পাৰ্থিৱৰূপকে নিজৰ অস্তিত্বৰ একমাত্ৰ কাৰণ বুলি তাকে পৰম সত্য আৰু নিৰাপত্তা বুলি খামুচি ধৰে। আনহাতে যোগীসকলে সকলো সময়তে মায়া আৰু অবিদ্যাক - বিশ্বমায়া আৰু ব্যক্তিগত মোহক পৰমেশ্বৰৰ সৃষ্টিনাটকত তেওঁক অভিনয়ৰ বাবে দিয়া শৰীৰ আৰু মনক বান্ধি ৰখা আধ্যাত্মিক, পাৰমাণৱিক আৰু মাধ্যাকৰ্ষণযুক্ত এক শক্তিশালী মায়াজাল বুলি গণ্য কৰে।

ভীষ্ম হ'ল জীৱাত্মা - (অস্মিতা) যস্মাৎ পঞ্চতত্ত্বানি বিভেতি সঃ।

যাৰ পৰা পঞ্চতত্ত্বৰ উদ্ভৱ হৈছে। জীৱাত্মা হিচাপে ব্যক্তিগত অস্তিত্বৰ তেৱেঁই পিতামহ; সৃষ্টিশক্তি (তত্ত্ব) ৰ পৰা উদ্ভৱ হোৱা ৰূপ আৰু ৰূপৰ প্ৰত্যক্ষতা তেওঁৰ বাবেই সম্ভৱ হৈছে। তেওঁৰ কাৰণেই শাৰীৰিক ৰূপ, ইন্দ্ৰিয়ৰ অনুভূতি আৰু কৰ্ম সম্পাদন হৈছে। ভীষ্ম শব্দ সংস্কৃত 'ভি' অথবা ভিষে ধাতুৰ পৰা হৈছে, অৰ্থ ভয় খুউৱা। এই মহাশক্তি (অভাস চৈতন্য) ব্যক্তিত্বৰ সম্পৰ্ক আত্মাৰ সৈতে নহয় কিন্তু এই মায়াময় জগতৰ সৈতেহে আছে; যি শক্তিয়ে পঞ্চতত্ত্বৰ দ্বাৰা প্ৰকৃতিৰ সুপ্তশক্তি জাগ্ৰত কৰি শৰীৰ জীৱন্ত কৰি ঈশ্বৰৰ প্ৰকাশক ৰূপ দিয়ে। যি মনস্তাত্তিক যুদ্ধৰ কথা বৰ্ণনা ইয়াত কৰা হৈছে তাত ভীষ্মই (জীৱাত্মা) পাণ্ডৱৰ আধ্যাত্মিক সৈন্যদলৰ পাণ্ডৱৰ প্ৰধান শক্তিশালী বিৰোধী। পাণ্ডৱৰ আধ্যাত্মিক সৈন্যদলৰ অন্তৰত ভীষণ ভয় ওপজোৱা, পৰমাত্মাৰ পিনে আগবঢ়াৰ চেষ্টা কৰা মেৰুকেন্দ্ৰবোৰক আত্মোপলদ্ধিৰ দিব্য ৰাজ্য স্থাপন কৰাত বাধা দিয়া পৰম শত্ৰু। ভীষ্ম, পতঞ্জলিৰ ক্লেশৰ দ্বিতীয় ৰূপ - অস্মিতা। ই সংস্কৃতৰ অস্মি (মই আছোঁ) শব্দৰ পৰা হৈছে যাৰ অৰ্থ - অহং ভাৱ বা জীৱাত্মা।

পটঞ্জলিয়ে এই ব্যক্তিগত ভাৱনাৰ 'ক্লেশ' এইদৰে বৰ্ণনা কৰিছে - অস্মিতা হ'ল দৃষ্টিৰ মাধ্যমৰ সৈতে দ্ৰষ্টাই নিজকে একে বুলি ভাৱে। (যোগসূত্ৰ -১১ঃ৬)। যেতিয়া মানুহৰ অন্তৰৰ জীৱাত্মাই বা দ্ৰষ্টাই নিজৰ দিব্য পৰমাত্মাৰ কথা পাহৰি শাৰীৰিক আৰু মানসিক ইন্দ্ৰিয়সমূহৰ সৈতে মিলি গৈ তাকে পৰমাত্মা বুলি জ্ঞান কৰে, সেই জীৱাত্মা অহংভাৱাপন্ন হয় – অস্মিতা। অস্মিতা হ'ল সেই চৈতন্য জ্ঞান য'ত জীৱাত্মা আৰু বিবেক বুদ্ধি দুয়োটাকে অদৃশ্য ৰূপত একেটা বুলি জ্ঞান কৰা হয়। এই একক চিনাকিৰ অজ্ঞানতাৰ মাত্ৰা অহংভাৱৰ ব্যক্তিগত প্ৰকাশৰ সজুঁলিসমূহৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। যেতিয়া স্থূলভাৱৰ ইন্দ্ৰিয়ানুভূতিৰ সৈতে (জাগতিক বস্তু আৰু দৈহিক শৰীৰ) একে হৈ পৰে তেতিয়া এই অহংভাৱ জ্ঞান ধ্বংস কৰা জীৱাত্মা হয়। যেতিয়া ই সূক্ষ্ম-শৰীৰৰ দৃষ্টি আৰু অনুভূতিৰ সৈতে একে হয় তেতিয়া ই পৰিস্কাৰ দৃষ্টিৰ সূক্ষ্ম জীৱাত্মা হয়, যাৰ আচল প্ৰকৃতি পাৰ্থিৱ প্ৰকৃতিৰ মায়াৰ দ্বাৰা বিপথে পৰিচালিত হব পাৰে, নাইবা ইয়াৰ বিপৰীতে কাৰণ শৰীৰৰ জ্ঞান আৰু চৈতন্যৰ সজুঁলিৰ সৈতে একে হৈ পৰম বিবেকৱান আত্মা হৈ পৰিব পাৰে।

যেতিয়া অহংভাৱৰ কাৰণ শৰীৰৰ শুদ্ধ সহজাত জ্ঞানৰ মাধ্যমেৰে প্ৰকাশিত হয় তেতিয়া ই শুদ্ধ বিচাৰ বিবেচনাযুক্ত দিব্য আত্মাৰূপে বা উচ্চতম স্তৰত পৰমাত্মাৰ ব্যক্তিগত প্ৰতিফলিত ৰূপত প্ৰকাশিত হয়। পবিত্ৰতম ব্যক্তিগত ৰূপত দিব্য আত্মাই পৰমাত্মাৰ সৰ্বজ্ঞতা আৰু সাৰ্বজনীনতা স্মৰণ কৰি নিজৰ শৰীৰ আৰু মনক



সৃষ্টিৰ অৰ্থে সংজ্ঞাপন আৰু পাৰস্পৰিক আন্তঃক্ৰিয়া ৰূপে ব্যৱহাৰ কৰে। সেই কাৰণে হিন্দু শাস্ত্ৰত কোৱা হৈছে, "যেতিয়া এই 'মই'ৰ মৃত্যু হ'ব , তেতিয়াহে মই গম পাম 'মই' কোন!"

গীতাৰ শ্লোকটোৰ য'ত কৌৰৱ সেনাদলৰ তাত্ত্বিক সৈন্যসকলৰ বৰ্ণনা দিয়া হৈছে তাত ভীষ্ম—অহংভাৱাপন্ন জীৱাত্মাৰ নিহিতাৰ্থ হ'ল এই জীৱাত্মা সূক্ষ্ম শৰীৰৰ অন্তৰ্দৃষ্টিসম্পন্ন জীৱাত্মা; মানস, বুদ্ধি আৰু চিত্তৰ সূক্ষ্ম চৈতন্যৰ সৈতে একে। ভক্তৰ আধ্যাত্মিক উন্নতিৰ এই স্তৰত এই অন্তৰ্দৃষ্টিস্পন্ন জীৱাত্মা ইন্দ্ৰিয় মনৰ বহিঃ আকৰ্ষনৰ দ্বাৰা প্ৰভাৱিত অৰ্থাৎ কুৰুৰ ফলীয়া হৈ আছে। 'সমাধি' ধ্যানৰ জয়যাত্ৰাৰ অন্তত এই অহংভাৱ — অস্মিতা - অন্তৰ্দৃষ্টিসম্পন্ন জীৱাত্মাৰ অধিক উত্তৰণ ঘটে আৰু সূক্ষ্ম আৰু কাৰণ শৰীৰৰ বিবেকবুদ্ধিযুক্ত আত্মাৰ পৰা অৱশেষত পৰমাত্মাৰ বিশুদ্ধ ব্যক্তিগত ৰূপত দিব্য আত্মা হৈ পৰে।

কৰ্ণ- (ৰাগ-আসক্তি) - সংস্কৃত ধাতু কৃৰ পৰা কৰ্ণ হৈছে, অৰ্থ- কৰা, কাম কৰা। ৰূপক অৰ্থ - "কৰণশীল ইতি"- কৰ্মৰ প্ৰতি থকা স্বাভাৱিক অভ্যাসগত আসক্তি ( যি কৰ্মই ইন্দ্ৰিয়সুখ দিয়ে) অনুসৰি যি কৰ্ম কৰে। স্বাভাৱিক আসক্তি থকা কামৰ প্ৰতি যি স্পৃহা থাকে কৰ্ণই তাৰে প্ৰতিনিধিত্ব কৰিছে। যোগসূত্ৰত ( ১১ঃ৭) বৰ্ণোৱা এইটো তৃতীয় ক্লেশ - ইন্দ্ৰিয়সুখৰ প্ৰতি যি স্পৃহা সেয়ে 'ৰাগ'।

কৰ্ণ পঞ্চপাণ্ডৱৰ সতীয়া ভায়েক। বিয়াৰ আগতে ঋষিৰ পৰা পোৱা মন্ত্ৰৰ পৰীক্ষা চাবলৈ লওঁতে কুন্তিৰ পুত্ৰ জন্ম হয়, এওঁৱে কৰ্ণ। জন্মৰ লগে লগে তেওঁক পানীত উটুৱাই দিয়ে আৰু এজন সাৰথিয়ে পাই নিজৰ ল'ৰাৰ দৰে ডাঙৰ কৰে। দুৰ্য্যোধনৰ বন্ধু হোৱা বাবে তেওঁ কুৰুক্ষেত্ৰ যুদ্ধত কৌৰৱৰ ফলীয়া হৈছিল। পাণ্ডৱৰ সৈতে থকা তেওঁৰ সম্পৰ্কৰ কথা জানিও হিংসাৰ বাবে তেওঁ পাণ্ডৱৰ, বিশেষকৈ অৰ্জুনৰ ঘোৰ শত্ৰু হয়। এই ঘটনাৰ বিশেষত্ব এয়ে যে আধ্যাত্মিক শক্তি আহৰণ কৰিব পৰা শক্তিয়ে (কুন্তি) আধ্যাত্মিক দৃষ্টিৰ জ্যোতি সূৰ্য্যৰ পৰা এক পুত্ৰৰ জন্ম দিয়ে, যি হ'ল আধ্যাত্মিক জ্যোতি, য'ৰ পৰাই সম্পূৰ্ণ মানৱ দেহা, ভক্তৰ ক্ৰমবিকাশ ঘটে। যিহেতু আধ্যাত্মিক শক্তিক আহ্বান কৰিব পৰা এই শক্তি (কুন্তি) তেতিয়াও দিব্য বিবেক বুদ্ধিৰ (পাণ্ডু) সৈতে সংযুক্ত হোৱা নাছিল সেইবাবে সেই সন্তান (কৰ্ণ) পাৰ্থিৱ ইন্দ্ৰিয়ানুভূতিৰ প্ৰভাৱলৈ আহে আৰু এইদৰে শুদ্ধ বিবেকবুদ্ধিৰ পাণ্ডৱৰ বিৰুদ্ধে বিপক্ষত যোগদান কৰে। দুৰ্য্যোধনে দিয়া বন্ধুত্বৰ বাবে তেওঁক সহায় কৰাটো কৰ্ণই কৰ্ত্তব্য বুলি ভাবিছিল, গতিকে কৰ্ণ মোহমুগ্ধ মানুহৰ 'ৰাগ' যি ইন্দ্ৰিয়সুখ

বিচাৰি মানুহক টানি নিয়ে আৰু সেইমতে কৰ্ম কৰায়। এই কাম মানুহে তেওঁৰ কৰ্ত্তব্য বুলি গণ্য কৰে। সেইবাবে তেওঁ যি বিচাৰে সেই কাম কৰাটো তেওঁ শুদ্ধ আৰু আৱশ্যকীয় বুলি ভাৱে।

বিকৰ্ণ (বিদ্বেষ) - কৰ্ণই যেনেকৈ ৰাগ (আসক্তিৰ)ৰ প্ৰতিনিধিত্ব কৰিছে সেইদৰে বিকৰ্ণই তাৰ বিপৰীত বুজাইছে। ৰূপকাৰ্থত - "অকৰণশীল ইতি"– যিজনৰ স্বাভাৱিক অনুভূতি হ'ল - (ইন্দ্ৰিয়) সুখ নিদিয়া কামৰ পৰা আঁতৰি থকা। বিকৰ্ণ পটঞ্জলিৰ চতুৰ্থ ক্লেশৰ প্ৰতিনিধি। যোগসূত্ৰ ১১ঃ৮ ত কোৱা হৈছে, "যি কষ্ট ওপজায় তেনে কামৰ প্ৰতি অনীহা"। সাধাৰণতে কষ্ট ওপজোৱা কামৰ পৰা আঁতৰি থকাটো মহৎ, কিন্তু এই ক্ষেত্ৰত 'কষ্ট' নীচ অৰ্থত বা প্ৰাথমিক অৰ্থ "ভাল নোপোৱা"টো বুজাইছে। অবিদ্যা – মানুহৰ অজ্ঞানতাই ভাল-বেয়াৰ বিচাৰত বেমেজালি লগায় আৰু দ্বৈত -বৈপৰীত্য (ভালপোৱা-বেয়াপোৱা, ৰাগ দ্বেষ) সৃষ্টি কৰে। মানুহে যিটো ভাল পায় সেই পিনে ঢাল খায় আৰু বেয়াপোৱা কামটো কৰিব নোখোজে এই ক্ষেত্ৰত তেওঁ শুদ্ধ বিচাৰ-বিবেচনাৰ প্ৰতি কাণ নিদিয়ে আৰু নিজৰ কাৰণে কি ভাল বা কি বেয়া সেইটো ভাবি নাচায়।

জয়দ্ৰথ (অভিনিবেশ) - ৰূপকত –"ৰমিত্বা অনুৰক্ত ভূত্বা জয়তি উৎকৃষ্টৰূপেন তিষ্ঠতি"। যি জনে জীৱনৰ প্ৰতি গভীৰ আসক্তিৰে (জীয়াই থকাৰ গভীৰ বাসনা) জয় লাভ কৰে। 'জয়দ্' অৰ্থ জয় কৰা আৰু ৰথ মানে বাহন, অৰ্থাৎ শৰীৰ। জয়দ্ৰথ গভীৰ দৈহিক আসক্তিৰ প্ৰতিনিধি যি পাৰ্থিৱ চৈতন্যৰ প্ৰতি ভক্তক আকৰ্ষিত কৰি তেওঁৰ আত্মোপলব্ধিৰ প্ৰতি থকা উচ্চাকাংক্ষা জয় কৰিব বিচাৰে। এই আকৰ্ষণ আসক্তিৰ আৰু সূক্ষ্ম স্তৰ হ'ল আক্ৰোশ; মানুহৰ বস্তু বা জীৱৰ প্ৰতি থকা গভীৰ আসক্তি। আনকি জ্ঞানৰ জুইত এই আসক্তি জ্বলি ছাই হলেও দৈহিক টান নুমাই যাব ধৰা অঙঠাৰ দৰে জ্বলি থাকে। স্বামী যুক্তেশ্বৰদেৱে দিয়া উদাহৰণ মতে সঁজাত বন্দী হৈ থকা চৰাইয়ে যেনেকৈ মুক্তি পালেও উৰি যাবলৈ ভয় কৰে, সেইদৰে জ্ঞানী মহৎ লোকেও মৃত্যুৰ সময়ত দেহৰ মায়াৰে অভিভূত হয়। পশ্চিমৰ মনস্তাত্তিকসকলে এই সহজাত আকৰ্ষণক অস্তিত্ব ৰক্ষাৰ আকাংক্ষা বুলি কৈছে ; আৰু কৈছে যে ই মানুহৰ আটাইতকৈ শক্তিশালী মায়া। অকল মৃত্যুভয়ৰূপে প্ৰকাশ হোৱাই নহয় ই মানুহক প্ৰকৃত আত্মাৰ বিপৰীতে নশ্বৰ চৰিত্ৰ আৰু কাম, স্বাৰ্থপৰতা, লোভ, আক্ৰোশ আৰু সঞ্চয় কৰাৰ আগ্ৰহৰ পিনে টানি নিয়ে, যেন তেওঁ এই পৃথিৱীত সদায় থাকিব।

জয়দ্ৰথে এই দৈহিক আকৰ্ষণৰ প্ৰতিনিধিত্ব কৰিছে। এয়ে



পটঞ্জলিৰ পঞ্চম ক্লেশ 'অভিনিবেশ'– (যোগসূত্ৰ ১১ঃ৯)। দৈহিক আকৰ্ষণৰ প্ৰতি খামুচি ধৰি থকা এই টান যি আনকি জ্ঞানীৰ মনতো বাঢ়ি যায় (পূৰ্বজন্মৰ মৃত্যু অভিজ্ঞতাৰ সূক্ষ্ম স্মৰণৰ দ্বাৰা) সেয়ে "অভিনিবেশ'।

ভূৰিশ্ৰবা (কৰ্ম) – সোমদত্তৰ পুত্ৰ। ভুৰিশ্ৰবাৰ অৰ্থ ভুৰি–বাৰম্বাৰ আৰু শ্ৰবঃ - বৈ থকা। ৰূপকত – ভুৰি বহুনাম শ্ৰবঃ ক্ষৰণানি যঃ স ইতি - যি বোৱতী সূতি বাৰে বাৰে নাইকিয়া হয়। যি বাৰে বাৰে নোহোৱা হৈ যায় সি অৱশ্যে আকৌ এই বোৱতীসূতি ৰক্ষাৰ কাৰণে বাৰে বাৰে স্থাপিত হয়। বৈ যোৱা নৈৰ পানীৰ সৈতে ইয়াক তুলনা কৰিব পাৰি। পানী বৈ গৈ থাকিলেও পানী আহিয়ে থাকে যাতে বৈ যাব পাৰে –মানুহৰ কৰ্ম আৰু তাৰ ফল এইদৰে বৈ গৈ থাকে। ভূৰিশ্ৰবা পটঞ্জলিৰ ক্লেশৰ ষষ্ঠবিধ বাধা (যোগসূত্ৰ ১ঃ২৪)।

কৰ্ম মানে ইয়াত পাৰ্থিৱ কৰ্ম বুজাইছে, যি অহং ভাৱৰ দ্বাৰা প্ৰবোচিত হৈছে। ই কাৰণ আৰু ফলাফলৰ ধাৰাবাহিকতা সৃষ্টি কৰিছে। কৰ্মই যি ফল উৎপন্ন কৰে সেয়া কৰ্মকৰ্ত্তাৰ। যেতিয়ালৈকে 'কাৰণ'টো উপযুক্ত ফলৰ দ্বাৰা পৰিপূৰ্ণ নহয় তেতিয়ালৈকে ই কৰ্মকৰ্ত্তাক বান্ধি পেলায়; সেয়া এই মুহূৰ্ত্ততো হ'ব পাৰে নাইবা পৰজন্মতো হ'ব পাৰে। বহুখিনি বাইবেলৰ নীতিৰ দৰে eye for an eye। মানুহৰ বৰ্তমান পৰিস্থিতি আৰু অৱস্থা নিজৰ ইচ্ছানুসাৰে কৰা কামৰ সমষ্টিগত ফল আৰু অতীত কৰ্মবন্ধৰ গোট খাই থকা ফল যাৰ কাৰণ হয়তো কেতিয়াবাই নাইকিয়া হৈ গৈছে বা পাহৰি যোৱা গৈছে। মানুহে বৰ্তমানৰ অৱস্থাক দুৰ্ভাগ্য, ফুটা কপাল বা অন্যায় বুলি দুখ কৰে; সহ্য কৰি নিজৰ কষ্টৰ পৰা শিকি লৈ আৰু গঠনমূলকভাৱে আধ্যাত্মিক মনেৰে কাম কৰি মানুহ দুষ্কৰ্মৰ ফলৰ পৰা মুক্ত হ'ব পাৰে আৰু কৰ্মবন্ধ নাশ কৰিব পাৰে। কিন্তু বৰ্তমানৰ কাম যদি জ্ঞানমতে কৰা নহয় তেন্তে বান্ধোন নাইকিয়া কৰাৰ সলনি সেই কামে পুনৰ নতুন কৰ্মবন্ধেনেৰে বান্ধিব। যেতিয়ালৈকে এই কৰ্মবন্ধসমূহ জ্ঞানযুক্ত কৰ্মৰ দ্বাৰা কৰি শেষ কৰা নহয় তেতিয়ালৈকে মোক্ষপ্ৰাপ্তি নহয়।

পটঞ্জলিৰ মতে কৰ্ম চাৰি প্ৰকাৰৰ - (যোগসূত্ৰ–১৫ঃ৭)। যোগীয়ে কৰা কৰ্ম বিশুদ্ধ বা বেয়া এটাও নহয়। সাধাৰণ মানুহৰ কৰ্ম তিনি প্ৰকাৰৰ – বিশুদ্ধ, ভাল-বেয়া মিহলি আৰু বেয়া। দুষ্ট, অসৎ মানুহৰ কাম বেয়া অন্ধকাৰাচ্ছন্ন, যি সকলো নাশ কৰা ফলাফলৰ সৈতে মানুহক বান্ধি ৰাখে। সাধাৰণ জাগতিক মানুহৰ কৰ্ম ভাল-বেয়া মিহলি আৰু তেনেধৰণৰ কৰ্মবন্ধৰ সৈতে বান্ধ খোৱা।

আধ্যাত্মিক মানুহ এজনৰ কাম বিশুদ্ধ। তেওঁৰ কামে ভাল ফল প্ৰদান কৰে আৰু মুক্তিৰ পথলৈ আগুৱাই আনে। কিন্তু ভাল কৰ্মৰ ফলাফলো কৰ্মবন্ধযুক্ত হয়। আত্মোপলব্ধি কৰা পৰম জ্ঞানী যোগীৰ কামে কোনো ধৰণৰ কৰ্মবন্ধ সৃষ্টি নকৰে। তেওঁ কামৰ ফলাফলৰ বাবে চিন্তা নকৰে,কৰ্ত্তব্য বুলি কৰি যায়। ভুৰিশ্ৰবাই (পাৰ্থিৱ কৰ্ম) বন্ধনৰ সৃষ্টি কৰে, কাৰণ এই কাম অহংকাৰ যুক্ত কামনাৰ পৰা কৰা হৈছে ; গতিকে আত্মোপলব্ধি কৰিব খোজা যোগীয়ে এনে ধৰণে কাম কৰাৰ ইচ্ছাক জয় কৰিব লাগিব।

দ্ৰোণ–বিপাক – (এই শ্লোকত 'ভবান্' শব্দৰ দ্বাৰা উনুকিউৱা হৈছে।) ৰূপকত - "কৰ্মনাম্ দ্ৰৱীভৱনাম্ বিপাকঃ ইতি" কৰ্মৰ ফলাফলৰ সুপ্ত অৱস্থা ; অৰ্থাৎ সূক্ষ্ম বা দ্ৰৱীভূত অৱস্থা। দ্ৰোণ সংস্কাৰৰ প্ৰতিভূ; অতীত কৰ্মই মনত বা চৈতন্যত বহুৱা ছাপ যি পুনৰবাৰ একে কামকে কৰাৰ পিনে ঢাল খায়। সংস্কৃত 'দ্ৰু' ধাতুৰ পৰা দ্ৰোণ হৈছে, ইয়াৰ দ্বাৰা সেই দ্ৰৱীভূত অৱস্থা বুজোৱা হৈছে। অৰ্থাৎ অতীত কৰ্মৰাজি গলিত বা সু অৱস্থাত সংস্কাৰ ৰূপে থাকি যায়। ইয়াতে আমি পটঞ্জলিৰ 'বিপাক' আৰু দ্ৰোণৰ মাজত আনুষঙ্গিকতা দেখা পাওঁ। বিপাক শব্দটো 'বি-পাক'ৰ পৰা হৈছে, অৰ্থ - ফল ধাৰণ কৰা, ফলাফল উৎপন্ন কৰা আৰু গলোৱা। অতীত কৰ্মৰ ছাপ বা সংস্কাৰ উপযুক্ত বাতাবৰণত গলিত বা দ্ৰৱীভূত অৱস্থাৰ পৰা বৰ্তমানৰ কামৰ ফলাফল উৎপন্ন কৰিব। যোগসূত্ৰ ১১ঃ ১২-১৩ ত কৈছে– কৰ্মৰ ছাপসমূহৰ মূল শিপা 'ক্লেশ'ত (আগতে কৈ অহা পাঁচ প্ৰকাৰৰ ক্লেশ) সোমাই আছে আৰু বৰ্তমানৰ প্ৰকাশিত অৱস্থাত বা অদৃশ্যমান অৱস্থাত (উপযুক্ত অৱস্থা নোপোৱালৈকে সুপ্ত অৱস্থাত – কেতিয়াবা পৰজন্মলৈকে) তাৰ সংস্কাৰৰ ফল দেখা যায়। এইবোৰৰ পৰা পুনৰ জন্ম লাভ কৰাজনৰ জীৱনধাৰা, স্বকীয় বৈশিষ্ট্য, স্বাস্থ্য, সুখ-দুখ আদি স্থিৰ হয়।

অশ্বত্থমা – (আসয়) – সুপ্ত আকাংক্ষা। তাত্ত্বিক ৰূপত -অষ্মভন সঞ্চয়ন তিষ্ঠতি ইতি - যাক সাঁচি থোৱা বা জমা কৰি থোৱা হয়। অশ্বত্থমাৰ ৰূপক অৰ্থ এই নামৰ সংস্কৃত ধাতুৰূপত পোৱা যায়। অশ্ব মানে জমা কৰা বা সাঁচি থোৱা আৰু থামন - সংস্কৃত স্থ ধাতুৰ পৰা – অৰ্থ- থকা; বিশেষ অৱস্থাত ৰৈ যোৱা আৰু চলি থকা বা অস্তিত্ব থকা। যি বস্তু জমা হয় আৰু অপৰিৱৰ্তিত অৱস্থাত ৰৈ যায়, মৃত্যুৰ লগতে শেষ হৈ নাযায় সেয়া হ'ল 'আকাংক্ষা',পটঞ্জলিৰ 'আসয়'। বিশেষভাৱে কবলৈ হ'লে ই হ'ল সুপ্ত কামনা বা বাসনা অথবা চৈতন্যত বাসনাৰ ছাপ। যোগসূত্ৰ ৪ঃ১০ ত কোৱা হৈছে "প্ৰকৃতিৰ



সৃষ্টিৰ মূল হ'ল বাসনা ; সৃষ্টিৰ আদিৰে পৰা অস্তিত্বৰ ইয়ে সাৰ্বজনীন কাৰণ। হিন্দুশাস্ত্ৰই কয় যে পৰমাত্মাৰ কামনাবিহীন বাসনা– অদ্বৈতৰূপক বহুৰূপত উপভোগ কৰাৰ ইচ্ছাৰ পৰাই মহাবিশ্বৰ এই স্বপ্ননাটকৰ সৃষ্টি হৈছে। অস্তিত্ব প্ৰকাশৰ ইচ্ছা আৰু জীৱন উপভোগ কৰাৰ ইচ্ছাৰ পৰাই পৰমাত্মাৰ এই বিশ্বৰূপৰ ব্যক্তিকেন্দ্ৰিক জীৱনৰ কেন্দ্ৰবিন্দু সৃষ্টি হৈছে। গতিকে সৃষ্টি গতিশীলতাৰ নিশ্চয়তাৰ বাবে বাসনা এক মৌলিক বিধি। বিশ্বসপোন ৰচকৰ সদা জাগ্ৰত সন্মোহনী নিদ্ৰাৰ মায়াত মানুহে ব্যক্তিগত বাসনাৰ সপোন দেখে। অবিদ্যাই অহংভাৱৰ জন্ম দিয়ে অহংভাৱৰ পৰা অনুভূতি আৰু লগে লগে ইয়াৰ আনুষঙ্গিক ভোগৰ সামগ্ৰী ইন্দ্ৰিয় আৰু ইন্দ্ৰিয় বস্তুৰ সৈতে আঙ্গিকতা স্থাপন হয়। ইয়াৰ পৰা বাসনাপ্ৰণোদিত ভাল-বেয়া কামৰ উৎপত্তি হয়। ফলত ভিন ভিন ছাপৰ উৎপত্তি হয়, যিবিলাকে এটা জীৱন কালৰ পৰা পৰৱৰ্তী জীৱন কাললৈ স্বয়ংক্ৰিয় ভাৱে নতুন নতুন কাৰণ আৰু ফলাফল উৎপন্ন কৰি যায়। যেতিয়ালৈকে বাসনাৰ অন্ত নহয় তেতিয়ালৈকে পুনৰ্জন্ম চলি থাকে।

মানুহৰ ক্ষেত্ৰত এই সুপ্ত কামনাক (অশ্বত্থামা), জাগত কামনা (দুৰ্য্যোধন) ৰ পৰা পৃথকভাৱে চাব লাগিব। দুয়োটাৰ মাজত বিশাল পাৰ্থক্য আছে। জাগ্ৰত কামনা হ'ল মনৰ এটা উত্তেজনা, যি স্বাধীনভাৱে ইচ্ছাৰ জন্ম দিয়ে। মনৰ এই কামনাৰ অৱচেতন মনত কোনো শিপা (সংস্কাৰ বা ছাপ) নাই। মানুহৰ মনত যেতিয়া এনে ইচ্ছা ওপজে তেতিয়া ই সিমান শক্তিশালী নহয় ; ইচ্ছা কৰিলে তাক সহজে দমন কৰিব বা বাধা দিব পাৰি। প্ৰত্যেকটো বাসনাই - কামত প্ৰয়োগ হওক বা নহওক – আন এটা বাসনাৰ জন্ম দিয়ে। সন্তুষ্ট হ'লেও এনেবোৰ অহংভাৱাপন্ন বাসনাৰ অন্ত নহয়। প্ৰত্যেক জাগতিক প্ৰাপ্তি বা বস্তুনিষ্ঠ সম্পত্তি প্ৰাপ্তিৰ পাছতো কিছুমান বাসনা অপূৰ্ণ হৈ ৰয়। অহং ভাৱৰ পৰা ওপজা এইবোৰ জাগ্ৰত কামনাৰ পৰাই বাসনা বীজ অংকুৰিত হয়। জ্ঞানেৰে এই বীজ পুৰি নেপেলালে প্ৰত্যেক অতৃপ্ত বাসনাই মনত নতুন বাসনা বীজ স্থাপন কৰে। সাময়িক উত্তেজনাৰে জন্ম লোৱা বাসনাতকৈ এইবোৰ অৱচেতন মনত স্থাপন কৰা বাসনা বীজ বেছি শক্তিশালী। হঠাৎ এনেবোৰ বাসনাই এনে কিছুমান দাবী তোলে যিবোৰ অবিবেচক, দুঃখদায়ক আৰু বিফলজনক। এইদৰে বাসনাই বাসনাৰ জন্ম দিয়া চক্ৰাকাৰ প্ৰক্ৰিয়াক ধ্বংস কৰাৰ একমাত্ৰ উপায় হ'ল মূল কাৰণক ধ্বংস কৰা।

মহাভাৰতৰ যুদ্ধৰ শেষত পাণ্ডৱে যেতিয়া কৌৰৱক পৰাস্ত কৰিলে, তেতিয়া আমি দেখো যে অশ্বত্থামা জীৱিত আছে। কিন্তু তেওঁ

সকলো অনুভূতিৰ অসৎ ব্যৱহাৰেই হ'ল লালসা। দৃষ্টিৰ দ্বাৰা মানুহে বস্তুৰ লোভ কৰে, শ্ৰৱণ ইন্দ্ৰিয়ৰে মিঠা প্ৰশংসাকে ধৰি গতিৰে সুমুৱা বিষবাণীৰ আশা কৰে, গোন্ধৰ সুমধুৰতাৰে পৰিবেশ আৰু কামক ভুল পথে নিয়াৰ প্ৰয়াস কৰে, সঙ্গীত আৰু বাক্যৰ শিহৰণেৰে জাগতিক স্বভাৱ জাগ্ৰত কৰে : খাদ্য আৰু পানীয়ৰ লোভে মানুহক স্বাস্থ্য হানি কৰিও লোভ পূৰণৰ চেষ্টা কৰায়, স্পৰ্শৰ লালসাই শাৰীৰিক সুখৰ পাছত দৌৰাই দিব্য সৃষ্টিশক্তিদায়ক যৌনচেতনাৰ বিকৃতি ঘটায়। লালসাই মানুহক সম্পত্তি, সমাজত স্থান, ক্ষমতা আৰু প্ৰভাৱ আদি সকলো 'মই', 'মোৰ' অহং ভাৱৰ তৃপ্তিসাধনত লিপ্ত কৰায়। মানুহৰ চাৰিত্ৰিক উন্নতিৰ জখলাৰ প্ৰথমটো সোপান কেৱল লালসাপূৰ্ণ অহংভাৱ ত্যাগ। এই অতৃপ্ত কামনাৰ শক্তিয়ে মানুহৰ সুখ ধ্বংস কৰে; স্বাস্থ্য, মগজু, শক্তি, শুদ্ধচিন্তা, স্মৃতি, বিবেক সকলো শেষ কৰি পেলায়।

২। ক্ৰোধ- বাসনা অপূৰ্ণ হলেই ক্ৰোধৰ উৎপত্তি হয়। কামনা প্ৰাপ্তিত বাধা পালে মনত ক্ষোভ ওপজে; সেয়ে 'অন্ধ মানস' ধৃতৰাষ্ট্ৰৰ প্ৰথম পুত্ৰ দুৰ্য্যোধন কামনাৰ ৰজা আৰু দ্বিতীয় পুত্ৰ, দুৰ্যোধনৰ নলে গলে লগা বন্ধু ভায়েক দুঃশাসন ক্ৰোধৰ প্ৰতিমূৰ্ত্তি। দুঃশাসনৰ অৰ্থ - বশ বা দমন কৰিবলৈ টান – সংস্কৃত দুঃ - কষ্টকৰ, টান ; শাসন - দমন বা বশ কৰা। মহাভাৰতত সকলো ফালৰ পৰা অপ্ৰিয় দুঃশাসনে ক্ৰোধৰ অনিষ্টকাৰিতা ভালদৰে প্ৰতিফলিত কৰিছে। গীতাৰ দ্বিতীয় অধ্যায়ত কৃষ্ণই অৰ্জুনক কৈছে যে ক্ৰোধে ভুল কাম কৰাজনক মোহান্ধ কৰে যাৰ ফলত আত্মাই শুদ্ধ,সৎ আচাৰ ব্যৱহাৰ পাহৰি যায় আৰু বিবেকবুদ্ধি নষ্ট হয়। বুদ্ধি নাশ হলে সকলো সদাচাৰ লোপ পায়।

শান্তিধ্বংসকাৰী, বুদ্ধিনষ্টকাৰী, স্বাস্থ্যহানিকাৰী নিজৰ ব্যৱহাৰ ক্ৰোধে বহুত ধৰণে প্ৰকাশ লভে - ধৈৰ্য্যহীনতা, ধ্বংসকামী মনোভাৱ, বিৰক্তিকৰ, খং, অন্তৰ্দাহ, হিংসা, বিৰোধ, জিঘাংসা, আৱেগিক ক্ৰোধ, কেচুঁৱাৰ দৰে বাহ্যিক ক্ৰোধ ইত্যাদি। চয়তানি ক্ৰোধ ধ্বংসত দৈত্যৰ দৰে আৰু হীন ; খং কৰাৰ অভ্যাসৰ পৰা সৃষ্টি হোৱা কোনো কাৰণ নোহোৱাকৈ জ'ক উঠা, খং আৰু অতীত কামৰ ফলত সৃষ্টি হোৱা গভীৰ অৱচেতনাৰ ক্ৰোধ। 'উচিত ক্ৰোধ' বুলি কোনো সময়ত মানি ল'লেও ই কেতিয়াও শান্ত বিবেকবুদ্ধিৰে কৰা বিচাৰ বিবেচনাৰ আৰু কামৰ ঠাই লব নোৱাৰে।

৩। লোভ - অহংভাৱে মানুহক নিজৰ ভাবাৱেগেৰে বান্ধি পেলায় ; ফলত মানুহে কৰ্ম আৰু চিন্তাত থকা নিজৰ বিচাৰ বুদ্ধিৰ ভুলবোৰ দেখা নাপায়। লোভৰ প্ৰভাৱত মানুহে কৰ্ত্তব্য বা শুদ্ধনীতি



অনুসৰি কাম নকৰি উচ্ছৃঙ্খল ইচ্ছা অনুসৰি কাম কৰে। শৈশৱৰ পৰাই বেছিখিনি মানুহ এই অহং ভাৱৰ দ্বাৰা শাসিত হয়। গতিকে তেওঁলোক নিজৰ অনুভূতি আৰু ভালপোৱা-বেয়াপোৱাৰে শাসিত হৈ আছে। স্ব-ইচ্ছাৰ প্ৰতি মোহ, ভালপোৱা-বেয়াপোৱা - এয়ে লোভ। এয়া আক্ৰোশ,আকাংক্ষা, সকলো নিজৰ কৰাৰ মনোভাৱ, নিতান্ত 'আৱশ্যকীয় প্ৰয়োজন' আৰু 'অনাৱশ্যকীয় প্ৰয়োজন'ৰ মাজত মানসিক বিমূঢ়তা।

ইতিমধ্যে কোৱা হৈছে যে কৰ্ণ আৰু বিকৰ্ণ - দুই কুৰুযোদ্ধা - পাৰ্থিৱ কৰ্মৰ প্ৰতি আকৰ্ষণ আৰু বেয়াপোৱা কামৰ পৰা আঁতৰি থকা - ইয়েই ভালপোৱা – বেয়াপোৱাৰ মূল। গতিকে জীৱাত্মাৰ দোষবোৰৰ ভিতৰত লোভক কৰ্ণ আৰু বিকৰ্ণই প্ৰতিনিধিত্ব কৰিছে।

প্ৰাথমিক সাধাৰণ লোভ হৈছে খোৱাবস্তুৰ প্ৰতি মানুহৰ অনিয়ন্ত্ৰিত ইচ্ছা। কিন্তু জীৱাত্মাৰ এই অনিয়ন্ত্ৰিত লালসাৰ প্ৰকাশ তলত দিয়া যি কোনো নীতিতে খাটে। প্ৰভাৱ শক্তি অনুসৰি ই অদমনীয় খাদ্য লোভ হ'ব পাৰে; অনবৰতে খোৱাবস্তুৰ কথাই চিন্তা কৰি থকা - পেট পূৰা হৈ থাকিলেও এই লোভ অতি শক্তিশালী আৰু স্বাস্থ্যহানি নোহোৱালৈকে ই ক্ষান্ত নহয়। (যেনে –জানি শুনি অতি বেছিকৈ হানিকাৰক কিন্তু তৃপ্তিদায়ক খাদ্য খোৱা) ; মধ্যম লোভ –সাময়িক ভাৱে শাসন কৰিব পৰা – বিশেষকৈ যেতিয়া কষ্ট হয় ; আৰু সামান্য লোভ, বহুত সময়ত সাময়িক বুলি কোৱা হয় যদিও ই অনিষ্টকৰ।

অতিমাত্ৰা লোভৰ বাবে মানুহ চৌৰ্য্যবৃত্তিত লিপ্ত হয় , অসৎ কাম কৰে, প্ৰবঞ্চনা কৰে আৰু আনৰ ধনেৰে নিজক চহকী বোলায়। লোভে মানুহক বশ কৰিলে মানুহৰ জীৱন ধ্বংস হয়, পাছত অনেক দুৰ্গতি হয়।

কৃষ্ণই অৰ্জুনক সাৱধান কৰিছে যে নৰকৰ তিনিখন দুৱাৰ হ'ল কাম, ক্ৰোধ আৰু লোভ। ইয়াক ত্যাগ কৰিব লাগে।

৪। মোহ - জীৱাত্মাৰ দোষসমূহে আত্মাৰ বিকাশ আৰু উন্নতিত বাধা দিয়ে। জীৱাত্মা হ'ল আত্মাৰ ছায়া অথবা মোহগ্ৰস্ত চেতনা। আত্মা আৰু জীৱাত্মা পোহৰ আৰু আন্ধাৰৰ দৰে, একে সময়তে দুয়ো থাকিব নোৱাৰে। জীৱাত্মা আৰু আত্মা দুয়োটাই আত্মনিষ্ঠভাৱে চেতনাযুক্ত অস্তিত্বসম্পন্ন। কিন্তু জীৱাত্মাৰ জন্ম হয় আৰু ই সীমাৱদ্ধ; কিন্তু আত্মা শাশ্বত আৰু অসীম। মানুহৰ অন্তৰত থকা চৈতন্যই মানুহক অনুভূতি, ইচ্ছা চিনাকি আদিৰ দ্বাৰা শৰীৰ আৰু পৰিবেশৰ সৈতে সংযোগ কৰি ৰাখে। জীৱাত্মাক বাদ দিলে মানুহ যেনেকৈ আত্ম-সচেতন হ'ব নোৱাৰে সেইদৰে জীৱাত্মাক বান্ধি ৰখা অন্তঃ আৰু বহিঃ পৰিবেশৰ

পৰা সংযোগবিহীন হৈ জীৱাত্মাও বেছিদিন থাকিব নোৱাৰে। আকৰ্ষণ নাথাকিলে ই নিজেই নিজক হেৰুৱাই পেলায়।

জীৱাত্মাৰ প্ৰাথমিক আকৰ্ষণ হ'ল মোহ, বিমূঢ়তাৰ লগত ইয়াৰ অদৃশ্য সনা-পোটকা। কুৰুমিত্ৰ 'কৃপা' ব্যক্তিগত মোহৰ প্ৰতিনিধি। মোহমায়াই -'মই' ভাৱ ওপজায়, যি নিজে ব্যক্তিগত অস্তিত্বৰ এই মোহমায়াই -'মই' ভাৱ ওপজায়, যি নিজে ব্যক্তিগতভাৱে দেখা আৰু অভিজ্ঞতা লভা বুলি ভাৱে। এই মায়াই জীৱাত্মাৰ মোহ, যি মনক ঢাকি ধৰি সত্যক লুকুৱাই থয়। মোহৰ অৰ্থ মায়া, ভ্ৰম, অজ্ঞানতা, বিমূঢ়তা, মোহমুগ্ধ আকৰ্ষণ। ইয়াৰ উপৰিও শত্ৰুক বিমূঢ় কৰা যাদু বুলিও কব পাৰি। মহাভাৰতৰ ৰূপকত 'মোহ'ৰ প্ৰতিনিধিত্ব কৰিছে শকুনিয়ে – অন্ধ ধৃতৰাষ্ট্ৰৰ প্ৰথমা পত্নী গান্ধাৰীৰ ভায়েক। শকুনি তেওঁৰ যাদুকৰী মায়াৰ বাবে বিখ্যাত। বিৰোধীক মায়াৰ যাদুৰে বিমূঢ় কৰি যুদ্ধ জয় কৰে। শকুনিৰ বুদ্ধিমতে দুৰ্য্যোধনে পাশাৰ খেললৈ পাণ্ডৱক নিমন্ত্ৰণ কৰিছিল। শকুনিয়ে সৰ্বস্ব পণ কৰা পাশাৰ খেলত দুৰ্য্যোধনৰ কাৰণে সকলো জয় কৰি লৈছিল। পাশটি মাৰি প্ৰৱঞ্চনাৰে দুৰ্য্যোধনৰ কাৰণে সকলো জয় কৰি লৈছিল। লোভ আৰু জাগতিক আকৰ্ষণৰ মায়াৰ পাশাখেলত আত্মাই বিবেকবুদ্ধি হেৰুৱাই শৰীৰ ৰাজ্যৰ পৰা নিৰ্বাসিত হয়। ছয় দোষযুক্ত জীৱাত্মাই তাৰ পাছত মানুহৰ চৈতন্যক শাসন কৰে।

মোহমুগ্ধতাৰ ফলত মানৱৰ সীমাৱদ্ধ নিৰ্বাসনৰ দণ্ড দৃঢ় হয়। জীৱাত্মাই মানৱ চৈতন্যক কিছুমান ইতিবাচক কাম কৰাৰ সামৰ্থ্য দিলেও, নেতিবাচকভাৱে ই মানুহৰ নিজৰ অসমৰ্থতাৰ সীমাৱদ্ধ জ্ঞানক প্ৰভাৱিত কৰে। জীৱাত্মাৰ শাসনৰ ই আটাইতকৈ বিপদজনক দিশ ; কাৰণ ই দিব্য পৰমাত্মাৰ সৰ্বশক্তিমত্তা আৰু সৰ্বজ্ঞতাক বাধা দিয়ে। এই মোহান্ধতা দূৰ কৰা মানে দিব্য আত্মাক নিজৰ সৰ্বোত্তম জ্ঞান প্ৰকাশ কৰি, নিজৰ প্ৰভাৱ বিস্তাৰ কৰি অসীম সম্ভাৱনাৰ প্ৰকাশ ব্যক্ত কৰিবলৈ দিয়া।

৫। মদ (অহংকাৰ) - জীৱাত্মাৰ দোষসমূহে মনক ঠেক আৰু সীমিত কৰি পেলায়। চৈতন্যক চেপি ধৰি অহংকাৰে আত্মাৰ উজ্জ্বল গুণসমূহ হেচা মৰি ধৰি দমন কৰি ৰাখে। অহংকাৰ মানে ইয়াত 'মই' ভাৱৰ কথা কোৱা হৈছে, যি ভাৱনাই সকলো সময়তে আপোন স্বাৰ্থৰ বাবে কাম কৰে। মদৰ কাৰণে জীৱাত্মাৰ অন্তৰত গৰ্ব, ঔদ্ধত্য, অহংকাৰ, মইমতালি, অবাধ আৰু উগ্ৰ কামনা, স্বাৰ্থপৰতা আদি উৎপন্ন হয়। "মোৰ সুনাম, অধিকাৰ, সামাজিক স্থিতি, ধৰ্ম, আৱেগ" আৰু "ময়েই শুদ্ধ, মোতকৈ আন ভাল হ'ব নোৱাৰে, মোক লাগে, মোৰ আছে" ইত্যাদি ভাৱনা ওপজে। মদৰ ভিতৰতে ক্ষমতা আদিৰ নিচা আৰু পাগলামিও পৰে। এইদৰেও কব পাৰি যে "মই" ভাৱ



এনে এক নিচা যাৰ বাবে মানুহে নিজৰ প্ৰকৃত আত্মা আৰু প্ৰকৃত পৰিচয় হেৰুৱাই পেলায়।

মহাভাৰতত 'শৈল্য'ই এই মদৰ প্ৰতিনিধিত্ব কৰিছে। শৈল্য পাণ্ডৱৰ যমজ ভ্ৰাতৃদ্বয় – নকুল আৰু সহদেৱৰ মোমায়েক। তেওঁ পাণ্ডৱ সোনবাহিনীত যোগদান কৰিবলৈ আহোঁতে বাটতে দুৰ্য্যোধনে প্ৰলোভনেৰে নিজৰ ফলীয়া কৰি ল'লে। এইদৰে অহংকাৰী মদে মানুহৰ মূৰ ঘূৰাই দি বিপথে লৈ যায়।

শৈল্য মানে দোষ বা কুট; এই ক্ষেত্ৰত মদমত্ত জীৱাত্মাৰ ঠেক দৃষ্টিয়ে বিমূঢ় কৰা মানুহৰ বুদ্ধি-বিবেচনাক বুজাইছে।

শৈল্য মানে গালি আৰু অপবাদো হয়। মদে জীৱাত্মাক আনৰ প্ৰতি স্বাৰ্থপৰ উদ্ধত আচৰণ কৰাৰ বাবে শত্ৰু ভাৱাপন্ন ক্ষমতা প্ৰদান কৰে– যেনে অসহিষ্ণুতা, পক্ষপাতিতা, গোড়ামি, কঠোৰ মনোভাৱ, ভয় আৰু ঘৃণাযুক্ত শত্ৰুতা। মদে মানুহক আনৰ মূৰ কাটি নিজক আনতকৈ ওখ কৰাৰ মনোভাৱ দিয়ে; আনক অপমান কৰা, আনৰ ভুল আঙুলিয়াই নিজক শুদ্ধ প্ৰতিপন্ন কৰা, পৰচৰ্চা আৰু পৰনিন্দা কৰা মনোভাৱ দিয়ে। কিন্তু আনে তেওঁৰ ভুল ত্ৰুটি আঙুলিয়াই দিলে খঙত জ্বলি উঠে।

মদগৰ্বৰ প্ৰভাৱত মানুহে আনক ঘৃণা কৰে, ফলত আনে তেওঁক বেয়া পায়। নম্ৰ, শান্ত, আনৰ সুখ-দুখ চিন্তা কৰা, হাঁহিমুখীয়া আৰু সহিষ্ণু স্বভাৱে সকলোৰে মনত আনন্দ আৰু সন্তোষ জন্মায়। মদগৰ্বী মানুহে নিজৰ মইমতালিৰে নেতা বোলাই নিজকে প্ৰৱঞ্চিত কৰে।

আধ্যাত্মিক মানুহো প্ৰাপ্তিৰ গৰ্বত উচ্চ স্থানৰ পৰা পতিত হয়। মদৰ প্ৰকৃতি এনেকুৱা যে জীৱাত্মাই নিজৰ কামৰ সু-ফলৰ কাৰণেই অকল নহয়, নিজে নিজৰ ভাবিলোৱা গুণবোৰৰ কাৰণেও গৰ্ব কৰে। মানুহে যিমানে ভাল কাম কৰে সিমানে তেওঁৰ গৰ্বৰ সমল বাঢ়ে আৰু সিমানেই তেওঁৰ নিজৰ মদগৰ্বত পতন হোৱাৰ সম্ভাৱনা থাকে। বাস্তৱিকতে মোহৰ জাল অতি ছলনাময়ী।

৬। মাৎসৰ্য্য- (হিংসা, পাৰ্থিৱ মোহ)- এটা শব্দৰে এটা সম্পূৰ্ণ ধাৰণা প্ৰকাশ কৰিব পৰাটোৱে সংস্কৃত ভাষাৰ মাধুৰ্য্য। অৱশ্যে ধাৰণাটোৰ বিষয়ে ইতিমধ্যে সম্পূৰ্ণ অৱগত হব লাগিব। দেৱভাষা হিচাপে সংস্কৃতৰ বিকাশ হৈছে, যাৰ মাধ্যমেৰে সাধাৰণ মানুহৰ বাবে শাস্ত্ৰ ৰচনা কৰা হৈছে। প্ৰত্যেক শব্দৰ বহুত ধৰণৰ অৰ্থ হ'ব পাৰে। কিহৰ সন্দৰ্ভত ব্যৱহাৰ কৰা হৈছে তাৰ দ্বাৰা অৰ্থ স্থিৰ কৰা হ'ব। আন ভাষালৈ তৰ্জমা কৰাৰ অসুবিধা এয়ে যে সংস্কৃতৰ এটা শব্দৰ

অর্থৰ বাবে দীঘলীয়া ব্যাখ্যাৰে আন ভাষাত কথাটো বুজাব লাগিব। পুনৰুক্তিৰ বিৰক্তি গুচাবৰ বাবে সংস্কৃত শব্দটোৰ অৰ্থৰ ওচৰ চপা এটা শব্দ ব্যৱহাৰ কৰি সেই শব্দটোৱেই সংস্কৃত শব্দৰ সম্পূৰ্ণ দাৰ্শনিক ভাৱ প্ৰকাশক বুলি ধৰি ল'ব লাগিব। সাধাৰণতে 'ঈৰ্ষা' বুলি তৰ্জমা কৰা মাৎসৰ্য্য শব্দৰ বহল অৰ্থ হৈছে পাৰ্থিৱ বস্তুৰ প্ৰতি মোহ। 'মাতসৰ' শব্দৰ পৰা হোৱা মাৎসৰ্য্যৰ অৰ্থ ঈৰ্ষা, হিংসা, স্বাৰ্থপৰতা, শত্ৰুতা, আৱেগ, উল্লাস, ৰাগি বা নিচা। গতিকে মাৎসৰ্য্যৰ অৰ্থ হ'ল পাৰ্থিৱ জগতত পোৱা পাৰ্থিৱ উন্নতি আৰু সম্পত্তি লাভৰ সম্ভাৱনাই জীৱাত্মাৰ মনত নোপোৱাৰ অসন্তুষ্টি সৃষ্টি কৰি এই বস্তুবাদী আনন্দ উপভোগ কৰাৰ বাবে ঈৰ্ষা বা আৱেগ উদ্ভৱ কৰা। এই আক্ৰোশজনক আৱেগৰ পৰা ওপৰোক্ত বস্তুসমূহ নিজৰ কৰাৰ বাবে এক শক্তিশালী উদগ্ৰ আগ্ৰহৰ জন্ম হয় যাৰ ফলত প্ৰাপ্ত বস্তুৰ প্ৰতি এটা আসক্তি আৰু নিচাৰ উৎপত্তি হয়, অৰ্থাৎ পাৰ্থিৱ মোহ। এই মোহ মাজে সময়ে শত্ৰুভাৱাপন্ন হয় আৰু ই স্বাৰ্থপৰ, অসৎ আৰু হিংসুক হয়। কৌৰৱৰ পক্ষত জীৱাত্মাৰ এই দোষবোৰৰ প্ৰতিনিধিত্ব কৰিছে কৃতবৰ্মাই। কুৰুক্ষেত্ৰ যুদ্ধত দুৰ্য্যোধনৰ ফলীয়া হোৱা তেৱেঁই একমাত্ৰ যাদৱ (শ্ৰীকৃষ্ণৰ বংশোদ্ভৱ)। তেওঁ বিয়া কৰাব খোজা কন্যাক আন এজন যাদৱে লৈ যোৱা বাবেই তেওঁ কৃষ্ণৰ শত্ৰু হৈ পৰিল।

মাৎসৰ্য্য বা আত্মাভিমানে বাসনা উত্তেজিত কৰে আৰু জীৱনৰ আদৰ্শ বা লক্ষ্যৰ প্ৰতি পোনপটীয়াকৈ যোৱাটো প্ৰায় অসম্ভৱ কৰি তোলে। ই মানুহক কল্পনাৰ আকাশত চাং পতায় য'ত সকলো ইচ্ছা পূৰণ হয় আৰু মানুহে জন্ম-জন্মান্তৰে সেইবোৰৰ পিছে পিছে দৌৰি ফুৰে। যি কৰ্ত্তব্যপালন জীৱনৰ ক্ৰমবিকাশৰ বাবে শুদ্ধ আৰু আৱশ্যকীয়, তাক মানুহে পাহৰি যায়। বিপৰীতে ই মানুহক বৰমানুহ বোলাবলৈ, আনক অনুকৰণ কৰাৰ প্ৰবল বাসনা সৃষ্টি কৰে যাতে তেওঁ আনৰ ঈৰ্ষাৰ পাত্ৰ হয়। এই চেতনা নাশ কৰিবলৈ মানুহে সাময়িকভাৱে নিজৰ ব্যক্তিত্বৰ পৰা আঁতৰি আহি নিজৰ চেতনাক আনৰ চেতনাৰ সৈতে মিলি যাবলৈ দিলে দেখিব যে সকলোৰে মানসিক অৱস্থা একেই, ক্ষণিক সন্তোষ আৰু আনন্দ, তাৰপাছতেই আকৌ অসন্তোষ আৰু অধিক আকাংক্ষা। এই কামনা কৰাটো বন্ধ কৰি দিলে তেওঁ দেখিব যে তেওঁৰ প্ৰকৃত কামনা এনেকুৱা অহংভাৱৰ সন্তুষ্টি নহয়; কিন্তু প্ৰকৃত আত্মাৰহে সন্তুষ্টি।

আত্মা অসীম। জীৱাত্মাৰ ঠেক মনোভাৱেৰে ই সীমাৰদ্ধ নহয়। অহংভাৱৰ চেতনা নাশ কৰা মানে এইটো নহয়যে আমি লক্ষ্যহীন ভাৱে চলিম : ইয়াৰ অৰ্থ হ'ল অহং ভাৱৰ মোহান্ধ বাসনাৰে আমি



নিজক সীমাৰদ্ধ কৰিব নালাগে বা থকা সম্পত্তি আমি দলিয়াই পেলাব নালাগে, অযত্নও কৰিব নালাগে বা আমাৰ প্ৰকৃততে আৱশ্যকীয় বস্তু লোৱাৰ পৰাও বিৰত হ'ব নালাগে; কিন্তু এই সকলো কাম কৰোঁতে এনে এটা মন লৈ কাম কৰিব লাগিব যাতে আমি কৰ্মবন্ধেৰে বান্ধ নাখাওঁ। যিবিলাকে নিজক জীৱাত্মাৰ ঠেক মনোবৃত্তি আৰু আত্মাভিমানৰ পৰা মুক্ত কৰিছে তেওঁলোক স্বৰ্গ-মৰ্ত্ত্য উভয়ৰে গৰাকি। যি জন পাৰ্থিৱ মোহৰ পৰা মুক্ত তেওঁ আচলতে এই বিশ্বৰ প্ৰকৃত উত্তৰাধিকাৰী। তেওঁৰ সকলো ইচ্ছা পূৰ্ণ হয়।

মুঠতে প্ৰধান ব্যৱহাৰিক অসৎ কৰ্ম হ'ল সেইবোৰ - যিবিলাক অহংভাৱ আৰু তাৰ ছয়প্ৰকাৰৰ দোষৰ পৰা ওপজে। এইবোৰে মানুহক নিজৰ পৰম দিব্য আত্মাৰ কথা, তাৰ প্ৰকাশ , অভিব্যক্তি আৰু আৱশ্যকৰ কথা পাহৰাই জীৱাত্মাৰ 'অপূৰণীয় আৱশ্যক'ৰ পিছে পিছে আকোঁৰগোজ ভাৱে দৌৰাই ফুৰায়। মনস্তাত্ত্বিক ভাৱে চাবলৈ গ'লে জীৱাত্মা-চৈতন্য এটা আৰোপিত আৰু উপস্থাপিত মিছা ব্যক্তিত্ব। জীৱাত্ম-চেতনাৰ এই প্ৰতিৰোধ ওফৰাবলৈ, প্ৰকৃত পৰমাত্মাক জনাৰ পথত বাধাৰ সৃষ্টি কৰা তাৰ বিভিন্ন অনুভূতিবোৰক বুজি পাবলৈ চেষ্টা কৰা প্ৰয়োজন। যোগ সাধনা কৰাজনে খং উঠাৰ সময়ত সদায় মনত ৰাখিব লাগিব যে "এয়া মই নহয়"। যেতিয়া লোভ আৰু কামনাই তেওঁৰ আত্ম-নিয়ন্ত্ৰন নোহোৱা কৰে, তেওঁ নিজকে নিজে কোৱা উচিত "এয়া মই নহয়"। যেতিয়া হিংসাই তাৰ কুৎচিৎ ৰূপেৰে তেওঁৰ পৰম প্ৰকৃতিক ঢাকি ধৰে তেতিয়া তেওঁ জোৰকৈ তাৰ পৰা নিজক আঁতৰাই আনিব লাগিব। অনাকাংক্ষিত এনেকুৱা আলহীৰ বাবে চৈতন্যৰ দ্বাৰ সদাই বন্ধ ৰখা উচিত।

যেতিয়া আনে দুৰ্ব্যৱহাৰ কৰিলে আৰু কু-কথা ক'লেও তেওঁ নিজৰ অন্তৰত ক্ষমা আৰু প্ৰেমৰ পৱিত্ৰ অনুভূতি অনুভৱ কৰে তেতিয়া তেওঁ দৃঢ়তাৰে ক'ব পাৰে "এয়া মই", এয়াই মোৰ প্ৰকৃত স্বভাৱ"।

যোগধ্যান হ'ল নিজৰ প্ৰকৃত স্বভাৱক লালন-পালন কৰা আৰু নিজৰ সচেতনতাক দৃঢ় কৰা। সুনিৰ্দ্দিষ্ট আধ্যাত্মিক আৰু মনোদৈহিক প্ৰক্ৰিয়া আৰু নীতি-য়িমৰ মাধ্যমেৰে সংকীৰ্ণ মানৱ-চৈতন্যক পৰমাত্মাৰ দিব্য চৈতন্যৰে স্থানচ্যুত কৰিব পাৰি।

মন্ত্ৰী আবুল ফজলে ভায়েক ফৈজিৰ লগত সম্ৰাট আকবৰৰ নিৰ্দেশত গীতা ফাৰ্চী ভাষালৈ অনুবাদ কৰিছিল। চাৰ্লছ উইলকিন্সে ইংৰাজী ভাষালৈ অনুবাদ কৰিছিল। আজি জগতত ৰুছ, লাটিন, জাৰ্মান, ফৰাচী, গ্ৰীক, ইটালিয়ান, জাপানী, আৰবী আদি কৰি ৩৬টা ভাষাত ২৫০০ তকৈয়ো অধিক পদ্য আৰু গদ্য ৰূপত গীতাৰ ভাঙনি

হৈছে। ভাৰতীয় ভাষাসমূহৰ ভিতৰত অসমীয়া ভাষাতে পোনপ্ৰথম বাবৰ বাবে গদ্যত অনুদিত কৰে ভট্টদেৱে "কথাগীতা" নামেৰে। এই কথা স্পষ্ট যে ই কেৱল ভাৰতীয় হিন্দুসকলৰে সম্পত্তি নহয়, সমূহ মানৱৰে এক ঐশ্বৰ্য্য। এক ভাৰতীয় ঐতিহ্যৰ উত্তৰাধীকাৰী ন'হলেও গীতা অনুধাৱন কৰিব পাৰি। ভাৰতবৰ্ষত জাতি, ধৰ্ম, সম্প্ৰদায় নিৰ্বিশেষে সকলোৱে জীৱনত এবাৰলৈ হ'লেও গীতাৰ বুকুত সংকট মোচনৰ আহিলা বিচাৰি পাইছে। ভাৰতীয় সমাজত গীতাৰ বাণী নিত্য ব্যৱহৃত প্ৰবচনৰ লগত সানমিহলি হৈ আছে। সেয়ে দাৰ্শনিক পণ্ডিত ৰাধাকৃষ্ণণ ডাঙৰীয়াই গীতাক সৰ্বসাধাৰণে বুজিব পৰা এক জনপ্ৰিয় কাব্যগ্ৰন্থ বুলিহে কৈছিল। গীতাৰ মৰ্মাৰ্থ হয়তো অতি কঠিন। কিন্তু শ্লোক সমূহৰ ধ্বনি মাধুৰ্য্য আৰু সাধাৰণ অৰ্থ, প্ৰকাশৰ প্ৰাঞ্জলতাৰ হেতুকে সৰ্বসাধাৰণে গীতা বুজি পাবলৈ অসুবিধা নাপায়। প্ৰজ্ঞাতকৈও সংবেদনশীলতাহে গীতা বুজি পাবৰ বাবে প্ৰয়োজন হয়। আজিও সেয়ে আমি গ্ৰামীণ সমাজত অনাখৰী লোকৰ মুখতো গীতাৰ প্ৰবচন সহজ সৰল ভাষাত শুনিবলৈ পাওঁহক। গীতা সকলো উপনিষদৰে সাৰ।

জনপ্ৰিয় ধাৰণামতে গীতাৰ শ্লোকৰ সংখ্যা হৈছে ৭০০ টা। ক্ষেত্ৰ-ক্ষেত্ৰজ্ঞবিভাগ যোগ অধ্যায়ৰ অৰ্জুনৰ মুখত দিয়া শ্লোকটো গণনাৰ ভিতৰত নধৰে, সেয়ে সাধাৰণ গীতাসমূহত ৭০১ টা শ্লোক থাকে। মহাভাৰতৰ ভীষ্মপৰ্বত থকা গীতাৰ বৰ্ণনা মতে শ্লোকৰ সংখ্যা এনে ধৰণৰ –

ষট শতানি সবিংশানি শ্লোকানাং প্ৰাহ কেশৱঃ।
অৰ্জুনঃ সপ্তপঞ্চাশৎ সপ্তষষ্টিং চ সঞ্জয়ঃ।।
ধৃতৰাষ্ট্ৰং শ্লোকমেকং গীতায়াঃ মানমুচ্যতে।
ভাৰতামৃতসৰ্বস্ব গীতায়া মথিতস্য চ।।

অৰ্থাৎ গীতাত শ্ৰীকৃষ্ণৰ মুখত ৬২০ টা; অৰ্জুনৰ মুখত ৫৭ টা, সঞ্জয়ৰ মুখত ৬৭ টা আৰু ধৃতৰাষ্ট্ৰৰ মুখত এটা শ্লোক উচ্চাৰিত হৈছে। সেইমতে শ্লোকৰ সংখ্যা হ'বগৈ লাগে ৭৪৫টা। বহুল প্ৰচলিত সাধাৰণ সংস্কৰণ বিলাকত এই শ্লোকৰ বিতৰণৰ সংখ্যা ক্ৰমে শ্ৰীকৃষ্ণৰ-৫৭৫, অৰ্জুন-৮৪, সঞ্জয়-৪০ আৰু ধৃতৰাষ্ট্ৰ-১। গীতাখন নাট্যৰূপে চালে তাত ঘাইকৈ শ্ৰীকৃষ্ণ আৰু অৰ্জুনেই প্ৰাধান্য লভিছে। গোকুলৰ ননীচোৰ, মহাৰাসৰ কেন্দ্ৰীয় চৰিত্ৰ, কংসবধকাৰী, অৰ্জুনৰ সখা শ্ৰীকৃষ্ণ গীতাত ভগৱানলৈ উন্নীত হৈছে। আৰু আমি তাঁতেই থমকি ৰওঁ এই দুয়োজন শ্ৰীকৃষ্ণ একেজনেইনে? মহাভাৰতৰ মানুহ শ্ৰীকৃষ্ণ গীতাত দেৱৰো দেৱতা ৰূপে বন্দিত হৈছে – যাৰ ইচ্ছাত পৰিচালিত হৈছে চৰাচৰ জগত। অৰ্জুন পৰিচিত হৈছে এক সৰ্বগুণসম্পন্ন পুৰুষা



ব্যক্তিৰূপে। অধ্যয়নত তেওঁ একাগ্ৰচিত্ত, দুৰন্ত সাহসী, সুনিপুণ ধনুৰ্ধাৰী, নৃত্যবিশাৰদ, ধাৰ্মিক, ললনাপ্ৰিয় আৰু পৰ্য্যটক। মহাভাৰতৰ মহাযুদ্ধৰ তেওঁ মহানায়ক। কুৰুক্ষেত্ৰ মহাসমৰৰ প্ৰাক্‌ক্ষণত স্বধৰ্ম পাহৰি তেওঁ স্খলিত হ'বৰ উপক্ৰম হৈছে। তেতিয়া অৰ্জুনক উদ্দেশ্য কৰি শ্ৰীকৃষ্ণই ক'লে – ক্লীৱত্ব পৰিহাৰ কৰা। আৰু তাৰেই সূত্ৰ ধৰি সৃষ্টি হ'ল এই অনুপম কাব্য। হতাশাত পৰি কিংকৰ্তব্য বিমূঢ় হোৱা এক তৰুণৰ প্ৰতি উপদেশ লৈয়ে সৃষ্টি হৈছে এই গীতাৰ। এই উপদেশ শুনি সেই তৰুণে নিজৰ কৰণীয়খিনি চিনি উলিয়াইছে। কৰ্মনিৰ্দ্ধাৰণ গীতাৰ সাৰ কথা। মানৱৰ নীতিধৰ্ম আৰু সৃষ্টিতত্ত্বৰ ব্যাখ্যাৰ মাজেৰে গীতাই জগত, মানৱ আৰু ঈশ্বৰৰ সম্পৰ্কক মানৱীয় দৃষ্টিভঙ্গীৰে বিচাৰ কৰিছে। ইয়াত নিৰ্গুণ ঈশ্বৰৰ দাৰ্শনিক তত্ত্বক সগুণ ঈশ্বৰৰ পাৰ্থিৱ দৃষ্টিভঙ্গীৰে চোৱা হৈছে। সেয়ে গীতা সাৰ্বজনীন; ইতিহাস, ভাষা আৰু ভূগোল সকলোৰে উৰ্দ্ধত আৰোহণ কৰা গীতাক বিশ্ব মনিষাই আকোৱালি ধৰিছে।

ইয়াৰ কাৰণ হ'ল সাংখ্য দৰ্শনে ত্ৰিগুণাত্মক জগতখনক পদাৰ্থ বিজ্ঞানৰ দিশেৰে আধুনিক বিজ্ঞানসন্মতভাৱে আলোচনা কৰিছে, বেদান্তই নিৰ্গুণ ব্ৰহ্মৰ কথা আলোচনা কৰিছে কিন্তু গীতাই জীৱ জগতৰ লগত ঈশ্বৰৰ সম্পৰ্কৰ কথা আলোচনা কৰিছে – মানৱিক দৃষ্টিভঙ্গীৰে। নিগুৰ্ণক গীতাই সগুণ কৰি মানুহক বোধগম্য কৰি তোলাৰ বাবেই গীতাৰ প্ৰতি মানৱৰ এই বিশ্বজনীন হেপাহৰ কাৰণ।

গীতাৰ প্ৰথম অধ্যায়ৰ পৰা নৱম অধ্যায়লৈ শ্ৰীকৃষ্ণই অৰ্জুনক বুজনি দিবলৈ, যুক্তিৰে বলাবলৈ চেষ্টা কৰিলে। এই বুজনিয়ে দশম আৰু একাদশ অধ্যায়ত এক ৰহস্যময় কাব্যিক ৰূপ গ্ৰহণ কৰিলে। তথাপিও উদ্বিগ্ন দ্বিধাগ্ৰস্ত অৰ্জুনৰ চৈতন্য যুক্তিৰে জগাবলৈ সমৰ্থ নোহোৱাত শ্ৰীকৃষ্ণই তেওঁৰ বিশ্বৰূপ বা ঐশ্বৰিক ৰূপ ধাৰণ কৰি অৰ্জুনক বিস্ময়াভিভূত কৰি তুলিলে। অৰ্জুনৰ চেতনা জাগ্ৰত কৰাত এইবাৰ তেওঁ সফলকাম হ'ল। দ্বাদশ অধ্যায়ৰ পৰা অৰ্জুনে শ্ৰীকৃষ্ণৰ প্ৰতিটো বাণী আখৰে আখৰে মানি ল'লে। বিবেকে ভকতিৰ ওচৰত বশ্যতা স্বীকাৰ কৰিলে, সেও মানিলে।

ৰূপক অৰ্থত গীতাত সুৰ্যদেৱতা আত্মাৰূপ, যাক ওপজা পৰতে পৰমাত্মাই গীতাৰ এই নীতিজ্ঞান দান কৰিছে। সকলো আত্মাই পৱিত্ৰ। কাম কৰে মানুহৰ দেহৰ শকতিৰে, সেই কামৰ নিৰ্দেশনা মানুহে লয় হয় বিবেক বা আত্মাৰ পৰা, নহয় মান-অভিমানৰ ভঁৰাল মনৰ পৰা। বিবেক বা হৃদয় নিৰ্দেশিত কাম সহৃদয়তাৰ হেতু বহুজনৰ সুখৰ কাৰক হয়, বহুজনৰ হিত সাধে। মন যদি বিবেকৰ দ্বাৰা

পৰিচালিত নহয়, তেনে মনে কৰোৱা কামে তৰোতাৰহে হিত সাধে, কৰোতাক বিষয়ী কৰি তোলে। মনু বা মনে ইক্ষাকু বা ইচ্ছাৰ দ্বাৰা পৰিচালিত হৈ, মন পিচলি বিচলিত হ'বও পাৰে। দহোটা ইন্দ্ৰিয়ৰে মানুহে জগতখনক উপলব্ধি কৰে; ভোগ কৰে। পৰিস্থিতিৰ দাস হৈ, পৰিস্থিতিৰে মোকাবিলা কৰি কৰি মানৱ নীতিৰ পৰা স্খলিত হ'ব পাৰে। ইবিলাকেই অশান্তিৰ কাৰক হয়। সেয়ে শান্তি বিৰাজ কৰাবলৈ পুনু পুনু মানৱক গীতাখন সোঁৱৰাই থাকিব লগা হয়। য'তে আৰু যেতিয়াই চৈতন্যৰূপী মানৱৰ চেতনা বিলোপ হৈ আহে, অমানৱীয় কামে, অসাধু কামে আগ ঠাই পায়; তেতিয়া ভগৱান জাগি উঠে, নানা ৰূপে অৱতাৰ ধৰি সাধুক পৰিত্ৰাণ কৰিবলৈ দুস্কৃতিক নাশ কৰে। চেতনা আৰু সহৃদয়তা মানৱৰ পৰিচায়ক, সেয়েই মানৱৰ ধৰ্ম। সহৃদয়তাই মানৱক সহনশীল কৰে, সহনশীলা বসুমতি কৰে; সহনশীলতাই সকলো মানৱ সভ্যতাৰ আদি।

ঠোৰতে ক'বলৈ গ'লে গীতাৰ অধ্যায়সমূহ এনে ধৰণৰ – প্ৰথম অধ্যায় - আত্মাৰ মৰণ নাই, অমৰণ, অভগণ, জনমো নাই-মৰণো নাই, ভেদিবও নোৱাৰি, ছেদিবও নোৱাৰি, তিয়াবও নোৱাৰি, শুকাবও নোৱাৰি। আত্মা, নিত্য - গুণাতীত। দ্বিতীয় অধ্যায় – মানৱ দৃঢ়মনা হ'ব লাগে; সুখত উৰুলিকৃত বা দুঃখত বিচলিত হ'ব নালাগে। ধীৰ-স্থিৰ হ'ব লাগে। সকলোৱে নিজগুণে নিজা নিজা ধৰ্ম পালন কৰিব লাগে। (৩)। নিজা ধৰ্ম পালোতে মনত মতলব লৈ কাম কৰিব নাপায়। মই যদি শিল্পী হৈ উপজিছোঁ, তেনে কলাৰ সাধনাই মোৰ ধৰ্ম; সেই কলাৰ সাধনাই মোক ভাত দিব। কিন্তু সেই কলা মই শোষণৰ আহিলা কৰিব নালাগিব।(৪)। মনত মতলব নাৰাখি কৰা কামেই নিষ্কাম কৰ্ম; সি মোক্ষৰ কাৰণ।(৫)। তাক যোগৰ দ্বাৰা অভ্যাস কৰিব পাৰি। (৬)। যোগেই সৰ্বোচ্চ প্ৰাপ্তিৰ কাৰক। নৱম অধ্যায়ত পৰম ব্ৰহ্মৰ ব্যাখ্যা দিয়া হৈছে, ভক্তিৰেও যে আধ্যাত্মিক উপলব্ধি হ'ব পাৰে, তাক কোৱা হৈছে। (৯)। শ্ৰীকৃষ্ণই নিজৰ বিভূতিৰ কথা বখানিছে দশম অধ্যায়ত। একাদশ অধ্যায়ত অৰ্জুনক বিশ্বৰূপ দৰ্শন কৰাইছে, যি ৰূপ ভকতি মাৰ্গত থকা লোকেহে দেখাৰ সৌভাগ্য লভে। পঞ্চদশ অধ্যায়ত পাওঁ প্ৰকৃতি আৰু পুৰুষৰ সম্পৰ্ক বা বস্তু আৰু অধ্যাত্মৰ সম্পৰ্ক। পুণ্যবানে বিচাৰে পুৰুষক, অসত বন্দী হয় প্ৰকৃতি মোহত। (১৬)। ভকতিৰে প্ৰকৃতিক বশিব পাৰি। (১৭)। শেষত অৰ্জুনৰ মনৰ দোধোৰ-মোধোৰ ভাৱ বা মনৰ কুৱলী আঁতৰিছে, হেৰোৱা উদ্যম ঘূৰি আহিছে। জীৱনৰ নীতিৰ ৰণক্ষেত্ৰ – ধৰ্মক্ষেত্ৰ কুৰুক্ষেত্ৰত প্ৰতিজন যুঁজাৰু মানৱে (জীৱনত যুঁজ থাকিবই), উদ্যমৰে সৈতে, নিজ নিজ



গুণ বা ধৰ্ম প্ৰকাশ তথা বিকাশ কৰি, মনক লাভ-লোকচানৰ লোভৰ পৰা মুকলি কৰি, সত্যক বা ভগৱানক সাৰথি কৰি আগবাঢ়ে, সফলতাই তেনে মানৱৰ চৰণ চুমে। আমি জীৱনৰ কুৰুক্ষেত্ৰৰ অৰ্জুনে নীতিৰ শুকুলা ৰথত উঠি সত্যক সাৰথি কৰি ন ন দিগন্তলৈ আগুৱাব পাৰোঁ, হাঁহিমুখে, হাঁহিমুখে।

মুখ্যতঃ গীতা দৰ্শন শাস্ত্ৰ। এই গ্ৰন্থ হ'ল উপনিষদ তথা বেদান্তৰ সাৰ। 'বিষাদযোগ'ত আৰম্ভ হৈ 'মোক্ষযোগ'ত অন্ত পৰা অষ্টাদশোধ্যায়ী গীতাৰ প্ৰতিটো অধ্যায়ৰ শেষত "ওম্ তৎ সৎ ইতি শ্ৰীমহাভাৰতে শতসাহস্ৰাং সংহিতায়াং বৈয়াসিক্যাং ভীষ্মপৰ্বনি শ্ৰীমদ্ভগৱদ্‌গীতা-সুপনিষৎসু ব্ৰহ্মবিদ্যায়াং যোগশাস্ত্ৰে শ্ৰীকৃষ্ণাৰ্জুন সংবাদে … যোগো নাম … অধ্যায়: সমাপ্ত:" বুলি ঘোষণা কৰিছে। মহাকাব্য মহাভাৰতৰ ভীষ্মপৰ্ব ৰচনাৰ সময়ত উপনিষদৰ এই সাৰ ব্ৰহ্মবিদ্যা সেই পৰ্বত নাটকীয় ৰূপত সন্নিবিষ্ট হয়। কৃষ্ণ আৰু অৰ্জুনৰ সংলাপৰ মাধ্যমত আকৰ্ষণীয় ৰূপত দাঙি ধৰা এই ব্ৰহ্মবিদ্যা তথা সৃষ্টিতত্ত্বৰ মাজত জ্ঞানযোগ, কৰ্মযোগ আৰু ভক্তিযোগ এই তিনিৰ বিৰোধহীন সমন্বয় সাধিত হৈছে। আত্মাৰ অমৰত্ব, নিস্কাম কৰ্মযোগ আৰু ঈশ্বৰৰ ওচৰত পৰিপূৰ্ণভাৱে আত্মসমৰ্পণ – গীতাই এই মৰ্মবাণী ঘোষণা কৰি আহিছে। গীতা উপনিষদেই; গীত কৰি গাব পৰাকৈ ৰচনা কৰাৰ বাবেই 'গীতা'।

শ্ৰীমদ্ভগৱদ'গীতা মানৱীয় জ্ঞান আৰু উপলব্ধিৰ সৰ্বোত্তম ফল। ইয়াত দৰ্শন আৰু সাহিত্য দুয়োটাৰে অবিভাজ্য সংশ্লেষণ ঘটিছে। তত্ত্ব-জিজ্ঞাসুসকলক গীতাই তত্ত্বৰ সন্ধান দিছে, আৰু ৰসান্বেষীসকলক দান কৰিছে ৰসৰ সন্ধান। গীতাই কাকো বিমুখ কৰা নাই; কাকো বিমুখ নকৰে।

জীৱনৰ কুৰুক্ষেত্ৰত আত্মাৰূপী ভগৱানক সাৰথি কৰি নীতিৰ শুকুলা বাহনত উঠি, মন উচটাব খোজা বাসনাৰ ৰণুৱা ঘোঁৰাবিলাকক সংযমৰ বাঘজৰীৰে বান্ধি চেতনাৰ চাবুকেৰে কোবাই বল, বুদ্ধি, সামথ্য,ৰে আপুনি জীৱন যুদ্ধত অগ্ৰসৰ হওঁক, এয়ে কামনা। গীতিকাৰে কৈছে "দুষ্ট জনকো চেতনাৰে যুঁজি বীৰৰ যোগ্য হোৱা"। এই অনন্য ৰণনীতিৰে আপুনিও বীৰ হওঁক, ভাৰতীয় বেদান্ত দৰ্শনৰ এই অনুপম মহান প্ৰেমৰ বাণীৰে আপোনাৰ হৃদয় উপচি পৰক।

ইয়াৰে আগতে "অমিত্ৰাক্ষৰ ছন্দত গীতা" বুলি এইখিনি কথাকে আমি প্ৰকাশ কৰি উলিয়াইছিলোঁ বাণী মন্দিৰৰ সহযোগত। বহুকেইজনে সহজ ভাষাতে গদ্যৰূপত বিচৰাত এই প্ৰয়াসটি হাতত

ল'লোঁহক। প্ৰকাশক শ্ৰীনবীন বৰুৱাই কিতাপখন আপোনালোকৰ আগত উলিয়াই দিছে। তেখেতলৈ মোৰ হিয়াভৰা কৃতজ্ঞতা জনালোঁ। গীতাই তেখেতৰ আন মহতী উদ্দেশ্যখিনি, কৰণীয়খিনি সফল ভাবে পালন কৰিবলৈ উদগনি দিয়ক। স্বামী যোগানন্দৰ কথাখিনি যুগুতাই দিলে শাহু আই শ্ৰীযুতা কল্পনা বৰুৱাই, তেখেতলৈ এই বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মুদ্ৰা লিখনৰ পৰা ছপোৱালৈকে ছপাশালৰ কৰ্মীসকলৰ গধুৰ শ্ৰমৰ বাবেও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ব্ৰহ্ম কৃপাহি কেৱলম্।

বিনয়াবনত-

**প্ৰশান্ত কুমাৰ বৰদলৈ**
ডিচেম্বৰ, ২০১৪

"জ্যোতি নিলয়"
দীনবন্ধু ডাঃ প্ৰসাদ বৰদলৈ পথ
তৰাজান, যোৰহাট-৭৮৫০০১

# সূচীপত্ৰ


| | | |
|---|---|---|
| আগ কথা | ৫ | |
| বিষাদ যোগ | ৪১ | মনৰ খুকুৰি |
| সাংখ্য যোগ | ৪৪ | গীতাৰ বিষয় বস্তু সাৰ |
| কৰ্ম যোগ | ৫০ | কৰ্ম কৰাৰ মতি |
| জ্ঞান যোগ | ৫৪ | কৰ্মচয় ভেদ |
| সন্ন্যাস যোগ | ৫৮ | ফলাকাংখ্যা নাশ |
| ধ্যান যোগ | ৬০ | পোন বাটৰ অভ্যসন |
| জ্ঞান-বিজ্ঞান যোগ | ৬৩ | পৰা অপৰা ভেদ |
| অক্ষৰ ব্ৰহ্ম যোগ | ৬৫ | পৰম তত্ত্বৰ উপলব্ধি |
| ৰাজগুহ্য যোগ | ৬৭ | এক দেৱ জ্ঞান |
| বিভূতি যোগ | ৭০ | কৃষ্ণ শ্ৰেষ্ঠ |
| বিশ্বৰূপ দৰ্শন | ৭৩ | ভক্তৰ সাধন |
| ভক্তি যোগ | ৭৭ | কৃষ্ণ লাভৰ পথ |
| ক্ষেত্ৰ-ক্ষেত্ৰজ্ঞ বিভাগ যোগ | ৮০ | দেহ-তত্ত্ব |
| গুণত্ৰয় বিভাগ যোগ | ৮২ | সত্ত্ব-ৰজ-তম |
| পুৰুষোত্তম যোগ | ৮৪ | ঈশ্বৰৰ থিতি |
| দেৱাসুৰ সম্পদ বিভাগ | ৮৬ | মানুহৰ দুভাগ |
| শ্ৰদ্ধাত্ৰয় বিভাগ যোগ | ৮৮ | শ্ৰদ্ধাফল |
| মোক্ষ বা সন্ন্যাসোৎকৰ্ষ যোগ | ৯০ | কৃষ্ণত শৰণ |

প্ৰথম অধ্যায়

# বিষাদ যোগ

## মনৰ খুকুৰি

ধৃতৰাষ্ট্ৰ ঃ ধৰ্মক্ষেত্ৰ কুৰুক্ষেত্ৰত যুঁজিবলৈ লৈ মোৰ আৰু পাণ্ডু পুত্ৰসকলে এতিয়া কৰি আছে,সঞ্জয় ? ।১।

সঞ্জয় ঃ পাণ্ডৱৰ সেনানীক বেহু পতা দেখি দুৰ্যোধনে গুৰু দ্ৰোণ-আচাৰ্য্যৰ কাষ চাপি গৈ ক'লে। ২। "গুৰুদেৱ, আপোনাৰ শিষ্য ধীমান দ্ৰুপদ নন্দনে পাণ্ডৱৰ বিশাল সেনানীৰে কেনে নিপুণ বেহু ৰচিছে চাওঁকছোন।৩। বেহুত ভীমাৰ্জুনৰ সমতুল্য ভালেমান বৰ বৰ বীৰ আছে; ধনুৰ্দ্ধৰ যুযুধান বিৰাট ৰজা আৰু দ্ৰুপদ মহাৰজা আছে। ৪। বীৰ্য্যবান ধৃষ্টকেতু, কাশীৰাজ চেকিতান, নৰশ্ৰেষ্ঠ পুৰজিৎ, শৈব্য, কুন্তিভোজ, যুধামন্য, বীৰ্য্যবান উত্তমৌজা, দ্ৰৌপদীৰ পঞ্চ তনয় সমে সুভদ্ৰাৰ নন্দন অভিমৰ্ন্যু আছে।৫-৬। শৌৰ্য্যবীৰ্য্যত আমাৰ সেনানীও কোনো গুণে হীন নহয়। ৭। হে' দ্বীজোত্তম, আমাৰ পক্ষত কোন কোন বিশিষ্ট বীৰৰ সমাৱেশ ঘটিছে মই আপোনাৰ জ্ঞাতাৰ্থে জনাই থওঁ। ভীষ্ম, কৰ্ণ, কৃপাচাৰ্য, আপুনি নিজেই আছে, জয়দ্ৰথ, সৌমদত্ত, অশ্বত্থমা, ভুৰিশ্ৰৱা আদি ৰণজয়ী সকলো আছে। ৮। আৰু অগণন বীৰ আছে। নানান অস্ত্ৰধাৰী যুদ্ধবিশাৰদ এওঁলোকে মোৰ বাবে প্ৰাণ উছৰ্গিবলৈ সাজু হৈ আছে। ৯। ভীমৰ তলত থকা পাণ্ডৱ সেনা সংখ্যাত বহুত কম। তাৰ তুলনাত পিতামহ ভীষ্মক আৱৰি থকা কৌৰৱৰ সৈন্যবল অপৰ্য্যাপ্ত। ১০। তথাপি আমাৰ পক্ষৰ সকলোটিয়ে বেহু দুৱাৰত নিজৰ নিজৰ স্থানত স্থিতি লৈ পিতামহ ভীষ্মক আৱৰি ৰাখক।১১। (পাণ্ডৱৰ পক্ষত ৭ আৰু কৌৰৱৰ ১১ অক্ষৌহিনী সৈন্য আছিল। এক অক্ষৌহিনীত ১,০৯,৩৫০ জন পদাতিক; ৬৫,৬১০ জন অশ্বাৰোহী, ২১,৮৭০ জন ৰথী, ২১,৮৭০ জন হস্তী বাহিনীৰ সৈন্য থাকে)।

সঞ্জয় ঃ কুৰুজ্যেষ্ঠ প্ৰতাপী ভীষ্ম পিতামহে সকলোৰে মনোবল জগাই তুলিবলৈ শংখৰ ধ্বনিৰে সিংহনাদ কৰিলে, তাকে দেখি দুৰ্যোধনৰ মনত মহা আনন্দ হ'ল। ৰণক্ষেত্ৰ তোলপাৰ লগাই অগণন ৰণভেৰী বাজি উঠিল।১২,১৩। সেই সময়তে অৰ্জুন আৰু কৃষ্ণই দিব্য

শংখলৈ কপিধ্বজত উঠি নিনাদেৰে সঁহাৰি জনালে ।১৪। হৃষীকেশে (কৃষ্ণই) পাঞ্চজন্য, অৰ্জুনে দেৱদত্ত মহাশংখ, ভীমে পৌণ্ড, যুধিষ্ঠিৰে অনন্ত বিজয় নকুল আৰু সহদেৱে সুঘোষ মণিপুষ্পক নামৰ নিজ নিজ শংখ ফুকি নিনাদ কৰিলে। ১৫, ১৬। মহা ধনুৰ্ধৰ কাশীৰাজ, ধৃষ্টদ্যুম্ন, অজেয় সাত্যকি, মহাৰথী শিখণ্ডি, বিৰাট আৰু দ্ৰুপদ ৰজা, দ্ৰৌপদীৰ পঞ্চপুত্ৰসমে সুভদ্ৰা নন্দন অভিমন্যু সকলোৱে নিজা নিজা শংখ ফুকিলে । ১৭,১৮। শংখৰ নিনাদে আকাশ তালফাল লগালত কৌৰৱ সেনানীৰ বুকু কঁপি উঠিল ।১৯। তাৰ পাছে, শুনক মহাৰাজ, কৌৰৱ পক্ষৰ সমৰ প্ৰস্তুতি দেখি অৰ্জুনে কৃষ্ণক প্ৰাৰ্থনা কৰিছে –

অৰ্জুন ঃ সখা, ৰথখন উভয়পক্ষৰে মাজতে ৰখোঁৱাছোন, দুৰ্মতি কৌৰৱপতিৰ লগত থকা আমাৰ প্ৰতিপক্ষক এবাৰ চাই লওঁ। ২৩।

সঞ্জয় ঃ গুড়াকেশ অৰ্জুনৰ কথামতে ৰথখন যুযুধান দুয়ো পক্ষৰ মাজত ৰখাই ভীষ্ম, দ্ৰোণ আৰু ৰাজেন্দ্ৰ মণ্ডলীক দেখুৱাই কৃষ্ণই ক'লে - ।২৪।

কৃষ্ণ ঃ অৰ্জুন, আৰ্য্যভূমি মহাভাৰতৰ, ধৰ্মক্ষেত্ৰ কুৰুক্ষেত্ৰ ৰণপ্ৰাঙ্গণত, সমৱেত হোৱা এই কুৰু বাহিনীক, এফালৰ পৰা চাই লোৱা । ২৫।

(হৃষীকেশে = হৃষীক+ ঈশ = ইন্দ্ৰিয় নিয়ন্তা = কৃষ্ণ)
গুড়াকেশ = গুড়াকা+ঈশ = টোপনি জিনা বা জিতনিদ্ৰ (অৰ্জুন)

সঞ্জয় ঃ প্ৰতিপক্ষ নিৰীক্ষণ কৰি অৰ্জুনে উভয় পক্ষতে আত্মীয় স্বজনক দেখা পালে। তাত আছে পিতৃতুল্য আচাৰ্য্য, মাতুল, শহুৰ, পুত্ৰ, নাতি আদি প্ৰিয় পৰিজনসকল। তাকে দেখি তেওঁৰ মন গভীৰ বিষাদত গধুৰ হৈ পৰিল। ২৬-২৭।

অৰ্জুন ঃ সকলো দেখিলোঁ সখি। যতমানে বীৰ, মহাবীৰ, পিতামহ, গুৰু, ভ্ৰাতা, বন্ধু; সকলোৱে আজি ঘনে ঘনে বীৰদৰ্পে সিংহনাদ কৰিছে । কিন্তু সখি, তেওঁলোকক দেখি মোৰ শৰীৰ অৱশ অৱশ লাগিছে, আশংকাত মুখখন শুকাই গৈছে। ২৮। গাত কঁপনি উঠিছে, গাৰ লোম শিহৰি উঠিছে। গাত পোৰণি উঠিছে, হাতৰ পৰা গাণ্ডীৱ খহি-খহি পৰিছে। ২৯। হে' কেশৱ! মই আৰু থিৰেৰে থাকিব নোৱাৰিম, মোৰ মূৰ ঘূৰাইছে, মই লক্ষণবোৰ ভাল দেখা নাই। ৩০। আত্মীয় স্বজন বিনাশত মই একো মঙ্গল দেখা নাই। মোৰ ৰণতৃষ্ণা পলালে, ৰাজ্যৰ কামনা বিসৰ্জ্জন দিলোঁ। আত্মীয়ৰ শ্মশানত বহি সুখ ভোগ কৰিবলৈ মোৰ কোনো হাবিয়াস নাই । ৩১। হে' গোবিন্দ, যাৰ বাবে ৰাজ্যৰ স্বামীত্ব বিচাৰিছোঁ, বিচাৰিছোঁ ভোগৰ অমৃত আৰু অমিয়া মাধুৰি, সেই আচাৰ্য্য, পিতৃ - পিতামহ, মোমাই, শালপতি, লৰা-



লুৰি, নাতি-পুতি গোটেইখন আজি কুৰু প্ৰাঙ্গণত সমৱেত হৈছে । ধন প্ৰাণ এৰি খাওঁ খাওঁ মূৰ্ত্তি ধৰি আছে । হে' মধুসূদন, যদিও কৌৰৱপক্ষই আমাক কেনেকৈ নাশ কৰোঁ এই ভাবি অতি উদগ্ৰীৱ হৈ আছে, ৰাজ্য লাভ তেনেই তুচ্ছ কথা, তাৰ মই কথাকে নকওঁ, ৰণজয়ে যদি ত্ৰৈলোক্যও লাভ হয় তথাপিতো মই ৰণ কৰিব নোৱাৰোঁ । কৌৰৱ কুল বিনাশি পাণ্ডৱৰ কি লাভ হ'ব, কোৱা জনাৰ্দ্দন। ৩২-৩৫। পাপীষ্ঠ পামৰ কুৰুকুল বিনাশিলে স্বামীহীনা ভাগ্যহীনা কৌৰৱৰ বহু ৰমণীয়ে কান্দি কান্দি পাণ্ডৱক অভিশাপ দিব । জ্ঞাতি নাশ কৰি, বংশ নাশ কৰি মিত্ৰদ্ৰোহ কৰি পাপৰ কালিমা কিয় গাত সানি লওঁ, কিয় মহাপাপ লওঁ ওচৰ চপায়? ৩৬। হে' জনাৰ্দ্দন, অতি লোভত পৰি মন্দমতি লুভীয়া কৌৰৱে মিত্ৰদ্ৰোহ কুলক্ষণৰ পাপ কি নুবুজিব পাৰে, কিন্তু আমিতো জানোঁ। অবুজৰ লগত পৰি জানি বুজি নিজ পথ আমি কিয় পাহৰোঁ? ৩৭,৩৮। বংশ বিপন্ন হ'লে বংশৰ মৰ্যাদা লয় পায় । আৰু তেনে সুযোগতে অধৰ্ম সোমাই অৱশিষ্ট বংশটিক পৰাভূত কৰে। ৩৯। হে' কৃষ্ণ! বংশত যদি অধৰ্মৰ প্ৰাদুৰ্ভাৱ ঘটে, কুলবধূসকলক অৰক্ষিত কৰি অসতী কৰিব পাৰে। তেতিয়া বৰ্ণশঙ্কৰ সন্তানৰ জন্ম হ'ব পাৰে । ৪০। পিতৃ পুৰুষৰ পিণ্ডক্ৰিয়াৰ ফল জাৰজে দিলে লোপ পায়, ফলত তেওঁলোক নৰকতহে পতিত হ'ব। ৪১। কুলধৰ্ম, সনাতন ৰীতি ধ্বংস হৈ জাৰজ জন্ম দিলে সমস্ত কুলক অধৰ্মই গ্ৰাস কৰে। যিজনে বংশ বিনাশৰ সূচনা কৰে, তেওঁ জনা উচিৎ যে তেনে কাৰ্য অতি ঘৃণনীয়। ৪২। হে' জনাৰ্দ্দন! শুনিছোঁ যাৰ কুলধৰ্ম নাশ হয় তেওঁ সবংশে পাপত পৰে, চিৰকাল ৰৌ ৰৌ নৰকত পচে। ৪৩। হায় বিধি, আজি আমি জানি শুনি নৰকলৈ যোৱাৰ পথটোহে বিচাৰিছোঁ । পৃথিৱীৰ এচুকৰ এচিকটা মাটি, তাকে ৰাজ্যধন বুলি, আত্মীয়ৰ শ্মশানত বহি খামুচিব খুজিছোঁ । ৪৪। মই এয়া ধনুশৰ সামৰিলোঁ, নালাগে মই যুদ্ধ কৰাত নাই। নিৰস্ত্ৰ ৰূপত সমুখত পাই কৌৰৱে যদি মোক মাৰিও পেলায়, মাৰক, তাতে মই সুখ পাম। সেয়াও বহু ভাল । ৪৫।

সঞ্জয় ঃ এই বুলি ধনুশৰ থৈ, মনৰ দুখত মধ্যম পাণ্ডৱ অৰ্জুন বিষাদত ৰথতেই বহি পৰিল । ৪৬।

## দ্বিতীয় অধ্যায়

# সাংখ্য যোগ
# গীতাৰ বিষয় বস্তু সাৰ
# (মনৰ খুকুৰি গুচুৱাৰ সন্ধান)

সঞ্জয় ঃ সখি অৰ্জুনৰ লোতকেৰে ভৰা নয়নজুৰি দেখি আৰু থোকাথুকি মাত শুনি চেনেহেৰে শ্ৰীমধুসুদনে অৰ্জুনক ক'লে। ১

কৃষ্ণ ঃ শুনা পাৰ্থ, যুদ্ধ এই লাগো লাগো, এনেকুৱা মুহূৰ্ত্তত তুমি এইখন কি অমুৰি ধৰিছা? এইটো অনাৰ্য্যৰ দৰে আচৰণ কৰিছা। অপযশৰ মোহ তোমাৰ মনত কেনেকৈ সোমাল মই আচৰিত হৈছোঁ? ইয়াকেই আশা কৰি ধৰ্মৰ নন্দনে তোমাক পাণ্ডৱৰ মুখ্য সেনাপতি বৰণ কৰিছিলেনে ? ২। পাৰ্থ মহাবীৰ, তুমি অৰাতি বিজয়ী ক্ষত্ৰিয় সন্তান নোহোৱানে? এনে নিৰুদ্যমে, এনে কাতৰতাই তোমাত শোভা নেপায়। ক্লীৱত্ব ত্যাগ কৰাঁ, হৃদয়ৰ পৰা দুৰ্বলতা ত্যাগ কৰাঁ ধনঞ্জয়; সেয়া অতি নিন্দনীয়, অতি অশোভন। ৩।

অৰ্জুন ঃ হে' মধুসুদন (মধু দানৱক বধ কৰোঁতা) সখা, পিতামহ, আচাৰ্য্যৰ দৰে পূজ্যজনক, যাক মান কৰি আজি অতদিনে দেৱতাৰ দৰে পূজি আছোঁ, সেই সকলৰ গালৈ শৰ নিক্ষেপ কৰি মই কিদৰে যুদ্ধ কৰিম কোৱাঁ? ৪। যিজনাৰ পৰা দীক্ষা লাভ কৰিলোঁ, সেই মহাগুৰুক নাশি, শিক্ষাদাতা দীক্ষাদাতা গুৰুৰ তেজেৰে হাত ৰাঙলী কৰিমনে? যিজনাৰ আঙুলিত ধৰি আমি মাউৰা পঞ্চভ্ৰাতাই ধৰণীত খোজ ধৰিছিলোঁ, তেনেজন পিতামহ ভীষ্মৰ তেজেৰে হাত ৰাঙলী কৰিমনে? নাই নাই, লাগিলে খুজি মাগি খাম কিন্তু গুৰুসকলক বধি মোক ৰাজ্যও নালাগে, সম্পদো নালাগে। ৫। মোৰ মন এতিয়া দোধোৰ-মোধোৰ লাগিছে, চিন্তাত আউল লাগিছে। জয় বা পৰাজয় কোনটিনো ভাল একোকে ধৰিব পৰা নাই? এহাতেদি জয়লাভ হ'লে আমাৰ অতুল বৈভৱ হ'ব, আনহাতে বংশনাশ যদি কৰোঁ তেনে ঘোৰ পাপ হ'ব। যদুপতি, করুণাময়, চিন্তা কৰি বিমোৰ হৈছোঁ, মোৰ হিয়াখন একেবাৰে পদুম পাতৰ পানীৰ দৰে অতি চঞ্চল হৈ পৰিছে। কি কৰা উচিৎ হ'ব মই একো ওৰ পোৱা নাই। ৬। সম্ভাব্য জ্ঞাতি নাশৰ তাপে পৰাণ দহিছে; অন্তৰ্দাহী দুখ বেদনাই মনৰ উদ্যম হৰি নিছে। যদি দেৱতা কুলকো জয় কৰোঁ, অৰিশূন্য বিশাল ভূখণ্ডও লাভ



কৰোঁ, তথাপিতো সেই তাপ শাঁত নপৰিব। ৭-৮। কি কৰা সজ হ'ব দয়া কৰি উপদেশ দিয়া, মোৰ নিজ কৰ্ম পথ চিনি লওঁ। মই তোমাৰ শৰণাগত হ'লোঁ।

সঞ্জয় ঃ সমৰ নকৰোঁ বুলি শমন (শত্ৰু) দমনকাৰী মধ্যম পাণ্ডৱ মৌন হৈ ৰ'ল। ৯। তাকে দেখি মিচিকিয়াই হাঁহি হৃষীকেশে বিষাদত ভাগি পৰা শোকাৰ্ত্ত পাৰ্থক ক'লে। ১০।

কৃষ্ণ ঃ সখা অৰ্জুন, যিটো শোকৰ অযোগ্য তাৰ প্ৰতি শোক কৰিছা, ইফালে আক' জ্ঞানীৰ দৰে মোক কথাবিলাকো কৈছা? শুনা পাৰ্থ, জীৱন মৰণৰ কথা ভাবি পণ্ডিতসকলে কেতিয়াও শোক নকৰে। ১১। তুমি, মই কিম্বা এই ৰাজন্যমণ্ডলী পূৰ্ব জনমত ধৰাত যে আলহি নাছিলোঁ এই কথা কদাচিতো মনলৈ নানিবা। পুনৰ কোনোবা এদিন বিশ্ব বসুধাৰ কোনো এচুকত আমি সকলোটি একেলগ হ'ম। জানি থোৱা, যদিও কায়াৰ হানি হয় আত্মাৰ হানি নহয়। ১২। কৈশোৰ, যৌৱন ত্যাগি জীৱনে যিদৰে জড়াৰ মাজেৰে আহি মৰণ সাৱটে, সেইদৰেই আমাৰ কায়া এৰি জীৱই আন কায়া গৃহলৈ গুচি যায়। চিৰন্তন এই নিয়মত জ্ঞানীজন কাতৰ নহয়। ১৩। হেৰা কুন্তীৰ তনয়, বাহিৰৰ বিষয়ৰ লগত আমাৰ ইন্দ্ৰিয়ৰ সংযোগ হৈ জাৰ-জহ, সুখ-দুখ আদি ইন্দ্ৰিয়গ্ৰাহ্য অনুভৱবিলাকৰ উৎপত্তি হয়। এইবিলাকৰ আদি আছে অন্ত আছে, অলপ পৰ হে থাকে। গতিকে ইহঁতক সমানে সহিবা, মোহ দূৰ কৰাঁ। ১৪। হে' ভাৰত শুনা, সুখে-দুঃখে সমজ্ঞানী ধীৰ-স্থিৰ হৈ যিজনাই সন্মোহন, লোভ সামৰিব পাৰে; বিষাদক কদাপি প্ৰশ্ৰয় নিদিয়ে সেইজনেই মুক্তিলাভ কৰে, অমৃত হয়। ১৫। যি সদায় থাকে সেয়ে সঁচা বা সৎ (আত্মা)। যি ক্ষন্তেকীয়া সেয়ে মিছা বা অসৎ (দেহ)। অসতৰ আদি-শেষ আছে, সৎ অনাদি-অনন্ত। অনিত্যৰ থিতি নাই, নিত্যৰ ক্ষয় নাই, পৰিৱৰ্ত্তন নাই। ১৬। সেয়ে সত্য-নিত্য ধন, দেহৰ অতীত আত্মা নিত্য, অবিনাশী, তাৰ হানি-বিঘিনি একোৱেই নাই, সনাতন। জীৱনত মানৱী দেহাৰহে বিনাশ হয়, তাকে বুজি যুদ্ধ কৰাঁ। আত্মা অমৰণ অভগণ ধ্বংসৰ অতীত। ১৭-১৮। আত্মাই নিজে একো নকৰে, কাকো নামাৰে, অকৰ্ত্তা; আৰু ই নিজেও নমৰে। ইয়াৰ জন্মও নাই, মৃত্যুও নাই, বয়সো নাই, উৎপত্তিবিহীন। আত্মা অনাদি অনন্ত, নিত্য; নিৰঞ্জন। শৰীৰৰ বিনাশ হয় যদিও আত্মাটো পুৰণি। ১৯-২০। জন্ম নোহোৱা, অমৰ, গাত কালৰ আঁচোৰ পৰিব নোৱাৰা আত্মাক নশ্বৰ দেহৰ সেই কণমানি সজাটিত সুমাই ৰাখিব নোৱাৰি। ২১। হে' পাৰ্থ, আমাৰ পোছাক পাতি ফাটিলে-ছিটিলে, জৰাজীৰ্ণ হ'লে যিদৰে সলাওঁ, জড় দেহ এৰি সিদৰেই আত্মাই

বাহন সলায়। ২২। ইয়াক জুয়ে নোপোৰে (অদাহ্য), ই পানীত নিতিতে (অক্লেষ্ট), ব’দে বতাহে শুকাব নোৱাৰে (অশোষ্য)। আত্মাক ভেদিবও নোৱাৰি, ছেদিবও নোৱাৰি (অচ্ছেদ্য)। আত্মা অমৰণ, অভগন, বিকাৰ ৰহিত। আত্মা অচল, সনাতন, সৰ্বব্যাপ্ত, অদৃশ্য, অচিন্ত্য; যাৰ স্থিতিয়েই মাথোঁ সাৰ ।২৪,২৫। তথাপিতো অতিথি আত্মাকে তনুৰ গৰাকী বুলি ভাৱি যদি ভুল কৰা তেতিয়াও বিষাদৰ কাৰণ নেদেখোঁ । ২৬। জন্মিলে মৰিব লাগে এয়া চিৰন্তন ৰীতি, পালন কৰিবই লাগিব। কিন্তু পুনৰ জন্মিব যেতিয়া শোকৰ কি কাৰণ থাকিব পাৰে? ২৭। ক’ৰ পৰা আহি জীৱ কেনি গুচি যায়, কোৱা পাৰ্থ, তাৰ জানো উত্তৰ কোনোবাই পায়? জন্মৰ আগত কিম্বা মৃত্যুৰ পাছত কি আছে জগতে নাজানে। ই অব্যক্ত। মাজৰ জীৱন ছোৱাহে ব্যক্ত। জন্মৰ আদিও অব্যক্ত, অন্তও অব্যক্ত। গতিকে শোকৰ কষ্ট নল’বা। ২৮। কোনোৱে আত্মা অতি বিস্ময়কৰ বুলি কয়, কোনোৱে এই বুলিয়েই শুনিছে বোলে ই দুৰ্বিজ্ঞেয়, ৰহস্যই সাৰ, যিমানেই বুজিবৰ দুৰ্নিবাৰ চেষ্টা নকৰাঁ, আশ্চৰ্য্যৰ বিনে আন একোকে নাপাবাঁ। আত্মাৰ প্ৰকৃত তত্ত্ব কোনোৱে নুবুজেও নুগুণেও। পৰম আত্মাৰ কদাপি বিনাশ নহয় । সেয়ে দেহৰ পতনে জন্মাব পৰা মনৰ বেজাৰ এৰি হাতত গাণ্ডীৱ তুলি লোৱাঁ । ২৯। সমৰত ৰণ কৰা ক্ষত্ৰিয়ৰ ধৰ্ম, ন্যায় যুদ্ধৰে ক্ষত্ৰিয় কুলৰ ধৰ্ম ৰক্ষা হয়। স্বধৰ্মত মন দিয়া, কঁপিছা কিয়? ৩১। ভাগ্যবান ক্ষত্ৰিয়ৰ বিনে এনে ধৰ্ম যুদ্ধ সবাৰে ভাগ্যত নিমিলে। ৩২। কৰ্ত্তব্যত পৰান্মুখ হৈ স্বেচ্ছাই যদিহে তুমি সমৰ ত্যাগ কৰা, তেনে জগতৰ বীৰৰ সমাজে শতমুখে গঞ্জনা দিব, ভীৰু বুলি অপবাদ দিব। গুণীলোকৰ অপযশ হোৱাতকৈ মৰণ হোৱাই শ্ৰেয়। ৩৩-৩৫। শত্ৰুৰ অপবাদ, সামৰ্থ্যৰ নিন্দাবাদ, কোন প্ৰাণে, কোন মনে সহিবাঁ পাৰ্থ? হে’ কৌন্তেয়, ধৰ্ম যুদ্ধত তৰিলে দেশ মৰিলে স্বৰ্গ লাভ। উঠা পাৰ্থ, দৃঢ়মনে সমৰ ক্ষেত্ৰত আগবাঢ়া । সুখ-দুখ, লাভ-ক্ষতি, জয়-পৰাজয়ৰ খতিয়ান লোৱাৰ প্ৰয়োজন নাই। ধৰ্ম সেয়েই, তাত অলপো সংশয় নাই। ৩৮। আত্মতত্ত্ব বা সাংখ্যৰ জ্ঞানৰ কথাখিনি মই তোমাক ক’লোঁ। ইয়াৰ পাছত কৰ্মযোগৰো কথা কৈ থওঁ ।৩৯। কৰ্মযোগ মতে কাৰ্য্য সমাপন হ’লে কৰ্মবন্ধনৰ শৃংখল মুক্ত হয়, বিঘিনি ৰহিত হয়, কাৰ্যত সফল হয়। নিস্কাম কৰ্মত পাপো নাই, নাশো নাই। এনে পথত চলিলে মানৱৰ পৰিত্ৰাণ হয়। ৪০। হে’ কুৰুনন্দন, ফলৰ আকাংক্ষা, বাসনা ত্যাগ কৰিলে বা নিস্কাম হ’লে মানুহৰ মন একাগ্ৰ হয়। সকাম কৰ্মত মনৰ স্থিৰতা হেৰায়, মনৰ হেঁপাহ নপলায়, বাঞ্চা বহুধা বিভক্ত হয়। ৪১। লোভৰ কথাত মূৰ্খহে মোহ যায়। তেনে বোধহীন অজ্ঞানীজনে পাৰ্থিব



ৰতন আশা কৰি দেৱতাৰ তুষ্টিৰ বাবে শাস্ত্ৰৰ বিহিত যাগ-যজ্ঞ আয়োজন কৰে। ভোগ বিভূতিৰ লালসাত কামাসক্ত হৈ তেওঁৰ ৰতি বাঢ়ি যায়। ৪২-৪৩। এইবিলাক কথাত যি বিচলিত হয়, তেওঁ মনৰ স্থিৰতা হেৰুৱায়। ফলত তেওঁ কেতিয়াও সমাধিস্থ হ’ব নোৱাৰে। ৪৪। বেদ হ’ল ত্ৰিগুণ বিষয়ী, ত্ৰিগুণ প্ৰকৃতিৰ কথা তাত কোৱা হৈছে। তুমি ধীৰ-স্থিৰ হৈ গুণৰ অতীত নিৰ্গুণ হোৱাঁ, ব্ৰহ্মনিষ্ঠ হোৱাঁ। ৪৫। সখা, অস্থিৰ নহ’বাঁ, মোৰ কথা শুনাঁ, বানপানীত গোটেইখন পানীত বুৰ যায়, তেতিয়া পানীৰ বাবে পুখুৰীৰ কোনো প্ৰয়োজন নাই। সেইদৰেই ব্ৰহ্মজ্ঞানী মহাজনে বেদৰ বিধানমতে হাতত কৰ্ম আঁচনি লোৱাৰ প্ৰয়োজন নাই । ৪৬। কৰ্ম কৰি যোৱাটোহে তোমাৰ অধিকাৰৰ ভিতৰুৱা, কৰ্মফলটোত নহয় । ৪৭। সখি, একাগ্ৰ হৈ ফলাকাংক্ষা এৰি নিজৰ কৰণীয় কৰি যোৱাঁ, সিদ্ধি-অসিদ্ধি বা ফলাফলত নিৰ্লিপ্ত হৈ কাম কৰাঁ। কাম কৰোঁতে এইটো মই কৰিছোঁ, সেইটো মই কৰিছোঁ এইবোৰ ভাৱ মনলৈ আহিবলৈ নিদিবাঁ। এই সমতাকে যোগ বুলি কয়। ৪৮। মনত কামনা লৈ কাম কৰিলে সেই কৰ্ম অতি নীচ কৰ্ম হয়। তেনে কৰোঁতাজনো তেনেকুৱাই হয়। গতিকে কৰ্মবুদ্ধি, মানে ব্ৰহ্মজ্ঞানৰ আশ্ৰয় লোৱা। ফলাফল অভিলাষীসকল সদায় কৃপাপাত্ৰ হয়। নিস্কাম ভাৱনাতহে চৈতন্য বিলীন হয়। ৪৯। বুদ্ধিযুক্ত বা যোগী মনীষাই কৰণীয় কৰ্মৰ ভাল বেয়া ফলাফল বিচাৰ নকৰে। কৰ্মৰ এইটি কৌশলেই হ’ল যোগ । গতিকে যোগী হোৱাঁ। ৫০। জ্ঞানীজনে যোগীজন হৈ ফলত্যাগী হয়। তেওঁ জনম মৰণৰ বান্ধোন ছেদি, অনাময় পদ লাভ কৰে, সেই জীৱনে পৰমপদ লভে, মুক্তি লাভ কৰে। ৫১। যেতিয়া তোমাৰ বুদ্ধিয়ে মায়া মোহৰ সীমাৰেখাডাল পাৰ হ’ব, তেতিয়া ধন– জন, স্বৰ্গ প্ৰাপ্তি যিবা লাভালাভ সকলোবিলাক অসাৰ লাগিব । ৫২। চৈতন্য ভাৱত অস্থিৰ চিত্ত স্থিৰ হ’ব, জীৱনৰ যোগ লাভ হ’ব। স্থিতপ্ৰজ্ঞতাই ক্ৰমোন্নতিৰ শেষ স্তৰ নহয়, সমাধিস্থ অৱস্থাতহে আত্মজ্ঞান হয় । ৫৩।

অৰ্জুন ঃ সখা, তুমি যিমানে তত্ত্ব উপদেশ শুনালা সেইবিলাক আখৰে আখৰে সঁচা বুলি জানোঁ। কিন্তু হে’ কেশৱ, স্থিতপ্ৰজ্ঞ সমাধিস্থ কোনজন কিদৰে বুজিম? মাতে-কথাই, ৰীতি-নীতি, খোজে-কাটলে তেওঁক কেনেকৈ চিনিম ।৫৪।

কৃষ্ণ ঃ শুনা পাৰ্থ, মনত উদয় হোৱা বাসনা নেওচি যিজনাই আত্মাৰাম হয়, তেঁৱেই স্থিতপ্ৰজ্ঞ। ৫৫। সুখেও তেওঁৰ ওচৰ চাপিবলৈ সাহ নকৰে, দুঃখেও তেওঁক ভৰ কৰিবলৈ সুবিধা নাপায়। তেওঁ খঙ আৰু ভয় আঁতৰতে ৰাখি থয়, দুখত কাতৰ নহয়, সুখত আহ্লাদিত

আসক্তিও নাথাকে আৰু বিৰাগো
নহয়। ৫৬। মনত ভাল-বেয়া আসক্তিও নাথাকে আৰু বিৰাগো
নাথাকে, প্ৰশংসাতো যাৰ বুকু ফুলি নুঠে, বিপদত অচল- অটল হৈ
ৰয়, সুখ কিম্বা দুখৰ পৰত সদানন্দ হৈ থাকে - তেনেজন গুণাতীতকে
স্থিতপ্ৰজ্ঞ বোলে। ৫৭। সখা, কাছই যিদৰে শৰীৰ কোচাই থয়,
প্ৰজ্ঞাবানেও সেইদৰেই নিজৰ মাজতে ইন্দ্ৰিয়ক দমন কৰি ৰাখে,
জিতেন্দ্ৰিয় হয়। ৫৮। তেওঁলোকে বিষয়ৰ সুখক দূৰতে বিদূৰ কৰে।
বিষয়ৰ সুৰ ৰিণি ৰিণি শুনিলেও বাসনা নিবৃত হৈ আত্মাৰাম হোৱা
স্থিতপ্ৰজ্ঞজনে তাক অনায়াসে দূৰ কৰে। ৫৯। অৰ্জুন, বিষয়ৰ সুখ
অদম্য, ই মোক্ষপ্ৰয়াসী জনৰো বাৰম্বাৰ চিত হৰি নিয়ে । ৬০। হে’
পাৰ্থ, ইন্দ্ৰিয়ক সংযত কৰি, কামনা-বাসনা ত্যাগ কৰি অনন্য চিত্তেৰে
সমাহিত হৈ মোতেই শৰণ লোৱাঁ। মোৰ ভকতসকলে ইন্দ্ৰিয় দমন
কৰি বুদ্ধিক প্ৰতিস্থা কৰি লয়। ৬১। বিষয় চিন্তাই মানুহৰ ভোগ জন্মায়,
ভোগত কামনা আৰু কামনাত ক্ৰোধ উৎপন্ন হয়। ৬২। ক্ৰোধত মোহৰ
উদয় হয়, মোহত স্মৃতিৰ বিভ্ৰম ঘটে; বিভ্ৰমত বুদ্ধিনাশ হয়, হিতাহিত
ভেদাভেদ কৰিব নোৱাৰা হয়। ৬৩। খঙ-ৰাগ নথকা মানুহৰ মনত
অপাৰ সন্তুষ্টি। যিজনাই ৰাগ-বিৰাগ সম্বৰণ কৰিব পাৰিছে, তেওঁ
ইন্দ্ৰিয়কো বশীভূত কৰিলৈ বিষয়ৰ সুখ ভোগ কৰিব পাৰে। ৬৪।
বুদ্ধি স্থিৰ কৰি ব্ৰহ্মময় হোৱা, তেনেজন চৈতন্যমূৰ্তি সন্তৰ চিত্তৰ
সন্তুষ্টিয়ে দুঃখ বিনাশ কৰে। ৬৫। সখা, বুদ্ধিহীনজনৰ আত্মধ্যান জন্ম
নহয়। মোৰ সতে আত্মাৰে মিতালি পাতাঁ। আত্মাৰে পৰম আত্মাৰ মিলন
হ’লে মানৱৰ সমস্ত দুখৰ ওৰ পৰে। বাসনাক পৰাভূত কৰি চিত্ত শান্ত
সমাহিত হয়। যিজনাৰ শান্তি নাই, সাক্ষাৎ জানিবা, তেওঁৰ বিশাল
সাম্ৰাজ্য থাকিব পাৰে, তেওঁৰ অতুল বৈভৱ থাকিব পাৰে, কিন্তু সুখত
তেওঁ নিচেই কাঙাল । ৬৬। সখি, বিষয় সুখত নিমজ্জিত হ’লে জীৱনৰ
তৰি পালহীন হয়। তাক নিজ ইচ্ছামতে চলাব নোৱাৰাঁ, সি কদাপি
তাৰ লক্ষ্য তীৰ নাপায়। ৬৭। যিজনা পুৰুষ ইন্দ্ৰিয় সংযমী, বিষয়
বাসনাৰ পৰা বহু বহু দূৰত থাকে, তেঁৱেই জ্ঞান লাভ কৰে। ৬৮।
সুখ-দুখ, লোভ-মোহ, শান্তি-অশান্তিৰে সাধাৰণ মানুহে জীৱন কটায়।
তাকেই তেওঁলোকে জাগ্ৰত অৱস্থা বুলি, দিন বুলি ভুল কৰে। মাথোন
আত্মজ্ঞানী সাধকেহে এই জগতখন মিছা বুলি বুজি পায়, সেয়া আত্মাৰ
দুঃস্বপ্ন নিশাৰ আগজাননী বুলি বুজি সাধুজন পৰম শান্তিত শুই থাকে।
৬৯। পাৰ্থ, নীলিম সলিল ৰাশিত যদিও বহু নদ-নদী বিলীন হয়
তথাপিতো সাগৰৰ বুকু ফুলি নুঠে; পাছে বান যদি নাদত সোমায়,
তাৰ বুকু ফুলি উঠে, পানী ঘোলা হয়। সামান্য কথাতে চিত্ত বিক্ষেপ
হ’লে সজ্জনৰো নাও বুৰ যায়, বুদ্ধিৰ চানেকি লোপ পায়। যদি জ্ঞানী



হ’ব পাৰা, চিত্তত বিষয় সোমালেও, ধীৰ স্থিৰ, অচল অটল হৈ থাকিব পাৰিবা। সাগৰে নদী গিলি লৰচৰ নকৰাকৈ থকাৰ দৰে সদা সংযমীয়েও কামনা গিলি অলৰ-অচৰ হৈ থকিব পাৰে। ৭০। কামনা বিহ্বল নহ’লে, মই, মোৰ - এনে ভাৱ থাকিব নোৱাৰে। শান্তিৰ শীতল ছায়াত অময়া সুখত জীৱন যাপন হয়। ৭১। সংসাৰৰ আলি দোমোজাত কোনোদিনে বাট নেহেৰায়। তেওঁৰ জীৱন তৰিয়ে লক্ষ্যতীৰ পায়। যদি অন্তিম পৰতো সমস্ত ভূতকে আপোনাৰে ঘৰ যেন লাগে সিজনেই সদানন্দৰ ধাম লভে। এয়ে ব্ৰাহ্মীথিতি – জীৱনমুকুতি। ৭২।

28718

• তৃতীয় অধ্যায়

# কৰ্ম যোগ
## কৰ্ম কৰাৰ মতি

অৰ্জুনঃ হে' জনাৰ্দ্দন, মই তোমাৰ কথা বুজিবলৈ টান পাইছো। যদি সমাধিস্থ বুদ্ধিয়েই শ্ৰেষ্ঠ, তেনেহ'লে মোক যুদ্ধ কৰিবলৈ কৈ আছা কেলেই? ১। মোৰ মনত খেলিমেলি লাগিছে। আঁৰ বেৰ ভাঙি কোৱাছোন - জ্ঞানৰ পোহৰ নে নিস্কাম কৰ্ম - কোন পথে বাৰু জীৱৰ পূৰ্ণতা আহে, কোনটো পথ শ্ৰেষ্ঠ। ২।

কৃষ্ণঃ শুনা হে'ৰা নিস্পাপ (অনঘ) অৰ্জুন, শান্তিময় ধাম পাবলৈ সাংখ্যযোগ আৰু কৰ্ম যোগ, এই দুয়োটিয়েই সাধনাৰ পথ। জ্ঞানীজনে জ্ঞানমাৰ্গে আগুৱান হয়, যোগীজনে নিৰ্লিপ্ত কৰ্মৰে। ৩। কামত বৰাগী হৈ গেৰুৱা বসন পিন্ধিলেই জ্ঞানীজনে সিদ্ধিলাভ কৰে বুলি নাভাবিবাঁ। ৪। প্ৰকৃতিৰ গুণ বশতহে মানুহে কৰ্ম কৰে। যিদিনাই চকু মেলিলাঁ তেতিয়াৰে পৰা উশাহ-নিশাহ আৰু শোৱন-খাৱন সকলোটি কৰ্ম অবিৰাম চলি আছে। তাৰ শেষ হ'ব মাথোঁ যেতিয়া জীৱনৰ শেষত চকু মুদিবাঁ। গতিশীল জগতত কৰ্ম কোনোটি ক্ষণত কদাপি থমকি নৰয়। ৫। বাসনা ত্যাগহে প্ৰকৃত সন্ন্যাস, নিস্কাম কৰ্মেৰেহে হৰিৰ সাক্ষাত হয়। স্থিতপ্ৰজ্ঞৰ অভিনয় কৰি মনৰ ছাটিফুটি বাসনা ঢাকি ৰাখি, আলফুলে কামনাৰ ছবিটি যি সাঁচি ৰাখে তেনেজন মূঢ়মতি, পাপীষ্ঠ পামৰ, মিথ্যাচাৰী। ৬। পাৰ্থ, যিজনে বিষয়ত অনাসক্ত হৈ মনেৰেই বাসনাক বশীভূত কৰে, ফলাকাংক্ষা কাটে তেনেবোৰ ইন্দ্ৰিয়ৰে কৰ্ম কৰিও তেওঁ শ্ৰেষ্ঠতৰ হয়। ৭। অকৰ্মত যি কালক্ষয় কৰে, শৰীৰৰ যাত্ৰাতো একো সিদ্ধি নলভে। ৮। কৰ্ম নকৰাকৈ যজ্ঞ কৰিলে বন্ধনৰহে ভয়, সেয়ে অনাসক্ত হৈ কাম কৰিব লাগে। ৯। সৃষ্টিৰ প্ৰথম পুৰাত মানুহ দেৱতাক স্ৰজন কৰি যাগ-যজ্ঞ পবিত্ৰ মোক্ষম ব্ৰহ্মাই উপহাৰ দিছিল, হিয়া ভৰা আশীষ দিছিলে - যজ্ঞ কৰ্মেৰে অভীষ্ট লাভ হওঁক। ১০। যজ্ঞৰ অৰ্চনা লভিলে দেৱকুল হৰ্ষ দায় হয়, দেৱ আৰু মানৱৰ সুখৰ আদান-প্ৰদান হয়, জগতৰ কল্যাণ বাঢ়ে। ১১। দেৱ আৰু অতিথিক অভ্যৰ্থনা কৰি, দেৱ পূজা ভাগ শেষ কৰি বৈ যোৱা ক্ষুদকণাকে পৰম তৃপ্তিৰে ভোজন কৰিলে জীৱনৰ বাট



নিকা হয়; হৰিৰ চিন্তাত মজিবলৈ স্মৃতি নিকা নিৰ্মল হয়। দেৱতাক যাচিবলৈ পাহৰি, দেৱদত্ত তেনে ভোগ গোপনে অকলে অকলে ভোজন কৰিলে তেনে কাৰ্য্য অসাধু হয়, কৰোঁতাজন চণ্ডাল হয়। ১২। তেনেজন পাপীষ্ঠৰ সদায়ে অভাৱ। তেওঁ মাথোঁ নিজৰ বাবেহে ৰান্ধে, সংসাৰৰ পাপকে যতমানে ভোজন কৰে। ১৩। প্ৰাণী অন্নত পালিত হয়, অন্ন পালিত হয় বৃষ্টিৰে। মেঘৰ সৃষ্টি হয় যজ্ঞত, যজ্ঞ কৰ্মত। বেদৰ বেদীতে যাগ যজ্ঞৰ সৃষ্টি, বেদৰ উৎপত্তি হ'ল অক্ষৰ ব্ৰহ্মত। প্ৰকৃতিয়েই সকলো কৰ্মৰ কৰোঁতা। পৰম ব্ৰহ্ম সৰ্বত্ৰ বিৰাজ কৰে। ১৪-১৫। হে' পাৰ্থ, এয়েই জগত চক্ৰ, নিচিনিলে নৰকত বাস হয়। পশুবৎ বিষয় সুখত জীৱন ধাৰণ বৃথা হয়। ১৬। তাকে বুজি পালে, বুকুয়েদি বৈ যায় শান্তিৰ নিজৰা, শুনি শুনি সৰগৰ বিনন্দীয়া গীত, নিজে হয় আপোন পাহৰা। আত্মজ্ঞ তেনেজন যোগী মনীষাৰ আত্মাৰ ৰতি আত্মাতে যতি পৰে, আত্মাতে পৰম সন্তুষ্টি লাভ কৰে। জগতত তেওঁৰ কৰণীয় একোৰেই নাই। ১৭। নিজেই তেওঁ মহীৰুহ, লতিকা নহয়, আশ্ৰয়ৰ প্ৰয়োজন নাই। তেওঁ কোনো কৰ্মকাণ্ড কৰাৰ প্ৰয়োজন নাই, নিস্কৰ্মা হোৱাৰ প্ৰশ্নই নুঠে। ১৮। পাৰ্থ, নিজৰ কৰ্মত অগ্ৰসৰ হোৱা। ফলৰ আসক্তি ত্যাগ কৰাঁ। নিজৰ কৰ্ত্তব্য কৰি যোৱা। সাধনাৰ শিখৰত আৰোহণ কৰি পৰমাৰ্থ লাভ কৰাঁ। ১৯। ৰাজৰ্ষি জনক হেন নৃপতি বৰ্গই কৰ্মযজ্ঞ অনুষ্ঠান কৰি পৰমাৰ্থ লাভ কৰিছিল। সিদৰেই জগতৰ কুশলৰ বাবে নিয়োজিত হবলৈ নিজৰ উচিৎ কৰ্ম কৰি যোৱাঁ। ২০। মহাজনৰ নিদৰ্শন দেখি লোকজনে সেই পথ ধৰে, প্ৰামাণিক শ্ৰেষ্ঠজনৰ পদাংক অনুসৰণত জীৱনৰ জোনাকী আলোক দেখা পায়। ২১। হে' অৰ্জুন, মোলৈ চোৱাঁ, এই ত্ৰিলোকত মোৰ কৰণীয় একোৰেই নাই। যি বিচাৰোঁ সকলোটি সমীপতে পাওঁ, তথাপিতো মই সকলো কৰ্মত প্ৰবৃত্ত, চিৰকাল অনন্ত কামত। ২২। যদি কৰ্ত্তব্য বিৰত হৈ মই অলস জীৱন যাপন কৰোঁ, যুগে যুগে জগতৰ মনুষ্য সমাজে মোৰেই নিদৰ্শন লৈ কৰ্ত্তব্যত পৰান্মুখ হ'ব। সিয়েই জগতৰ পতনৰ কাৰণ হ'ব। ২৩। বিশৃংখলা আয়োজন কৰি ময়েই জীৱৰ স্খলনৰ ভাগী হ'ম। ২৪। হে' ভাৰত, অজ্ঞজনে ফলাফল আসক্তি লৈ নিজ কাৰ্য্য কৰে। জ্ঞানীজন অনাসক্ত হৈ ৰাইজৰ হিতকাৰী নিজ কাৰ্য্য সমাপন কৰক। ২৫। অজ্ঞানীজনাক বিভ্ৰান্ত নকৰিবা। আসক্তিৰ পৰা আঁতৰাই তেওঁৰ আন্ধাৰ পথ পোহৰাই তোলাঁ। ২৬। প্ৰকৃতিয়ে গুণৰ আঁত ধৰি জগতৰ যতমানে কামবিলাক সম্পাদন কৰে। তাতে আৰু' মিছা দৰ্পে মূঢ়মতিসৰে কৃতিত্বৰ দাবি কৰি তেওঁ নিজে কৰা বুলি গংগাটোপটো হৈ থাকে। ত্ৰিগুণ বা প্ৰকৃতি ক্ৰিয়াৰ নিয়মৰ সমষ্টিয়েই হৈছে স্বভাৱ।

কৰোৱায়। ২৭। অৰ্জুন, এই স্বভাৱ বা সংস্কাৰেই আমাক কাম কৰোৱায়। ২৭। অৰ্জুন, জ্ঞানীজনে সকাম আৰু নিষ্কাম কৰ্মৰ ভেদ ভালদৰে চিনে। বুজি পায় নিঃসংগ আত্মাই সেয়া কৰা নাই, সেয়ে কৰ্তৃত্ব অভিমান নকৰে, গুণৰ কাম গুণেই কৰিছে বুলি কয়। ২৮। সেয়ে সখি, গুণাগুণ সকলো কাম মোতে সমৰ্পণ কৰি, হৃদয়ক চেতনাত থাপি ফলাফল নিৰাসক্ত হৈ, মই মোৰ ভাৰ এৰি এলাহ নিহালি থেলি সমুখ সমৰত তুমি অগ্ৰসৰ হোৱাঁ। ৩০। মোৰ নিৰ্দেশতে কাম কৰিব লাগিব, মোৰ ইচ্ছাত চলিছে সংসাৰ। ময়েই কাৰ্য্য আৰু ময়েই কাৰণ, তুমি মাথোঁ দ্ৰষ্টাহে, মনত ৰাখিবা। গুণকৰ্মভাগ বুজি লৈ যদি কাৰ্য্য কৰাঁ, তেতিয়া কৰ্মৰ বান্ধোন মুক্ত হৈ মোক্ষলাভ ধ্ৰুৱপ বুলি জানিবাঁ। ৩১। ঈৰ্ষাৰ ফেৰত কোনোবাই মোৰ শিকনিত ছিদ্ৰ বিচাৰি, লক্ষ্য নাজানি অচিনা পথেৰে ৰসাতললৈ গুচি যায়। ৩২। শুনা পাৰ্থ, জ্ঞানীয়েও নিজ প্ৰকৃতিৰে কৰ্ম কৰে, নিজ গুণে মানুহ প্ৰকৃতিৰ দাস হয়, নিগ্ৰহৰ (প্ৰতিৰোধ) প্ৰচেষ্টা কৰি একো লাভ নাই। ৩৩। অনুকূল-প্ৰতিকূল বিষয় ভেদত ইন্দ্ৰিয়ৰো ৰাগ-অনুৰাগ থাকে, কাৰণ বিষয়ৰ ৰাগ-বিৰাগ দৈৱৰে বিধান। বিষয়ৰ ভোগ এৰা সহজ নহয়, কিন্তু তাৰো উত্তম উপায় আছে। হৃদয়ৰ অনুৰাগ মনৰ বিদ্বেষ, এইবিলাকৰ বশ হ'লে মোক্ষলাভত বাধক হয়। ৩৪। নিজৰ প্ৰকৃতি বা স্বভাৱ অনুসৰি যি কৰ্ম কৰা হয় তাকে স্বধৰ্ম বোলে। (যেনে ভোক নিবাৰণাৰ্থে চৰি ফুৰাটো পশুৰ ধৰ্ম, যুঁজ কৰাটো ক্ষত্ৰিয়ৰ আৰু বেদ পঢ়াটো ব্ৰাহ্মণৰ ধৰ্ম, উৰি ফুৰাটো চৰাইৰ ধৰ্ম, সাঁতোৰা মাছৰ ধৰ্ম ইত্যাদি।) স্বধৰ্ম অনুসাৰে কৰ্ম কৰা; পৰধৰ্ম ভালকৈ পালন কৰাতকৈ নিজৰ ধৰ্ম দূষিত হ'লেও তাকহে আচৰিব লাগে। আচৰোতে যদি বিপাকত বিনাশৰ কাৰণো হয়, তথাপি ভাল। গুণ অনুযায়ী কৰ্ম কৰা, সেয়েই ধৰ্ম ; গুণকৰ্ম পালন কৰোঁতে বিপাকত কেতিয়াবা মৰণো যদি হয় সিয়ো বহু ভাল, কিন্তু পৰধৰ্ম হয় মহাকাল। ৩৫।

অৰ্জুন ঃ সখা, ভাঙি পাতি ক'বানে, কিনো তাৰণাত বেয়া বুলি জানিও বেয়া কৰিবলৈ মন কেলেই উচপিচাই থাকে। ৩৬।

কৃষ্ণ ঃ সেয়া হ'ল ৰজোগুণৰ প্ৰভাৱ, ৰজোগুণত কাম জন্মে, কামত ক্ৰোধ, অতৃপ্তিৰ কাৰণ; সিয়েই জগতৰ যতমানে পাপৰ আকৰ। মোক্ষৰ ই প্ৰধান বৈৰী। ৩৭। বহ্নিমান অগ্নিক ধোঁৱাই আবৰি ৰাখে, ধূলিত দাপোণ ঢাক খায় আৰু জৰায়ুৰ বুকুত ভ্ৰূণ ঢাক খায়। সেইদৰেই কাম আৰু ক্ৰোধ জ্ঞানৰ ঢাকনি হয়। ৩৮। ঘৃতাহুতিত অগ্নি লেলিহান হয়, বাসনাত কামনা অপূৰণ ৰয়, অপূৰণ কামনাতে ক্ৰোধৰ জনম। মন বুদ্ধি ইন্দ্ৰিয় কামৰ আলয়, জ্ঞানক কামে আবৰি



ৰাখে, বিমোহন কৰে। ৩৯-৪০। প্ৰথমেই ইন্দ্ৰিয়ক দমন কৰিবাঁ কাৰণ ই জ্ঞান আৰু বিজ্ঞানৰ নাশৰ কাৰণ। ৪১। হে' মহাবাহু, জড় দেহ তুলনাত ইন্দ্ৰিয় শ্ৰেষ্ঠ, মন শ্ৰেষ্ঠতৰ, মনতকৈ বুদ্ধি শ্ৰেষ্ঠতম, আত্মা পাছে সেই বুদ্ধিৰো শীৰ্ষত থাকে। ই সৰ্বশ্ৰেষ্ঠ, সত্য নিত্য। ৪২। আত্মাক এইদৰেই জানি বুদ্ধিৰ জৰীৰে উতনুৱা মন বান্ধি চেতনা প্ৰদীপেৰে পথ কৰি আলোকিত কৰি কাম শতৰুতি দূৰতে বিদূৰ কৰাঁ। ৪৩।

# চতুৰ্থ অধ্যায়

## জ্ঞানযোগ
## কৰ্মচয় ভেদ

কৃষ্ণঃ সৃষ্টিৰ আৰম্ভণিতে ময়ে পোনতে অব্যয় যোগৰ কথা আদিতম ক্ষত্ৰিয় আদিত্যদেৱক কৈছিলোঁ। তেওঁ ক'লে পুত্ৰ মনুক, যিজন মানৱৰ আদি পুৰুষ। মনুৱেও বিবৰিলে তেওঁৰ তনয় ঈক্ষ্বাকুক। ১। তাৰ পাছে ৰাজৰ্ষিসৱে পালে। এইদৰেই পুৰুষে পুৰুষে মুখে মুখে বাগৰি বাগৰি যোগবাণী চলি আহিছিল, পাছে হে' পৰন্তপ, আজি সেই হেমহাৰ ভাগি-ছিগি গ'ল, জগতেও এই অমূল্য সম্ভাৰ হেৰুৱালে। ২। হে' মোৰ পৰম ভকত, প্ৰিয়তম সখা, আজি পুনু প্ৰকৃতিৰে পুৰুষৰ মোহন সংযোগৰ পৰম ৰহস্যটি দোহাৰিম। ৩।

অৰ্জুন ঃ হে' মাধৱ, তুমি সিদিনাহে উপজিছাঁ। সৃষ্টিৰ পাতনিৰ বেলাতনো তুমি কেনেকৈ যোগৰ ৰহস্য কথা আদিত্যজনাক কৈছিলা মই বুজিবলৈ টান পাইছোঁ। ৪।

কৃষ্ণঃ কালৰ বুকুত মই বহুতো জনম এৰি থৈ আহিছোঁ। পাছে মই অনায়াসে সুঁৱৰিব পাৰোঁ। এই ধৰাঁলৈ বহু বহুবাৰ তুমিও আহিছাঁ সখি, পাছে তোমাৰ সোঁৱৰাৰ শক্তি নাই, তাৰ স্মৃতি মানস পটৰ পৰা মচ খালে। ৫। মোৰ আদি নাই (অনাদি), মোৰ শেষ নাই (অনন্ত), মোৰ ক্ষয় নাই (অক্ষয়), মোৰ হৰণ-ভগন নাই (অব্যয়), যদিও সকলো জীৱৰে মই আত্মা, তথাপিও যুগে যুগে জগতৰ ত্ৰাণৰ বাবে নিজ মহিমাৰে প্ৰকৃতি সচল কৰোঁ, আত্মপ্ৰকাশ কৰোঁ। ৬। হে' ভাৰত, জগতত য'তে আৰু যেতিয়াই নীতিক (ধৰ্ম) নেওচি অনীতিক (অধৰ্ম) আগুৱান হোৱা দেখোঁ, তেতিয়াই মই অৱতাৰ ধৰোঁ। সাধুক তৰি অসাধুক ছাৰখাৰ কৰোঁ। নীতিক পুনৰাই স্বস্থানে থাপিবলৈ সময়ে সময়ে অৱতাৰ ধৰোঁ। ৭-৮। যিজনে মোৰ দৈৱিক কৰ্ম আৰু জন্ম বুজিব পাৰে, দেহৰ সজাটি এৰি যোৱাৰ পাছত পুনু এই ধৰালৈ উভতি নাহে, মোতে লীন হয়। ৯। অতীজতো এইদৰেই বহু সাধুৱে কাম, ক্ৰোধ, ভয় এৰি মোৰ আশ্ৰয়তে জ্ঞান লভি আনন্দতে মজিছিল। ১০। শুনাঁ পাৰ্থ, নীতিত থকাজনে (ভকতে) মোক বিচাৰি মোৰ পথেৰে আগবাঢ়িলে, সখা, পুত্ৰ, প্ৰিয়া যিভাৱেই মোক নিবিচাৰক সেইভাৱেই মোক লাভ কৰিব। ১১। সৱগত এচিকত থান লভিবলৈ বহুতৰে সকাম



বাসনা আছে, মনোকামনাৰ পূৰণ হওঁক এই আশা কৰি দেৱতাৰ উপাসনা কৰে। ১২। ত্ৰিগুণৰ তুলাচনী লৈ ক্ৰমোন্নতিৰ তাপ চাৰিটাৰে মানৱৰ চাৰিটা বিভাগৰ ময়েই স্ৰজন কৰিলোঁ। তথাপি নিশ্চল অকৰ্তা হৈ মই সবাৰে উৰ্দ্ধত থাকোঁ। ১৩। মোত কোনো কৰ্মৰ প্ৰভাৱ নপৰে, কাৰণ মোৰ ফলস্পৃহা নাই। মই আসক্তিবিহীন, অকৰ্তা, অব্যয়। মোৰ আসক্তি নাই যেতিয়া মোৰ সন্তুষ্টিৰ বাবে কাম কৰাৰো প্ৰয়োজন নাই। যি মানুহৰ এই জ্ঞান হৈছে, তেওঁৰ কৰ্ম বন্ধন অৱসান হৈ মুক্ত হ'ল। ১৪। অতীজতো বহু ঋষিগণে ফলাফল অনাসক্ত হৈ অকৰ্তা কৰোঁতা ৰূপে মোক লাভ কৰিছিল। তুমিও অকৰ্তা হৈ সাধুসৱৰ নিদৰ্শনেৰে অনাসক্তিৰে কৰ্ম কৰাঁ। ১৫। কম, কৰিও কিদৰে মানুহ অকৰ্তা হ'ব পাৰে সেই কথাত পণ্ডিতৰো খেলিমেলি লাগে। সেয়ে আজি কৰ্মৰ স্বৰূপৰ কথা মই ক'ম যাতে তুমি মুক্তিৰ পথ চিনিব পাৰা। ১৬। অগতিৰ গতি কৰ্ম বুজি পোৱা বৰ টান। সেয়ে প্ৰথমতে ত্ৰিগুণ কৰ্মৰ সতে নিস্কাম কৰ্মৰ, শাস্ত্ৰৰ বিৰূদ্ধ বিষম কৰ্মৰ প্ৰভেদ কি তাক জানি ল'ব লাগে। কৰ্মৰ গহন বন বিশাল গভীৰ। ১৭। যি কৰ্মত অকৰ্ম দেখে, আৰু অকৰ্মতো কৰ্ম দেখে অৰ্থাৎ যি সকলো কৰ্মৰ কৰোঁতা হৈয়ো নিজক অকৰ্তা বুলি ভালদৰে বুজে, ইন্দ্ৰিয় কৰ্ম ত্যাগ কৰিলেও তাৰ ভিতৰতো এক নিষ্ক্ৰীয় কৰম আছে বুলি ভালদৰে বুজি পায়, তেৱেঁহে ধৰ্ম-কৰ্ম বুজি পোৱা প্ৰকৃত যোগী। যদিও নানান কৰ্মত লিপ্ত হয়, সিজনা পৰম যোগী, তেওঁ পৰমপদ লভে। ১৮। তেওঁৰ জ্ঞানৰ পিয়লা পূৰ্ণ হয়, যিজন কামনা ৰহিত আৰু সংশয় বৰ্জিত হয়, তেওঁ নিস্কাম কৰ্ম কি তাক ফটিকৰ দৰে জলজল পটপটকৈ দেখা পায়। জ্ঞান অগ্নিৰে তেওঁ যত অহংকাৰ পুৰি নাশ কৰে। তেওঁক বোলা হয় অগাধ পণ্ডিত। ১৯। যি কৰ্মফলৰ বাসনা ত্যেজিলে তেওঁ নিভৃততে নিজ কাৰ্য সমাপন কৰি নিজৰ আত্মা তৃপ্ত কৰে। পৰৰ আশ্ৰয়ৰ তেওঁৰ কোনো প্ৰয়োজন নাই। তেওঁ আপাত কৰ্মত প্ৰবৃত্ত হ'লেও কৰ্মশৃংখলৰ পৰা মুক্ত। ২০। কৰ্মফল অনাসক্তি, সংযত মন তেওঁৰ পৰম সাধনাৰ ধন; শৰীৰৰ প্ৰয়োজনে কৰ্ম কৰিলেও তেওঁ কদাপি কৰ্মজ কলুষ নহয়। কাৰণ তেওঁ মন আৰু ইন্দ্ৰিয়ক সংযম কৰিব পাৰিলে, তেওঁৰ দেহে কৰ্ম কৰিছে যদিও মন তাৰ পৰা আঁতৰত। ২১। তেওঁ বিন্দুতে সিন্ধুৰ সন্ধান কৰে, গৰুৰ খোজতে তেওঁ নীলাকাশ দেখা পায়। এমুঠি অন্নতে অমৃতৰ স্বাদ পায়, সুখ-দুখ শীত-উষ্ণ সকলোতে শাঁত হৈ থাকে, সিদ্ধি কি অসিদ্ধিতো একেটাই ভাৱ, মনত ঈৰ্ষা অগণিৰ একো প্ৰভাৱ নাথাকে। তেওঁ জ্ঞানমগ্ন। ২২। নিৰাসক্ত তেনেজন আত্মজ্ঞানী মুক্ত পুৰুষৰ সকলো কৰ্মৰে লয় হয়।

কৰ্ম লয় পালে জন্মৰ বান্ধোন ছিগে, তেওঁৰ পুনৰ্জন্ম নহয়। ২৩।
যজ্ঞৰ হোতা হবি কৰ্ম, অগ্নি সকলো দ্ৰব্যই ব্ৰহ্ম বুলি যি বুজি পায়
ধৰাত জন্ম অভিনয় উকলি গ'লে, তেনেজনৰ সদানন্দ ধাম
ব্ৰহ্মলোকলৈ বুলি অগস্ত্যৰ যাত্ৰা হয়। ২৪। প্ৰেমৰ বেদীত বলিদান
দিবলৈ কোনোজনে পূজাৰ সম্ভাৰ যাচি দেৱতাৰ উপাসনা কৰে,
কোনোজনে যজ্ঞৰ অগ্নিত ঘৃতাহুতি, কোনোজনে সংযম পূজাৰ বেদীত
বাসনাক বলিদান দিয়ে। ২৫-২৬। জ্ঞাননিষ্ঠ যোগীজনে, চেতনাত
হৃদয়ক থাপি দশেন্দ্ৰীয় আৰু যত প্ৰাণ কৰ্মৰাজি আত্ম সংযমৰ
অনলত আহুতি দিয়ে। ২৭। কোনোজনে আপোনাৰ সুবৰ্ণৰ হাৰ
দান কৰি পূজা দিয়ে, নিজৰ দ্ৰব্য দান কৰে, কোনোজনে গভীৰ
তপস্যাৰে যজ্ঞ কৰে। অমিত সংযম আৰু একাগ্ৰ ভাৱত বেদবাণী পাঠ
কৰি বহুজন জ্ঞানৰ পূজাৰী হৈছিল। ২৮। কোনোজনে প্ৰাণায়াম কৰি
উশাহৰ দ্বাৰ মেলি নিশাহৰ বাট ভেটিলে, নিশাহৰ বতাহত উশাহৰ
প্ৰাণ উছগি,লে; নতু উশাহতে নিশাহৰ পৰম প্ৰশান্তি লভিলে, প্ৰাণৰ
বায়ুত প্ৰাণক আহুতি দিলে। ২৯। পৰিমিত আহাৰ কৰি আন সকলো
তত্ত্বজ্ঞানীয়ে যজ্ঞৰ প্ৰভাৱে পাপমুক্ত হৈ যজ্ঞ উপচাৰ অমৃতধাৰা পান
কৰি আনন্দৰ অময়া ধাম লভিছিলে। ৩০। হে' কুৰু শ্ৰেষ্ঠ, যজ্ঞ
নকৰিলে ইহকাল পৰকাল দুয়োকূল হেৰুৱাবাঁ। ৩১। সকলো যজ্ঞৰে
মূলতে আছে কৰ্ম। সেই কথাটো জানিলেহে জীৱনৰ মুক্তি হয়। ৩২।
দ্ৰব্য যজ্ঞতকৈ জ্ঞানৰ যজ্ঞ শ্ৰেষ্ঠ। সৰ্বকৰ্মফল জ্ঞানতে অন্ত পৰে। ৩৩।
গুৰু বিনে শিক্ষা অপূৰণ ৰয়, সেয়ে পাৰ্থ, সদ্ গুৰুৰ ওচৰত গৈ বিনম্ৰ
ভাৱেৰে তেওঁৰ জ্যোতিৰ কিৰণ লভাগৈ। ৩৪। নিজৰ আত্মাতে তুমি
বিশ্বব্ৰহ্মাণ্ড পাবা। জ্ঞানৰ আলোকত মায়াৰ তমসা দূৰ দূৰলৈ যাব
আৰু মোহৰ পাশত বন্দী নোহোৱা হ'বা, মনৰ দোধোৰ- মোধোৰ
দূৰ হব। (গজন, বুৰণ আৰু উৰণ, ভ্ৰমণ) কোনো আত্মাৰে কোনো
ভিন পৰ নাই, সমস্ত ভূততে তুমি নাৰায়নকে পাবা। ৩৫। যদি
কোনোজন দুৰাচাৰ পাপীষ্ঠ অধমো হয়, জ্ঞানৰ তৰণি লগত থাকিলে
দুখৰ এই বিশাল জলধি অপ্ৰয়াসে পাৰ হ'ব পাৰে। ৩৬। খৰি জ্বলিলে
এঙাৰ হয়, সেইদৰেই জ্ঞানৰ জুইয়ে জীৱনৰ কৰ্মৰ বন্ধন পুৰি শেষ
কৰে। ৩৭। জ্ঞানৰ সমান পুণ্য বস্তু জগতত আন একো নাই। যোগৰ
বলত সিদ্ধি লাভ হয়, জ্ঞান লাভ হয়। ৩৮। যিসকল শ্ৰদ্ধাৱান, যিসকল
জিতেন্দ্ৰিয়, তেওঁলোকেই জ্ঞান লভে। তেনেজন নিৰ্মল লোকে
বিমলানন্দত বাস কৰে, পৰম শান্তি লাভ কৰে। ৩৯। যদি বিপৰীত
হয়, অজ্ঞ হয়, শ্ৰদ্ধাহীন হয়, সংশয়ী হয়, তেওঁলোকৰ বিনাশ
অৱধাৰিত; তাত কোনো সংশয় নাই। সংশয়ীৰ মনত সুখ নাই,



তেওঁলোকে মনৰ দোমোজাত পৰি ইহকাল-পৰকাল সকলো কালত
সখি শান্তি সন্ধানত ঢাপলি মেলিব লগা হয়, ভ্ৰষ্ট হয়। ৪০। মনত কোনো
ফলৰ আশা নকৰি নিষ্কামভাবে কম, কৰিলে, জ্ঞানৰ পোহৰে মনৰ
সংশয় দূৰ কৰে। তেওঁলোকৰ কৰ্ম বন্ধনৰ ভয় নাই। তুমিও মনত
একো আশা নাৰাখি কৰণীয়খিনি কৰি যোৱাঁ। ৪১। অজ্ঞানতাৰ পৰা
উদ্ভৱ হোৱা মনৰ সংশয় আত্মজ্ঞানৰ অসিৰে ছেদি ছাৰখাৰ কৰাঁ।
নিষ্কাম মাৰ্গেৰে যোগৰ আশ্ৰয় লৈ সমৰত অগ্ৰসৰ হোৱাঁ। ৪২।

## পঞ্চম অধ্যায়

# সন্ন্যাস যোগ
# ফলাকাংখ্যা নাশ

অৰ্জুন ঃ প্ৰথমেই কৰ্ম ত্যাগ কৰিবলৈ উপদেশ দিলা। তাৰ পাচে পুনৰাই মোক একান্ত হৈ কম, কৰিবলৈ ক'লা । এতিয়া কি কৰিলে ভাল হ'ব সুনিশ্চিত কৰি ক'বানে। ১

কৃষ্ণঃ কৰ্মৰ সন্ন্যাস কিম্বা কৰ্মযোগ, তাৰ অকণো বিৰোধ নাই, উভয়তে শান্তি পাবা। এই সংসাৰত কৰ্মৰ সাধনাই হ'ল শ্ৰেষ্ঠ সাধনা। ২। হে' মহাবাহু, ৰাগ দ্বেষ ৰহিত কোনো নিৰ্দ্বন্দ পুৰুষ, যাৰ হৃদয়ত আশা নাই বাসনা নাই, তেওঁ কাম কৰিও সদায়েই সন্ন্যাসী, তেওঁৰ বন্ধন ভয় নাই। ৩। সাংখ্যৰ জ্ঞান আৰু কৰ্মযোগ একেটি বিলৰে দুটি সাধনা কমল, দুয়োৰে চকাতে একেই সন্ধান থাকে - মানুহৰে মাধৱৰ অমল সংযোগ। গতিকে এই দুটিৰ যিকোনো এটা পথ ল'লেই হয়। ৪। দুয়োটিয়েই ভকতিৰ দুটি পথ। দুয়োটি পথ গোলোক ধামতে অন্ত পৰে। সখা যিকোনো এটা পথ আশ্ৰয় কৰি ল'লে, অন্তিমত পৰমতে উপনীত হ'বাঁ। সাংখ্য আৰু যোগক একে চকুৰে যিজনে চাব পাৰিছে, তেৱেঁই তত্ত্বদৰ্শী। ৫। পাছে এটি কথা তুমি মনত ৰাখিবাঁ, কৰ্ম সমাপন কৰোঁতে যদি মনত বাসনা থাকে, যদি ভাৰত কৰ্তৃত্ব থাকে, সন্ন্যাসৰ পথ লোৱা অতিকে কঠিন হয়। যোগহীন সন্ন্যাসত দুঃখ থাকে। তাৰ তুলনাত যোগীজনে অচিৰে শান্তি লভে, ব্ৰহ্মপ্ৰাপ্ত হয়। ৬। হৃদয় যদি শুদ্ধ হয়, নিৰমল চিত্ত দয়াৰ সাগৰ হয়, সংযত হয়, যি সমস্ত জীৱৰ আত্মাতে নিজৰেই ৰূপ দেখা পায়, জিতেন্দ্ৰিয় তেনেজনৰ কৰ্মবন্ধন নাই। ৭। যোগীজনে কদাচিতো নাভাৱে বা নকয় যে শয়ন ভোজন কিম্বা শ্বসন গমন নিজে কৰিছোঁ, নকয় জগত দেখিছোঁ বুলি, সুগন্ধৰ আমোল-মোল, ৰিণি ৰিণি শুনা সেই সুৰীয়া গীতটি, এইবিলাক দশেন্দ্ৰিয়ই দান দিয়া মোৰ মাধুৰিমা বুলিহে গ্ৰহণ কৰে, অৰ্থাৎ ইন্দ্ৰিয়ৰ কাম ইন্দ্ৰিয়ই কৰিছে, তেওঁ নিজে অকৰ্তা বুলি অৱস্থান কৰে, নিৰ্লিপ্ত হৈ থাকে। ৮। যি নিজকে ব্ৰহ্মত থাপি, ফল এৰি কৰ্ম কৰে, তেনে অনাসক্ত যোগীজন কৰ্ম কৰিও নিস্পাপ হয়, যেন পানীতে থাকিও শুকান হৈ থকা পদুমৰ পাতহে। ৯। নিৰাসক্ত যোগীজনে, হৃদয়ৰ শুচিতাৰে অনাসক্ত হৈ, তন মন বুদ্ধিৰে কাম কৰিলেও যদি ভাৰনাত নিতে নিস্কাম হয়, তেওঁ পৰম



প্ৰশান্তি লাভ কৰে, ব্যতিৰেকে কৰ্মৰ বন্ধন ভোগ হয়। ১১-১২। মুখ, চকু, নাক, কাণ আদিৰে দেহৰ নখনি দুৱাৰ আছে, জীৱটি তাতেই সদায় সুখেৰে থাকিব পাৰে যদিহে বিষয়ক সমুদায় এৰাই চলিব পাৰে। ১৩। মই কোনো কৰ্তৃৰ্ত্বৰ সৃষ্টি কৰা নাই, কৰ্মফলো জীৱৰ অধীন কৰা নাই। স্বভাৱেই মাথোঁ সকলো কৰ্মফলৰ সংযোগৰ হেতু। যাৰ যি কৰ্মফল প্ৰাপ্তি হৈছে সেয়া নিজৰ স্বভাৱৰ বাবে আৰ্জি লোৱাহে। ১৪। মই কাৰো পাপ-পুণ্যৰ হিচাব নাৰাখোঁ। অজ্ঞানে আৱৰা জ্ঞানেহে এই মোহটি জন্মায়। যি যেনেকৈ আৰ্জে, তেওঁ তেনেকৈ ভুঞ্জে। ১৫। যাৰ এই বোধোদয় হয়, তেওঁ ভানুসম জ্যোতিৰে প্ৰকাশিত হয়। ১৬। তেওঁৰ মনৰ কালিমা, সংশয় আঁতৰতে বিতাৰিত হয়, ব্ৰহ্ম বুদ্ধিৰ বিষয় হয় আৰু অজ্ঞানক জ্ঞানে দূৰ কৰি দিয়ে। ১৭। তেনেজন পণ্ডিতে বৰ্ণৰ উচ্চ - নিচ বিচাৰ নকৰে, সকলো জীৱৰ বাবে একে আচৰণ কৰে। ১৮। যাৰ এই সমতাৰ বোধ আহিল, সেইজন সংসাৰ জয়ী হ'ল, সত্য পথৰ যাত্ৰী হ'ল। অমৃতৰ সন্তান হ'ল। ১৯। প্ৰাপ্তিৰ সুখে তেওঁক আহ্লাদিত কৰিব নোৱাৰে, অপ্ৰাপ্তিৰ দুঃখে তেওঁক কাতৰ কৰিব নোৱাৰে। পোৱাৰ সুখত হৰ্ষিতো নহয়, কিম্বা নোপোৱাৰ দুখত তেওঁৰ হিয়া বিষাদে নাচাটে। তেওঁৰ মোহ নাই, ভ্ৰান্তি নাই; তেনেলোক স্থিৰবুদ্ধিৰ লোক, ব্ৰহ্মজ্ঞানী লোক, সদায় ব্ৰহ্মতেই থিত হয়। ২০। সুখ-দুখ জাৰ-জহৰ অনুভৱে তেওঁৰ কাষকে চাপিব নোৱাৰে। সমাধিস্থ অৱস্থাৰ শান্তি অনুপাম। ২১। বাসনা বিষয় মিলি সুখ পাব পাৰি; পাছে এনে সুখ খন্তেকীয়া, এই আছে এই নাই; অনিত্য। এনে সুখৰ পৰিণামত দুঃখহে দেখা দিয়ে। সেয়ে জ্ঞানীজন কদাচিতো এনে সুখত বিভোৰ নহয়। ২২। পৰপাৰলৈ গতি কৰাৰ আগতেই ইন্দ্ৰিয় - মনৰ গতি ৰোধি ইহ জনমতে যোগীজনে চিন্ময় আনন্দ ভোগ কৰে। ২৩। অন্তৰতে যাৰ সুখৰ নিজৰা আছে, অন্তৰতে যাৰ শান্তিৰ আশ্ৰম আছে; তেনেজন জ্যোতিষ্মান হৃদয়ৰ লোকৰ, ব্ৰহ্মভূত যোগী মনীষাৰ জীৱন ব্ৰহ্মত অভেদ, তেওঁ নিৰ্বাণ লভে। ২৪। সংশয়হীন, কালিমা ৰহিত মন, সংযত চিত্ত, সকলো ভূতৰে কৰুণা সাগৰ, তেনেজন জিতেন্দ্ৰিয়ৰ ব্ৰহ্ম লাভ হয়। ২৫। কাম ক্ৰোধৰ তাড়না বিসৰ্জন কৰি, সাধনাৰে বাসনা বশ কৰি, তেনেজন আত্মদৰ্শী সন্ন্যাসী সাধক, ইহকাল পৰকাল সকলোতে মুক্ত হৈ থাকে। নিৰ্বাণ তেওঁৰ হাততে। ২৬। ৰূপ ৰস গন্ধ স্পৰ্শ আঁতৰত ৰাখি, দুই ভ্ৰুৰ মাজত দৃষ্টি নিবদ্ধ কৰি নাসিকাৰ ভিতৰতে উশাহ নিশাহ স্থিৰ কৰি; আশা, ভয়, খঙৰ ভমক পৰিহাৰ কৰি; ৰিপু, মন, বুদ্ধিৰ চমক সামৰি তেনেজন লোক অমৃত পথৰ যাত্ৰী হয়। ২৭-২৮। যত তপস্যা-যজ্ঞৰ ময়েই ভোক্তা, এই ৰূপে যিজনে মোক চিনি পায়, তেওঁলোকৰ সদায়ে শান্তি। ২৯।

## ষষ্ঠ অধ্যায়

# ধ্যানযোগ
# পোন বাটৰ অভ্যসন

কৃষ্ণঃ যিজনে ফলৰ আশা মনত নাৰাখি কৰণীয়খিনি কৰি যায়, তেঁৱেই যোগী। বাহ্যিক কৰ্ম ত্যাগ কৰিলেই মানুহ সন্ন্যাসী হৈ নাযায়। কামনা ৰহিত হৈ কৰ্তব্য বুদ্ধিৰে যি কাৰ্য কৰে তেৱেঁইহে প্ৰকৃত যোগী, পৰম সন্ন্যাসী। কৰ্মযোগী জনেই সন্ন্যাসী। ১। বিষয়ী অৰ্থাৎ বিষয় ভোগত মজি থকাজনৰ কেতিয়াও যোগ লাভ নহয়। ২। পাৰ্থ, কৰ্ম সাধনাৰ তিনিটিকৈ স্তৰ আছে। সাফল্য লভিলে পৰমাৰ্থ লাভ হয়। সাধনাৰে শাস্ত্ৰৰ বিধানমতে কাম কৰি গ'লে প্ৰথমটি স্তৰ আৰুৰুক্ষম পাৰ হয়। যোগাৰূঢ় পাছৰ স্তৰত নিজে দ্ৰষ্টা মাথোঁ বুলি জ্ঞান হয়, তাৰ লক্ষণ হ'ল শান্তি। ক্ৰমোন্নতিৰ অন্তিমৰ স্তৰ হ'ল সমাধি, সমাহিত অৱস্থা। তেতিয়া মন হয় উৰ্মিহীন প্ৰশান্ত ভাৱৰ সাগৰ। ধ্যানৰ পথেৰে গ'লেহে এই স্তৰ পায়। বিষয়-আসয় পৰিহৰি, মনৰ বাসনা ত্যেজি, যোগীজনে যোগৰ পৰ্বত লংঘে। মনেই আত্মাৰ শৃংখলৰ কাৰণ। অনাসক্তিত আত্মাৰ বন্ধন ছেদ হয়। বন্ধন – মুক্তিৰ মনেই কাৰণ, বাসনাক ঠাই অজৱাই নিদিলে আপোনাৰ মিত্ৰ আপোনাতে পায়। (আপুনি আপুন বন্ধু, আপুনি আপুন শত্ৰু, আপুনি আপুন ৰাখে মাৰে।) (নামঘোষা-২৬) ৩-৭। শোক, তাপ, নিৰানন্দ, মান, অপমান, হীৰা, মুকুতা, মাটি যাৰ বাবে সকলো সমান, জ্ঞান-বিজ্ঞানেৰে পৰিতৃপ্ত জিতেন্দ্ৰিয় সিজনাৰ প্ৰাণ প্ৰেমময় হয়। ৮। তেওঁ শত্ৰু মিত্ৰ সাধু পাপী বিচাৰ নকৰি প্ৰেমৰ ভাবেৰে সবাকে একে ব্যৱহাৰ কৰে, তন মন সংযত কৰি একানপতীয়াকৈ নিৰলাত ধ্যান কৰি সেই মহাপুৰুষ আপোনাতে আপুনি মগন হয়, আপোনভোলা হয়। ৯ – ১০। নিৰলাৰ কোনো এক পূত থানিকাত, অনুচ্ছ স্থানত, কুশবনৰ ওপৰত হৰিণৰ ছাল পাৰি লৈ তাতে যোগাসন পাতি, মনৰ ঘোঁৰাটি বশ কৰি অন্তৰৰ শুচিতাৰ হেতু মহাজনে একাগ্ৰৰে যোগ আয়োজন কৰে। ১১- ১২। শংকা ত্ৰাস ত্যেজি, গ্ৰীৱা শিৰ উচ্চ কৰি, দেহক সংযত কৰি দুঃখ কষ্ট সহি, নাকৰ অগ্ৰত দৃষ্টি প্ৰতিষ্ঠা কৰি, স্থিৰ হৈ বহি, হৃদয়ত মাধৱ প্ৰেমৰ নাম লয়। ১৩ – ১৪ । নিয়ত মানস আৰু অমল নিষ্ঠাত যদি যোগত প্ৰবৃত্ত হয়, তেনে যোগী নিৰ্মল ভকত, তেওঁ মোৰ বুকুত থান



পায়। ১৫। উপবাস খাতি কিম্বা উজাগৰে থাকি, অধিক ভোজন কিম্বা অধিক শয়ন আদি কৰিলে এইবিলাকেই যোগ বিফল হোৱাৰ কাৰক হয়। ১৬। যিজনাৰ শয়ন-ভোজন পৰিমিত, কৰ্মকাণ্ড বিধিৰ বিহিত তেনেজনৰ যোগধ্যান সমুচিত হয়। ১৭। চিত্ত কৰায়ত্ত কৰি কামনাক বনবাস দিলে যোগবান হ'ব পাৰি। ১৮। বা নালাগিলে শলিতাৰ শিখা নকঁপে, সেইদৰে মনৰ বাসনা দমন কৰি যোগৰ সাধনাৰে যোগীজন মাধৱৰ সমে যুক্ত হয়। ১৯। ক্ৰমোন্নতিৰ পৰিণতি সমাধিৰ স্তৰ। তাত উপনীত হ'লে যোগৰ বলত চিত্তবৃত্তি নিৰোধ হয়। নিৰাকাৰ আত্মা দেখা পায়। আপোনাতে সেই দুৰ্লভ দৰ্শন লভি, ভকতি ৰসেৰে প্ৰাণৰ পিয়লা ভৰে। চৰম দুখত চিত বিচলিত নহয়; তেওঁ চিন্ময় স্তৰত উপনীত হয়। ২০-২৩। তেনেজনে দৃঢ়মনে মনৰ যতমানে বিষময় কামনা বনবাস দিয়ে। মনৰ শিকলিৰে দৰ্শেন্দ্ৰিয় বান্ধি অন্তৰক চেতনাত থাপে। ২৪। মনৰ বতাহ চাটি ফাগুণৰ নিলাজী পৱন। সংযমৰ বাঘজৰী লৈ, যোৱাঁ সখি, আত্মাৰ শক্তিৰে দমন কৰি বান্ধি ৰাখাঁ গৈ। ২৫-২৬। তেনেহেন প্ৰশান্ত নিৰ্মল হিয়াত মানুহৰে মাধৱৰ সাক্ষাত হয়। ২৭। মাধৱৰ মধুৰ পৰশনে সৰগীয় সুখ যাচি দিয়ে। গন্ধৰ্বৰ গীতৰ সুৰে সুৰে কালিমা বিহীন মন প্ৰাণ নাচি উঠে।২৮। যত জীৱ জঙ্গমে, কীট পটংগমে জগতৰ সমস্ত প্ৰাণত মাথোঁ মাধৱৰে ৰূপ দেখে, সকলো ভূত তেওঁৰ বাবে মাধৱময় হয়। ২৯। তেনেজন ব্ৰহ্মপ্ৰাণ নিৰ্মল ভকত, চিৰদিন মোৰ চকুৰ আগত থাকে, ময়ো চিৰদিন তেওঁৰ কাষতে থাকোঁ। ৩০। সেইজন মহাজনেই যোগী, তেওঁ সৰ্বব্যাপি স্ৰষ্টাৰেই ৰূপ দেখা পায়, মোৰ প্ৰাৰ্থনাৰ গীত গাই গাই অন্তিমৰ বিচাৰত মোতে লীন হয়। ৩১। হাঁহি- কান্দোন সুখ-দুখৰ পৰত সমস্ত ভূতৰে যি সুখৰ কাৰণ হয় সিজনাই মহাযোগী শ্ৰেষ্ঠ মহাজন। ৩২।

অৰ্জুনঃ সখা, যিমানে যোগৰ মহিমা শুনালাঁ, মোৰ চঞ্চল মনে জ্ঞানচক্ষু আৱৰি আছে বাবে বুজি পোৱা নাই, জীৱৰ প্ৰশান্তি কিদৰে আহিব পাৰে? ৩৩। ধুমুহাৰ দুৰন্ত গতি কিদৰে ৰোধিম, মনৰ তেজাল ঘোঁৰা কিদৰে বান্ধিম? বাসনাই বাৰম্বাৰ ৰমণ বিচাৰে। গতিকে কিদৰে ইন্দ্ৰিয় দমন কৰিব পাৰোঁ ? ৩৪।

কৃষ্ণঃ হে' পাৰ্থ, মন অতিকে চঞ্চল, সেয়া মই জানো, জানো যে তাক পৰাভূত কৰা কঠিন। কিন্তু অসম্ভৱ নহয়। মাথোঁ কিঞ্চিত বিৰাগ প্ৰয়োজন হয় আৰু যদি তাতে সামান্য অভ্যাস যোগ হয়। ৩৫। ৰথৰ ঘোঁৰাৰ জৰিগছি এৰি দিলে, ৰথখনি যেনি-তেনি যায়, সংযম লাগামৰে মনক বিপথ কৰা বাসনাক নিয়ন্ত্ৰণ কৰিলে যোগৰ সন্ধান হাতৰ মুঠিতে পায়। ৩৬।

অর্জুন ঃ হে' জনার্দ্দন, ভকতি শ্রদ্ধাৰে চিত্ত সংযত কৰি যোগকেই যদি জীৱনৰ ব্ৰত কৰোঁ, পাছৰ কোনো এক দুর্বল ক্ষণত সাধন বা কালৰ অভাৱে কম, জ্ঞানৰ সাধন পালন- নকৰি যদি বাটৰ আঁত হেৰায় তেতিয়া ঘোৰ মহাপাপ নহ'বনে? তেনে ক্ষেত্ৰত ডাৱৰৰ দৰে টুকুৰা-টুকুৰ হৈ আমি বাৰু উটি ভাহি যামনেকি? ৩৭-৩৮।

কৃষ্ণঃ যোগবান হ'লে, আত্মাৰ নিৰ্দেশ মানি গিৰিশংকুল মায়া মোহ অতিক্ৰমি যি ভকতি জলত স্নান কৰিলে, জানিবা মুক্তি তেওঁৰ অৱশ্যম্ভাৱী। আৰু যদি মাজ পথত যোগভ্ৰষ্ট হয়ো, ইহকাল- পৰকাল কোনোটি কালত সেয়া দুৰ্গতিৰ কাৰণ নহয়। তেওঁৰ সাধনা ব্যৰ্থতাত পতিত হ'লেও তেওঁৰ বিনাশ নহয়। ৪১। পৰলোকত সাধুৰ সংগ লভি ইহজনমতো সাধুৰ সঙ্গ লভে, নতুবা যোগীৰ কুলত জন্ম লয়, যোগ অভ্যাসৰ পুনৰ সুচনা কৰি পুনুবাৰ নিৰ্বাণৰ যত্নপৰ হয়। ৪২-৪৩। তেওঁৰ পৰ জনমৰ যোগৰ অভ্যাসে বেদৰ বিহিত কৰ্মকাণ্ড অতিক্ৰম কৰি ইহজন্মত জন্ম যন্ত্ৰণাৰ পৰা মুক্ত হোৱাৰ পথ দেখুৱায়। ৪৪। এইদৰেই জনমে জনমে পূৰ্বজন্মৰ পাপৰ চেকা নিকা কৰি নিৰ্বাণৰ পথ বুলি আগুৱান হয়। ৪৫। তপস্বীৰ মানত যোগীজন গিৰি সম, জ্ঞানী কিম্বা যাজ্ঞিকেৰে তুলনাই নহয়। সেয়ে পাৰ্থ, শুনা মোৰ বাণী, তুমি নিস্কাম ভাৱনাৰে অনলস হোৱা যোগী। ৪৬। ভকতি ৰসতে মজি গুনাতীত হোৱাঁ, তেনেজন ভক্তযোগীকে জগতৰ শ্ৰেষ্ঠযোগী বোলা হয়। ৪৭।

## সপ্তম অধ্যায়

# জ্ঞান বিজ্ঞান যোগ
# পৰা অপৰা ভেদ

কৃষ্ণঃ কোন মই? মই বুজা আৰু নুবুজাৰ সাঁথৰ নহওঁ; কৃষ্ণ ভাৱনাত চিত সমাহিত হ'লে কৰ্ম যোগে মোক নিঃসন্দেহে চিনিব পাৰিবা, সখা। সৃষ্টিৰ ৰহস্যটি ভেদ কৰিব পৰা জ্ঞান-বিজ্ঞানৰ কথা তোমাক কওঁ। ১ - ২। জনসমুদ্ৰৰ কাচিত এটি দুটি জনেহে সাধনাত সিদ্ধিলাভ কৰে। তাৰো মাথোঁ এমুঠি জীৱইহে যথাৰ্থ ভাৱত কঠোৰ সাধনাৰে মোৰ সত্তাৰ স্বৰূপ বুজিছিল। ৩। জল, স্থল, নভ আৰু অগ্নি, বায়ু - এই পঞ্চ মহাভূত; মন, বুদ্ধি, মই ভাবে মোৰ আঠোটি প্ৰকৃতি আছে। স্থুল ৰূপৰ এই কেইটা হ'ল অপৰা প্ৰকৃতি। ৪। মোৰ আৰু এটা চেতন প্ৰকৃতি আছে তাৰ নাম পৰা। সেই পৰা প্ৰকৃতিৰে জগত সচল কৰিছোঁ। ৫। পৰা আৰু অপৰাৰে জগতৰ সৃষ্টি হৈছে; ময়েই আদি, সকলোৰে মোতে লয় হয়। ৬। স্বৰ্গ, মৰ্ত্য, পাতাল তিনিটি ভুৱন তুমি চলাথ কৰিলেও মোৰ তুলনাত শ্ৰেষ্ঠজন লগ পাম বুলি কোনোদিনে কদাচিতো আশাই নকৰিবা। ওপৰৰ নীলাকাশ নক্ষত্ৰ মণ্ডলী, ধৰাৰ জীৱন তথা বায়ু পানী আদি এই মুকুতাৰ মণিহেন সাতসৰী ময়েই গঢ়িছোঁ। ৭। ময়েই জল, স্থল, নভ, ময়ে চন্দ্ৰ দিবাকৰ; সৃষ্টিৰ পাতনি মেলা ওংকাৰ ধ্বনি মই, ময়েই শক্তি মানুহৰ। মই তপস্বীৰ তপ আৰু অগ্নিৰ তাপ, পঞ্চ তন্মাত্ৰৰ সকলোতে মই। জীৱৰ জীৱন মই, সকলোৰে আদি; বুদ্ধিৰ বিবেক মই, তেজস্বীৰ তেজ, ময়েই মানৱৰ পুৰুষত্ব। ৮-১০। ময়েই আসক্তিবিহীন সামৰ্থ্য, ময়েই ধৰ্মত গৃহীত কামনা। ১১। সত্ত্ব, ৰজ, তম গুণ মোৰেই সৃজন। সকলো মোতেই আছে, মই কতোৰেই নাই, কোনোটো গুণৰে মই অধীন নহওঁ। ১২। তিনিগুণেৰে মায়া মোহৰ প্ৰহেলিকা তৰি জগতখন মুহি আছোঁ। তাক অতিক্ৰম কৰা সহজ নহয়। তাৰেই মায়া শয্যাত ঘুমন্ত মানুহে মোৰ গুণৰ অতীত অনাদি অনন্ত স্বৰূপ দেখা নাপায়। ১৩। মায়াৰ বৈতৰণীৰ পাৰাপাৰ নাই, একান্ত ভকতেহে মাথোঁ তাৰ তীৰ পায়। ১৪। বহু দুৰাচাৰ, মুঢ় নৰাধমে, মায়াৰ জালত বন্দী হৈ মোত পৰম শান্তিৰ নীড় নিবিচাৰি আসুৰিক হয়। ১৫। শুনা পাৰ্থ, মোৰ চাৰিবিধ ভকত আছে। কোনোজনে আতুৰত পশিলে শৰণ,

কোনোজনে জ্ঞান লিপ্সাৰে, কোনোৱে বিভূতি বিচাৰে আৰু আনবিধে পৰম জ্ঞান বিচাৰে।১৬। এই চাৰিশ্ৰেণী ভকতৰ মাজে জ্ঞানৰ পূজাৰীজন মোৰ প্ৰিয়তম ভক্ত। তেওঁ পৰম সত্যক চিনি পাই অহৰ্নিশে সেৱাৰ কামত ৰত হ'ল, তেওঁ জগতৰ শ্ৰেষ্ঠ যোগী। মই সিজনাৰ ভকতি ডোলত বান্ধ খাওঁ। ১৭। সৰ্বজন ভকতেই উদাৰ মহান, তাৰ মাজত জ্ঞানীজন শ্ৰেষ্ঠতম। তেওঁ মোৰ হিয়াত বাস কৰে, ময়ো থাকোঁ সিজনাৰ হিয়াৰ মাজত, তেওঁ মোৰ আশ্ৰয়ত থাকে। ১৮। সাধনাৰ বহু জন্মৰ মূৰকত জ্ঞানীজনে যেতিয়া জগতেই বাসুদেৱ বুলি জানিলে, আহি মোতেই শৰণ ল'লে। তেনেজন মহাত্মা অতিকে দুৰ্লভ। ১৯। বিষয়ৰ সুখ ভোগ বাসনা ৰাখি হত বুদ্ধি হৈ বহুজন বহু দেৱ-দেৱতাৰ পূজা উপাসনাত ব্যস্ত হ'ল। ২০। মোৰেই অঙ্গীভূত দেৱ দেৱতাসবৰ পূজন-অৰ্চন অচলা ভকতিৰ ব্যৱস্থা ময়েই কৰোঁ। ২১। মনৰ যি তুচ্ছ কামনা পূৰণাৰ্থে দেৱ পূজা কৰি যি প্ৰসাদ লাভ কৰা সিওঁ মাথোঁ মোৰে আশীৰ্ব্বাদ। ২২। মোৰেই আশীৰ্ব্বাদ হ'লেও তাৰ ফল ক্ষন্তেকীয়া। ভকতিৰে দেৱ দেৱতাক দাস কৰিব পাৰিলে দেৱলোক লাভ হ'ব পাৰে। যিজনাই অনন্ত অমৰ মোক লভিলে তেওঁৰ গোলোকৰ ধাম লাভ হয়। ২৩। অজ্ঞানী অল্পবুদ্ধিজনে মোৰ মায়াৰ অতীত অনাদি, অব্যয়, অব্যক্ত স্বৰূপ বুজিব নোৱাৰে। সেইহেতু দুই হাত ভৰি থকা সাকাৰ ৰূপত মোক কোনোবা পুৰুষ বুলি ভাৱে। ২৪। মায়াৰে মোৰ কায়া আৱৰি ৰাখিছোঁ, জ্ঞান চকু নাথাকিলে তাক দেখা নাপায়। অনাদি, অনন্ত মই নিৰাকাৰ ৰূপে যে সমস্ত জগত ব্যাপি আছোঁ তাক কোনোকালে নুবুজিব ।২৫। হে' মহাবাহু, বৰ্ত্তমানে, ভূত-ভৱিষ্যতে, স্থাৱৰ-জঙ্গম, যি প্ৰাণী আহিল বা আহিব, মই সকলোটি জানোঁ। মোক পাছে কোনোৱে নাজানে। ২৬। জনমৰ আদিম পুৱাত, কামনাৰ দীঘদি দ্বেষৰ বানিৰে বোৱা মায়া মোহৰ সেই পৰিচ্ছদ, যি বসন পৰিধান কৰিলে, সিয়েই সকলো জীৱৰ সুখ দুখৰ কাৰণ। ২৭। দ্বন্দ মোহ চিৰকাললৈ বিনাশি পূৰ্বৰ জন্ম আৰু ইহ জনমত পুণ্য অৰ্জন কৰি যিজনে অচলা ভকতিৰে মোক সেৱাৰ ভাৱত ভজিলে, তেওঁ মুক্তিৰ পথ চিনি পালে। ২৮। ভকতি ভাৱত মোকেই আশ্ৰয় কৰি জড়া মৃত্যু পৰাভূত কৰে, ব্ৰহ্মৰ চূড়ান্ত স্বৰূপ জ্ঞাত হয়। ২৯। জীৱনৰ নাট অভিনয় শেষ কৰি মৰণ পৰত মায়াৰ জগত আৰু দেৱতা কুলক নিজৰ আলোকতে ফটিকৰ দৰে দেখা পায়। তেওঁ মৰণ পৰতো সজ্ঞানে থাকি মনে বাক্যে মোৰ নাম লয়। ৩০।

**অষ্টম অধ্যায়**

# অক্ষৰ ব্ৰহ্ম যোগ
# পৰম তত্ত্বৰ উপলব্ধি

অৰ্জুন ঃ হে' পুৰুষোত্তম, সখা, মোৰ প্ৰাণৰ বান্ধৱ, আত্মা, ব্ৰহ্ম, কৰ্ম, কিম্বা দেখাপোৱা সুন্দৰ জগতখন কি - মই বুজি পোৱা নাই। দেৱ কুলোদ্ভৱ কোন বুজি পোৱা নাই। হে' মধুসূদন, তুমি যজ্ঞৰ অধিপতিজন কিদৰেনো মোৰ থুনুকা দেহত থাকাঁ? একান্ত ভকত সবে মৰণ পৰত তোমাক কিদৰে চিনে? ১-২।

কৃষ্ণ ঃ সখা, চিন্ময় জীৱাত্মাৰ বিকাৰ নাথাকে আৰু বিনাশ নহয়, ই ব্ৰহ্মৰে অংশ, অমৰণ অভগণ অধ্যাত্ম স্বভাৱ তাৰ। পাৰ্থ পাৰ্থিব দেহৰ বিকাশৰ বাবে যত কাম কৰা তাকে সকাম কৰ্ম কয়। ৩। হে' জীৱশ্ৰেষ্ঠ, তৰাৱলী, নীলাকাশ, সাগৰৰ নীলা, সেউজীয়া গছ-বন বেলি হেঙুলীয়া, দেখিছা যিমান পুৱা চকু মেলি, তাকে কয় অধিভূত; দৃশ্যমান পাৰ্থিব জগত; গধুলি-পুৱা দৃশ্যপট সলনি হয়। বিশ্বৰূপ ধৰি দেৱকুল সামৰি মই অধিদৈৱ, ৰবিমণ্ডলত যি বিকাশ প্ৰধান; দেহৰ ভিতৰে ভিতৰে মই অধিযজ্ঞ ৰূপে থাকোঁ। নৰ নাট সামৰা পৰত যিজনেই মোক স্মৰণ কৰিব সিজনেই মোৰ স্বৰূপ লাভ কৰিব, তাত অলপো সংশয় নাই। ৪-৫। অৱশ্যে তেনে ভাৱ সদা সজাগ নাথাকিলে, মৰণ পৰত মোক মনত নপৰে। দেহা এৰি যাবৰ পৰত ওৰে জীৱনত যি ভাৱ চিন্তা কৰে সেই ভাৱহে মনলৈ আহিব। মৰণ পশ্চাৎ, উত্তৰ কালত তাকে পাব।৬। সৰ্বদাই সকলো কৰ্মত চিত্ত বুদ্ধি সমৰ্পিত কৰি সুঁৱৰিলে নৰ নাট সামৰা পৰত মোৰ পৰশন লাভ কৰে। ৭। ভকতসবে যদি ভকতি পথত পিচলি নপৰে, মোক একাগ্ৰ চিত্তত স্মৰণ কৰি লাভ কৰিব পাৰে। তাত অলপো সংশয় নাই। ৮। মই অনাদি অনন্ত, আদিত্য উজ্জ্বল - সৰ্ব প্ৰকাশক, সৰ্বজ্ঞ নিয়ন্তা মই- চিন্তাৰ অতীত, ক্ষুদ্ৰাতিক্ষুদ্ৰ মই জগত পালক, সৰ্বত্ৰ বিৰাজ কৰা পৰম পুৰুষ। ৯। মৰণ পৰত যোগ আৰু ভকতিৰে মন স্থিৰ কৰি নিৰাকাৰ ৰূপ স্মৰণ কৰিলে মোৰ জ্যোৰ্তিময় দিব্যৰূপ ধ্ৰুৰূপ মিলিব। ১০। সেই মোহনৰূপ দেখা পাবলৈ ওংকাৰ ধ্বনি কৰা বেদজ্ঞসকলে, আসক্তি ৰহিত মহৰ্ষিগণে ব্ৰহ্মচৰ্য্য পালন কৰিছে। মনৰ দুৱাৰ মেলি, দেহৰ দুৱাৰ মাৰি, হৃদয়ত মন বান্ধি যোগবলে মুক্তহৈ মৰণ পৰত ভ্ৰৱৰ মাজত প্ৰাণবায়ু বোধ কৰি পৰমাত্মা

পৰম জ্যোতিক লাভ কৰিব পাৰি। ওংকাৰ ধ্বনি তুলি মোক স্মৰণ কৰি মৰণ বৰণ কৰিলে মাধৱৰ পৰমপদ লাভ হয়। ১১-১৩। একান্ত ভকতসৱে ওৰেটো জীৱন অহোৰাত্ৰ মোৰ নাম সোঁৱৰণ কৰে, তেনেজন যোগীয়ে মোক অপ্ৰয়াসে লাভ কৰে। ১৪। দুদিনীয়া ধৰাৰ্লৈ পুনৰ জনম লভি ঘূৰি নাহে। ১৫। হে অৰ্জুন, ব্ৰহ্মাকে আদি কৰি চৌদ্ধটি ভুৱনত (সাতখন স্বৰ্গ - ভু, ভুব, স্ব, মহ, জন, তপ, সত্যলোক; সাতখন পাতাল - অতল, সুতল, বিতল, তলাতল, মহাতল, ৰসাতল পাতাল) বাস কৰি থকা যত জীৱগণ আছে পুনৰ পুনৰ বাৰ জনম লভিছে। যিজনে মোৰ শৰণ পশিলে সিজনাৰহে অনন্ত ধামত বাস হ'ল। ১৬। মানুহৰ সহস্ৰ বছৰে ব্ৰহ্মাৰ এদিন হয়। মানৱৰ হেজাৰ যুগৰ লীন গ'লে ব্ৰহ্মাৰ এৰাতি হয়। দিনৰ সেই উষাৰ পৰত, প্ৰজাপতিয়ে যেতিয়া নয়ন মেলিছিল, অব্যক্তৰ পৰা সকলো জীৱই নিজৰ প্ৰকাশ লভিছিল। দিনান্তত সিজনাই চকুজুৰি জপাই ধৰিলে, সকলো অব্যক্ততে লীন হ'ব। পুনৰ যেতিয়া ব্ৰহ্মাই আন এক নতুন কল্পত জনম ধৰিব জগতৰ সকলোটি চৰাচৰ প্ৰাণী এইদৰেই মৰি মৰি পুনৰ উপজিব। এইদৰে চক্ৰৱত হৈ অব্যক্তত আদি যত সকলোটি ব্যক্ত হয় নিশা সমাগত হ'লে পুনুবাৰ সেই অব্যক্তত লীন হয়। ১৮-১৯। প্ৰকাশ্য অদৃশ্য এই প্ৰকৃতি নিয়মৰ চক্ৰৰ বাহিৰত মই অব্যক্ত হৈ থাকোঁ। জগতত যদি প্ৰলয়ো ঘটে, মই তথাপিতো উদাসিন। জন্মহীন মৃত্যুহীন মোৰ মন বুদ্ধিৰে ঢুকি নাপায়। এয়েই অব্যক্ত ব্ৰহ্ম, অনন্ত অক্ষৰ।২০। সেয়ে শ্ৰেষ্ঠ ধাম, য'ত মোৰ বাস। জ্ঞানী জনে তাক অদেখা অভগন বোলে। তাত উপনীত হ'লে প্ৰাণ মুক্ত হয়। ২১। যদিওবা মই জীৱন চক্ৰৰ বাহিৰত থাকোঁ তথাপি মই সকলো ভুৱন আবৰোঁ। এই বিশ্ব চৰাচৰ ব্ৰহ্মতেই স্থিত। পৰাভক্তি বলে ব্ৰহ্মলাভ অতিকে সহজ। ২২। হে' সব্যসাচী, মই বাটৰ বতৰা আৰু কালৰ খবৰ দিওঁ যি বাটে যি ক্ষণ বাচি পৰপাৰলৈ গতি কৰিলে জগতৰ ভাৱ ব'বলৈ যোগীজনং পুনৰ্বাৰ উভতি নাহে। ২৩। সূৰ্য্যৰ উত্তৰায়ণত অগ্নি আৰু জ্যোতিৰ দশাত শুক্লা তিথিৰ কোনো দিনৰ বেলাত যিজনাৰ মৰণ হয় সেইজনাৰ পৰম গতি লাভ হয়। ২৪। যদিহে দক্ষিণায়নৰ কৃষ্ণ পক্ষৰ নিশাৰ বেলাত ধুম্ৰৰ দশাত মৰণ হয় সিজনাৰ চন্দ্ৰলোক ধাম লাভ হয়, বাৰে বাৰে উভতি আহে। ২৫। আন্ধাৰ আৰু পোহৰৰ এই দুটিয়েই জগতৰ সনাতন পথ। তমসাৰ পথে পুনৰাবৃত্তি, জ্ঞানৰ দীপ্ত পথে জীৱৰ নিবৃতি হয়। ২৬। দুয়োটিকে চিনিলৈ ভক্তি পথত থাকি নিস্কাম কৰ্মযোগ আচৰিলে মোক্ষলাভ নিশ্চিত। ২৭। বেদপাঠ, যাগ-যজ্ঞ, সাধনা, তপস্যা, দান কৰ্ম আদি সকাম কৰ্মৰাজি বিফল নহ'ব পাৰে। পাছে ভকতি ভাৱেৰে সেৱাৰ কৰ্ম কৰিলে অনায়াসে সকলোটি ফল লাভ হয়, শাশ্বত পৰম ধাম লাভ হয়। ২৮

## নৱম অধ্যায়

# ৰাজগুহ্য যোগ
# এক দেৱ জ্ঞান

কৃষ্ণ ঃ ভক্তিৰ মাহাত্ম্য বুজিলা যেতিয়া পৰমাৰ্থৰ পৰম গুপুত কথাটি এতিয়া কওঁ, যাৰ ফলে জড় জগতৰ যতমানে অশুভ দুঃখৰ পৰা মুক্তি লাভ হয়। ১। এই জ্ঞান শ্ৰেষ্ঠ, পূত, পৰম গুপুত। তাৰে দাপোণত নিজৰেই ৰূপ দেখা যেন জ্ঞান হ'ব। তাতেই ধৰ্ম ধৰিবৰ ধাউতি হ'ব, মুক্তিৰ উপায় দেখা পাবা। সেই তৃপ্তিৰ ফল অক্ষয়। ২। হে' পৰন্তপ, ভক্তিত শ্ৰদ্ধা নাথাকিলে মই বহু দূৰে দূৰে থাকোঁ। তেনে আত্মাৰ মুক্তি নাই। ৩। মূৰ্তিশূন্য অব্যক্ত ৰূপত মই সমস্ত জগত আবৰি ৰাখিছোঁ। মোৰ দৰশনো নাই, পৰশনো নাই। সখা, প্ৰকাশ্য জগত যিমান দেখিছা, অপ্ৰকাশ্য হৈ সমস্ততে ময়ে বিৰাজিছোঁ। কিন্তু মই সিবোৰত নিৰ্লিপ্ত। ৪। যদিওঁ মই সৰ্বব্যাপ্ত জগত পালক, সমস্ত জগত মোতেই সোমাই আছে, মই ভূতগ্ৰামৰ আবাসী নহওঁ। এয়ে মোৰ ঐশ্বৰিক যোগৰ প্ৰভাৱ। ৫। সীমাৰ পৰিধি ভঙা পৱন বেগবানে, যদিও আকাশৰ আশ্ৰয়তে জিৰায়, সখা, অনিলত কিন্তু আকাশ নিৰ্লিপ্ত। যদিওঁবা মই সকলো জীৱৰ ধৰণী স্বৰূপ, ময়ো নভৰ দৰেই নিৰ্লিপ্ত। ৬। হে' কৌন্তেয়, এই বিশাল জগত একোটি কল্পৰ শেষ হ'লে মোতে বিলয় হয়। কল্পান্তৰৰ পাছত পুনৰ নতুন কল্পৰ আৰম্ভনিত মই জগত পুনৰ স্ৰজন কৰোঁ। ৭ । মোৰ শক্তি প্ৰকৃতিত অধিষ্ঠিত কৰি প্ৰকৃতি বশত থকা মায়াত অৱশ এই সমস্ত ভুতক ময়েই স্ৰজিছোঁ। ৮। সেয়ে সখা, যদিও জগতৰ ময়ে কাৰিকৰ, সৃষ্টিৰ কামত মই আৱদ্ধ নহওঁ। মোৰেই নিৰ্দেশ মানি প্ৰকৃতিয়ে স্ৰজন কৰিছে যদিও মই নিৰাসক্ত হৈ থাকোঁ। ৯। প্ৰকৃতিত মোৰ অধিষ্ঠান হোৱা হেতু চৰাচৰ সমস্ত জগত সৃষ্টি হ'ল। যদিওবা তাৰ আদি আৰু লয় আছে, মই নিজে অনাদি, অনন্ত, অক্ষয়, অব্যয়। ১০। সাধাৰণ মনুষ্যৰ প্ৰকাশ্য ৰূপত দেখি মোক মূঢ়জনে অৱহেলা কৰে। অব্যক্ত ৰূপৰ মই সৰ্বভূতৰ মহেশ্বৰ বুলি সেইসকল দুৰ্মতি পামৰ পাহৰি যায়। ১১। চেতনা ৰহিত তেনেবিলাক পাপীষ্ঠ পামৰ। তেওঁলোকৰ আশা, কৰ্ম, জ্ঞান, বিচাৰ সকলো অসাৰ; সিবোৰ মোহগ্ৰস্ত বুদ্ধিভ্ৰষ্ট ৰাক্ষস। ১২। মাধৱত শিৰ অৱনত কৰি,

যাৰ চিত মদগত হয়, দৈৱ প্ৰকৃতিৰ আশ্ৰয়ত যাৰ সৃষ্টি স্থিতিৰ অনন্ত অব্যয় ময়েই কাৰণ বুলি বোধোদয় হ'ল, সেইসকলেই মহাত্মা বুলি জানিবাঁ। ১৩। একান্ত ভকতসবে, মোৰ গুণ কীৰ্ত্তন কৰি, কৰ্মত বিশ্বাস থাপি, নিতে মোৰ উপাসনা কৰে। ১৪। কোনোজনে জ্ঞানযোগে, কোনোজনে অভেদ ভাবি, আনজনে বান্ধৱ মাধৱ বুলি ধৰি লৈ মোৰ সতে সখী পাতে। কোনোজনে মোক বহুধাৰূপত পূজে। ১৫। ময়েই বেদৰ বিহিত যজ্ঞ, ময়েই স্মৃতিৰ বিহিত যজ্ঞ; ময়েই পিতৃক তৰ্পিত পিণ্ডৰ স্বধা। সখা, নানান ব্যাধিৰ ময়েই ঔষধ, বেদৰ মন্ত্ৰধ্বনি মই, ময়েই যজ্ঞৰ হবি, শশীধৰ অগ্নিৰ হোম। মই জগত পালক, জগতৰ পিতা, কৰুণাদায়ক মই, জগতৰ মাতা। মই ধাৰক পিতামহ - সৃষ্টিৰ কাৰক; ময়েই পৰম জ্ঞেয়; সাম, যজু, ঋকৰ পূত ওঙ্কাৰ ধ্বনি মই। ১৬- ১৭। মই জগতৰ গতি, মই নিয়ন্তা মাধৱ স্বামী, সনাতন সাক্ষী, মই জীৱৰ আশ্ৰয় - পৰম বান্ধৱ। সৃষ্টি, স্থিতি, প্ৰলয়ৰ ময়েই কাৰক, বীজৰ অবিনাশী স্বৰূপ। মই ৰবি, তাপ দিওঁ, বসুধাৰ পানী গ্ৰাস কৰোঁ, পুনৰ মই বৰিষণ কৰোঁ। ময়েই মৃত্যু আৰু জীৱৰ জীৱন। অপ্ৰকাশ্য সৎ মই, আৰু যত প্ৰকাশ্য বহুতো অসৎ। ১৮-১৯। ত্ৰিবেদীৰ জ্ঞানীগণে অগ্নিত ঘৃতাহুতি ঢালি, সুধা সোমৰস পান কৰি, মনৰ কালিমা পখালি, ইপাৰত অমৰাৱতীত স্থান লভে, দেৱতাৰ সুখ ভোগ কৰে।২০। সৱগৰ ভোগ্য ভোগি, সঞ্চিত পূণ্য ক্ষয় কৰি, তেনেজন ভকতৰ পুনু ধৰালৈ আগমন হয়। এইদৰে কামনা কৰি, যাগ যজ্ঞ অনুষ্ঠান কৰি, দুখ সাগৰত ক্ষণিকৰ সুখ পায়। সৱগ ধৰাৰ মাজে নিৰন্তৰ অহা-যোৱা, এয়াই জন্ম মৃত্যুৰ চক্ৰ।২১। একান্ত ভকতসবে অহৰ্নিশে হৃদয়ত মোক ধ্যান কৰি ভকতিৰ মহাবলে মোক লাভ কৰিছিল, ময়ো বৈকুণ্ঠৰ ঐশ্বৰ্য্যৰাজিৰে তেনে ভকতৰ পাছে পাছে ফুৰোঁ (একান্ত ভকতসৱে নিৰ্গুণ কৃষ্ণৰ গুণ গাৱে সদা বসিয়া যথাত, বৈকুণ্ঠক পৰিহৰি যোগীৰো হৃদয় এৰি থাকা হৰি সাক্ষাতে তথাত। নামঘোষা ৪) ২২। গছৰ গুৰিত পানী ঢালিলে ডাল, পাত, ফুল, ফল সবাৰে সন্তোষ হয়। আন কোনো দেৱতাৰ বেদিত পূজা উপচাৰ যাচিলে আচলতে ভকতি ভাৰত মোৰেই চৰণ পূজে, মাৰ্থো আওবাটে। ২৩। যজ্ঞৰ ভোক্তা মই পৰমেশ্বৰ, ময়ে হোমাগ্নিৰ ফল প্ৰদান কৰিছোঁ। কোনোবাই তাক নিচিনিলে ধৰালৈকে উভতি আহিব।২৪। দেৱতাক পূজিলে দেৱলোক লাভ হয়, পিতৃলোক পূৰ্বজ পুজাত মৰণ পশ্চাৎ সিবোৰৰ সংগ লাভ হয়। ভূত পূজা কৰিলে তাৰে সঙ্গবাস হয়। মাধৱৰ চৰণ পূজিলে মোৰেই বুকুত থান পায়। ২৫। মই যজ্ঞ উপচাৰ অঞ্জলি নিবিচাৰোঁ। এটি মাৰ্থো গন্ধপুষ্প, পানী এচলু, নতুবা পত্ৰ ফলমূল আদি কোনোবাই ভকতি ভাৰত যাচি দিলে



পৰম তৃপ্তিৰে তাকে হাত পাতি লওঁ। ২৬। যিহকে ভোজন কৰা, হোমত আহুতি দিয়া, যিহকেই ভিক্ষাৰ পাত্ৰত দান দিয়া, যিহকে যিদৰে তপ কৰা নালাগিলে, সৰ্ব কৰ্ম মোতে সমৰ্পণ কৰাঁ। ২৭। হে' সাধক, মোত কৰ্ম সমৰ্পণ কৰিলে সমস্ত কৰ্ম হ'ব ব্ৰহ্মৰ কৰ্ম, তুমিও ব্ৰহ্মভূত হ'বাঁ। ২৮। মই সকলো ভূতৰে কৰুণা সাগৰ, কাৰো প্ৰতি মোৰ ভেদাভেদ নাই। হৃদয় উজাৰি যি মোত ভজি আছে, তেওঁৰ মাজতে মোক দেখা পাবাঁ। ২৯। যদি কোনো দুৰাচাৰে মোক একান্ত চিতেৰে ভজে, সিজনাৰ বোধোদয় হ'ল, তেনেজনো সাধু সন্ত বুলি নিশ্চয়কৈ জানিবাঁ। (মহা দুৰাচাৰো আতিশয় আন দেৱ তেজি মোকেসে মাত্ৰ ভজয়। তাকেসে পৰম সাধু বুলি মানিবা মনত সৰ্বক্ষণে যিহেতু সম্যকে কৰিল মোক নিশ্চয়। নামঘোষা ৬০৭) "ভক্তিৰ মহিমা বিপৰীত অধৰ্ম তেজিয়া ধৰ্ম চিত হোৱে শীঘ্ৰে মোকে ভজি জানা কুন্তিসুত। আৰু যি কুতৰ্কী নমানয় তথা গৈয়া বায়ো বাদ্যচয় বাহু মেলি কৰা অহঙ্কাৰ অদ্ভুত।" নামঘোষা ৬০৮) ৩০। তেনে দুৰাচাৰৰ ধৰ্ম পথে মতি হ'লে মোকে ভজি উদ্ধাৰ হয়। ভকতৰ কোনোকালে বিনাশ নহয় মোৰে প্ৰসাদতে অনুপম শান্তি লভে। ৩১। বৈশ্য, শূদ্ৰ আৰু নাৰীগণকে ধৰি যিসকল বেদজ্ঞান লাভৰ পৰা বঞ্চিত লোক আছে, মোৰ নিৰ্মল ভকতিৰে সংসাৰ তৰে। মোকেই আশ্ৰয় মানি কম, বন্ধনৰ পৰা মুক্ত হয়। ৩২। পূণ্যৱান ব্ৰাহ্মণ ভকত, ঋষিতুল্য ৰাজনসকল মোৰ প্ৰসাদতে সবাৰে উদ্ধাৰ হয়। যেতিয়াই এই অনিত্য জগতত প্ৰৱেশিলা, সুখহীন পৃথিৱীলৈ আহিলা, গতিকে মোতেই শৰণ লোৱাঁ। ৩৩। মোতে সদা মন দিয়াঁ, সৰ্বক্ষণ ভক্ত হোৱাঁ, মোকে পূজাঁ, নমস্কাৰ কৰাঁ। শয়নে-সপোনে সখি, মোকেই স্মৰণ কৰি যদি মোতেই শৰণ লোৱা - মৰণক জয় কৰি ভৱ সাগৰ তৰি পৰম আত্মাৰে তোমাৰ মিলন হ'ব। ৩৪।

## দশম অধ্যায়

# বিভূতি যোগ
# কৃষ্ণ শ্ৰেষ্ঠ

কৃষ্ণ ঃ সখা, তোমাক অনেক অমৃত বাণী শুনালোঁ। এতিয়া পুনৰাই আৰু দুটিমান কথা আৰু কিছু জ্ঞান দিবলৈ কওঁ। ১। ব্ৰহ্মা আদি দেৱগণ, যত ঋষি মুনি গণ সবাৰেই আদিতে ময়েই কাৰণ। সিবোৰে সেয়ে মোৰ উৎপত্তি বৰ্ণনা নাজানে। ২। যিজনে মই জন্ম ৰহিত মৃত্যুহীন বুলি জানিছে, মই সকলো লোকৰ মহেশ্বৰ বুলি জানিছে, মোহমুক্ত সিজনাই নিৰ্মল ভকত। ৩। মই কৰ্মৰ নিয়ন্তা, ভাৱৰ নিয়ন্তা। বুদ্ধি, জ্ঞান, অসংমোহ, ক্ষমা, সত্য, চিত্ত আৰু ইন্দ্ৰিয় সংযম, অহিংসা, সমতা, তপ, তুষ্টি, দান, যশ, অপযশ, সুখ, দুখ, জন্ম, মৃত্যু, অভয় আৰু ভয় ময়েই স্ৰজন কৰিছোঁ। ৪-৫। মৰীচ্যকে আদি কৰি সপ্ত মহৰ্ষি, সনককে ধৰি পুৰাতন চাৰি সিদ্ধ, মানৱৰ প্ৰথম অঙ্কুৰ চৌদ্ধজন মনু (ব্ৰহ্মাৰ চৌদ্ধজন মানস পুত্ৰ - স্বায়ম্ভুব, স্বাৰোচিত, উত্তম, তামস, ৰৈবত, চাক্ষুস, বৈবস্বত, স্বাবনি, দক্ষবনি, ব্ৰহ্মবনি, ধৰ্মবনি, ৰুদ্ৰস্বা, দেৱস্বা, ইন্দ্ৰ স্বাবনি ) মোৰেই মানস পুত্ৰ । ৬। মোৰ বিভূতি নিৰ্মাণ শক্তি বুজি পালে মোতে মন স্থিৰহৈ থাকে, একান্ত মানসে মোৰে নাম লয় । ৭। জগতৰ সৃষ্টিৰ ময়েই কাৰণ, সবাৰেই আদিৰে ময়েই কাৰণ। মোতেই বিশ্ব চৰাচৰ বৰ্ত্তি আছে। যিবোৰে এই পৰম তত্ত্ব জানিছে, নিৰ্মল চিত্তেৰে চিৰসুন্দৰক ভজি তেনে জ্ঞানীজন মোৰ ওচৰ চাপিছে । ৮। সাধুৰ সংগতে ভকতি ৰসত মজি, মন প্ৰাণ সমৰ্পণ কৰি, শ্ৰৱনে-কীৰ্ত্তনে হৃদয় উজাৰ কৰি মহানন্দ লভে। ৯। তেনেজন ভকত মোৰ প্ৰিয়তম ভক্ত। তেওঁ মোকেই ভজনা কৰি মোৰেই লগতে থাকে, ময়ো জ্ঞানৰ প্ৰদীপ দিওঁ। তাৰে আলোকত, তমসাই ঢাকি ৰখা মুকুতিৰ পথ জিলিকি জিলিকি উঠে, মনৰ আন্ধাৰ দূৰ হয় । ১০-১১।

অৰ্জুন ঃ সখা, দেৱৰ্ষি নাৰদে কোৱা এই কথা মোৰ মনত পৰিছে। সেয়া অসিত, দেৱল, ব্যাস ঋষি সকলেও কৈছে। তুমিও নিজে বুলিছাঁ - আদি-দেৱ নিত্য পূত তুমি, সৰ্বশ্ৰেষ্ঠ পৰম আশ্ৰয়, অজ দিব্য পুৰুষ, তুমি পৰম ব্ৰহ্ম । ১২-১৩। হে' কেশৱ, যি কথা ক'লা ভালদৰে



বুজিছোঁ, পাছে মই সামান্য মানৱ, কিদৰে জানিম, আনকি দেৱতা দানৱ কিম্বা অসুৰ কিন্নৰ কোনোৱেই তোমাৰ আবিৰ্ভাৱ ৰহস্য নাজানে। ১৫। হে' পুৰুষোত্তম, জগতৰ সৃষ্টিৰ কাৰক, দেৱৰো দেৱতা তুমি, জীৱৰ পালক, তোমাৰ পৰিচয় মাথোঁ তোমাৰ হাতত আৰু কোনোৱে তোমাৰ স্বৰূপ নাজানে। ১৫। যি বিভূতিৰে, চৰাচৰ সমস্ত জগত আগুৰিছা, কৃপা কৰি মোক বহলাই কোৱাছোন। ১৬। হে' মহাযোগী বিপদ বাৰণ, তুমি মোৰ ইমান কাষতে থাকাঁ, তথাপিতো সহস্ৰ যোজন আঁতৰত থাকাঁ। মোক সখা অনুগ্ৰহ কৰি কোৱাছোন কি বিভূতিত মই তোমাৰ সন্ধান কৰোঁ, কিভাৱে চিন্তিলে মুকুতিৰ ধাম পাম । ১৭। হে' জনাৰ্দ্দন, যোগাশ্বৈৰ্য, আৰু বিভূতিৰ বিষয়ে পুনু বাৰ অমৃতবাণী শুনোৱাঁ।১৮।

কৃষ্ণ ঃ হে' কুৰুশ্ৰেষ্ঠ, মোৰ অনন্ত অগণন বিভূতি আছে। সকলো বখানা সম্ভৱ নহয়। তাৰে মাথোঁ মুখ্য দুটিমান এতিয়া সংক্ষেপে চয়ন কৰোঁ । ১৯। ময়ে সকলো জীৱৰ হৃদিস্থিত আত্মা, সৃষ্টি, স্থিতি, প্ৰলয়ৰ ময়েই কাৰণ। ২০। ময়েই আদিত্য বিষ্ণু - দেৱশ্ৰেষ্ঠ অদিতি তনয়; ময়েই উজ্জ্বল ভানু - জ্যোতিস্মান জ্যোতিস্ক গণৰ; ময়ে মৰিচি - শ্ৰেষ্ঠ মৰুৎ সৱৰ; ময়েই চন্দ্ৰমা সখা নক্ষত্ৰগণৰ। ২১। বেদৰ সাম মই, শ্ৰেষ্ঠতম সংহিতা, ময়েই দেৱ সমাজৰ শ্ৰেষ্ঠ ইন্দ্ৰ। ময়েই ইন্দ্ৰিয় লোকৰ অগ্ৰণী মন, ময়েই সৰ্বভূতৰ চেতনা। ২২। একাদশ ৰুদ্ৰৰ ময়ে শংকৰ, মই যক্ষ সমাজৰ অগ্ৰণী কুবেৰ। ময়েই শ্ৰেষ্ঠ অষ্টবসুৰ অগ্নি, আকাশক চুব খোজা, সৰ্বোচ্চ গিৰিমালা সুমেৰু পৰ্বত । ২৩। ময়ে ত্ৰিলোকৰ সৰ্বশ্ৰেষ্ঠ পূজাৰী দেৱগুৰু; সকলো যুগৰ সৰ্বশ্ৰেষ্ঠ সেনাপতি ময়ে কাৰ্তিক, জলাশয়ৰ শ্ৰেষ্ঠতম ময়েই সাগৰ । ২৪। ময়েই ঋষিশ্ৰেষ্ঠ ভৃগু, বাক্যৰ মাজত মই একাক্ষৰ পৱিত্ৰ প্ৰণৱ। ময়েই শ্ৰেষ্ঠতম যজ্ঞ- জপ, স্থাৱৰৰ বৃহত্তম হিমালয় ময়ে। ২৫। বিৰিখৰ মাজত মই পৱিত্ৰ আহত, দেৱৰ্ষিৰ ভিতৰত ময়েই নাৰদ, মই সিদ্ধৰ কপিল, চিত্ৰৰথ গন্ধৰ্ব। ২৬। ক্ষীৰোদ মন্থনে পোৱা ময়েই পক্ষীৰাজ উচ্চৈঃশ্ৰৱা। দেৱেন্দ্ৰৰ যাত্ৰাৰ শোভা ময়ে ঐৰাৱত, মানৱৰ সমাজত ময়েই ৰাজন । ২৮। মই অগ্নিময় দধিচি হাড়ৰ অস্ত্ৰৰ বজ্ৰ, মই সৰ্পৰ বাসুকি, গাভীৰ শ্ৰেষ্ঠ কামধেনু মই জনন দেৱতা কন্দৰ্পকুমাৰ। ২৯। ময়েই অনন্ত নাগ বিষ্ণুৰ শায়িত শয্যা ৰচিছিলোঁ, মই বুৰণ প্ৰাণীৰ দেৱতা বৰুণ। ময়েই পিতৃপুৰুষৰ অৰ্যমা, মই মৃত্যুৰ দেৱতা বিধাতা পুৰুষ। ৩০। ময়েই দৈত্যৰ প্ৰদীপ ভক্ত প্ৰহ্লাদ, অন্তহীন সময় প্ৰবাহ ময়েই কাল, পশুৰ মাজত ময়ে বনৰাজ, পক্ষীৰ মই বিনতা তনয় গৰুড়। ৩১। মই সৰ্ববেগী বায়ু, যোদ্ধা শ্ৰেষ্ঠ ৰাজীৱলোচন ৰাম, মই জলচৰ মকৰ, পূত সলিলৰ

ভাগিৰথী। ৩২। ময়েই সৃষ্টি স্থিতি লয়ৰ কাৰণ, জ্ঞানৰ শ্ৰেষ্ঠ মই আত্মাৰ জ্ঞান, তত্ত্ব জিজ্ঞাসাৰ বাদ জল্প বিতণ্ডা তৰ্কৰ ময়েই বাদ। ৩৩। মই সমৰূপী উভয় পদৰ সমাসৰ দ্বন্দ সমাস, মই অক্ষৰৰ 'অ', অক্ষয় কাল, জগতৰ স্ৰষ্টা মই বিধাতা ঈশ্বৰ। ৩৪। ময়েই মৃত্যু, সকলোৰে সংহাৰ কাৰক; ভবিষ্যৰ সম্ভাব্য কল্পৰ জীৱৰ কঠিয়াতলি মই। ময়ে মেধা ধৃতি ক্ষমা, শ্ৰী বাক, স্মৃতি আৰু খ্যাতি, যতমানে নাৰীৰ ভুষণ, সকলোটি মোৰেই বিভূতি। ৩৫। দেৱৰাজৰ স্তুতি মন্ত্ৰ ময়ে বৃহৎ সাম, ছন্দৰ মন্ত্ৰৰ ময়ে গায়ত্ৰী মহান। বছৰৰ অগ্ৰত মই আঘোণৰ মাহ, ঋতুৰ মাজত মই বসন্ত ঋতুৰাজ। ৩৬। ছলনাৰ শ্ৰেষ্ঠ ময়ে পাশাখেল, বিজয়ীৰ তিলক মই, তেজস্বীৰ তেজ, পুৰুষাৰ্থ, উদ্যম মই, সাত্ত্বিকৰ সত্ত্ব। ৩৭। যদুবংশে বাসুদেৱ, পাৰ্থ, মই পাণ্ডুৰ কুলত, মুনিৰ পুৰাণ ৰচক ব্যাসদেৱ মই, ময়েই সুক্ষ্মাৰ্থদৰ্শী কবি শুক্ৰচাৰ্য। ৩৮। শাসনৰ দুৰ্নীতি দমন মই 'দণ্ড', মই বিজয়ীৰ সম দম নীতি। মই জ্ঞানীৰ জ্ঞান, গুপ্ত মেলৰ ময়েই মৌনতা। ৩৯। হে' পৰন্তপ, মোৰ বিভূতি অগণন অসীম। অসীম ৰূপৰ সীমা বান্ধি আঁকি দিলোঁ। ৪০। য'তেই কান্তি ঐশ্বৰ্য প্ৰভাৰ দেখিবাঁ, নিশ্চয় বুজিবাঁ, সেয়া মোৰ এটি এটি কণিকা প্ৰকাশ। ৪১। সখা, পাৰাপাৰ নোপোৰা বিভূতি সাগৰ ভেদিবলৈ কিয় ব্যাকুল হৈছাঁ? তাৰ জানো কিবা প্ৰয়োজন আছে? মই সকলো জগত ধাৰণ কৰিছোঁ, তাকেই মোৰ সম্পদ এপদ বুজিবাঁ। ৪২।

## একাদশ অধ্যায়

# বিশ্বৰূপ দৰ্শন
# ভক্তৰ সাধন

অৰ্জুন ঃ হে' সখা, প্ৰাণৰ বান্ধৱ, যিমানে পৰম গোপন অধ্যাত্ম কথাৰ জ্ঞান দিলা, তাৰে আলোকত মায়াৰ কুঁৱলী ভেদি প্ৰকৃত জগত প্ৰকাশ্যে দেখা পাইছোঁ। মই মোৰ ভাৰ শেষ হ'ল, তুমিয়েহে যন্ত্ৰী, আমি তোমাৰ যন্ত্ৰ। ১। তোমাতে আদি আমাৰ, তোমাতেই নীড়, অব্যয় মাহাত্ম্য তুমি কমললোচন। ২। হে' পৰমেশ্বৰ, পুৰুষোত্তম, ভেদ ভাঙি পানী পানী কৰি তোমাৰ বিভুতিৰ কিমান কথা ক'লা, আমি কাণ ভৰি শুনি ল'লোঁ। তথাপি ঐশ্বৰীক ৰূপ দৰীশন পাবলৈ নয়ন আকুল হৈছে। ৩। হে' প্ৰভু, দুনয়ন ভৰি চাবলৈ যদিহে আমি অযোগ্য নহয় বুলি ভাবিছাঁ, তোমাৰ অনিন্দ্য সুন্দৰ দিব্য ৰূপত দৰ্শন দিয়া। ৪।

কৃষ্ণঃ চোৱাঁ অৰ্জুন, মোলৈ চোৱাঁ, মোৰ নানান বৰণ শত সহস্ৰ আকাৰ আৰু মোৰ ৰহস্যমণ্ডিত ৰূপ চাই লোৱাঁ। ৫। তাতেই দ্বাদশ আদিত্য দেখিবাঁ, অশ্বিনী কুমাৰ দ্বয়, ৰুদ্ৰ একাদশ, এটি কম শতাদ্ধ, পৱন, বসু আঠজন দেখিবাঁ। যি দিব্য ৰূপ চাবলৈ হাজাৰ-হাজাৰ যুগ ধৰি ঋষি মুনিয়েও আৰাধনা কৰে, একান্ত ভকতৰো যি ৰূপ ভাগ্যত নিমিলে, সেই কালৰূপ তুমি দৰ্শন কৰাঁ। ৬। মোৰেই দেহতে স্থাৱৰ জঙ্গম, চৰাচৰ সমস্ত জগত আৰু আন যি ইচ্ছা মনত জাগিছে এতিয়াই সকলোটি চাই লোৱাঁ। ৭। পাছে তেনে ৰূপ চাবলৈ চৰ্মৰ চকুৰে সম্ভৱ নহ'ব, সেয়ে মই দিব্য দৃষ্টি দান কৰিলোঁ - চোৱাঁ মোৰ ঐশ্বৰীক ৰূপ। ৮।

সঞ্জয় ঃ এই বুলি যোগেশ্বৰে দিব্যৰূপে অৰ্জুনক দৰ্শন দিলে। ৯। তাত অজস্ৰ মুখ অগণন চকু, অপুৰ্ব দৃশ্য ৰাজা, কল্পনাৰো অগোচৰ। দিব্যময় ভূষণ ৰঞ্জিত পৰম সুন্দৰ, অথচ অস্ত্ৰ সজ্জিত অতি ভয়ংকৰ। ১০। দিব্যমালা সুশোভিত, দিব্য বস্ত্ৰ পৰিহিত, দিব্যগন্ধ অনুলিপ্ত চন্দন চৰ্চিত তনু, লক্ষ ভানু উজ্জ্বল তনু, দিগন্ত ভেদি ব্যাপি আছে, ভাস্বৰিত আকাশত আলোক প্লাৱন দেখা গৈছে। ১১-১২। অৰ্জুনে সমুখত মাধৱৰ দেহত থুপতেই ব্ৰহ্মাণ্ড দেখা পালে। বিভিন্ন ৰূপত একো একো অৱয়ৱ। ১৩। মাধৱৰ তেনে ৰূপ দেখি সমস্ত শৰীৰ ৰোমাঞ্চিত হ'ল, বিস্ময় বিহ্বল শিৰ অৱনত হ'ল। তেওঁ আকুল

মিনতি কৰিবলৈ ধৰিলে।১৪।

অৰ্জুন ঃ দেখিলোঁ, দেখিলোঁ হে' দেৱ, দেখা পালো তোমাতেই ত্ৰিভুবন আছে। দেৱগণ, ঋষিগণ, তক্ষকমণ্ডলী, মহেশ্বৰ দেখা পালোঁ, নাভি কমলত প্ৰজাপতি, তোমাতেই যত চৰাচৰ বতি, আছে । ১৫। হে' বিশ্বৰূপ, তোমাতেই জগতৰ ৰূপ দেখা পাওঁ। তোমাৰ অজস্ৰ বাহু উদৰ অগণন, অগণিত আনন আৰু অসংখ্য নয়ন। যেনিয়েই চাওঁ একেটি ৰূপক মাথোঁ দেখা পাওঁ । আদি অন্ত মধ্য মই তৎ ধৰিব পৰা নাই। ১৬। গদা, চক্ৰ, কিৰীটিৰে তেজোদ্দীপ্ত এই সুৰ্যসম তেজী ৰূপ আমি কেনেকৈ চাওঁ। কিসাধ্য সসীম কৰোঁ অসীমৰ ৰূপ। ১৭। তুমিয়ে অক্ষৰ ব্ৰহ্ম প্ৰভু। জগতৰ পৰম আশ্ৰয়। নিত্য সনাতনী ধৰ্মৰ তুমিয়েই পালক। অক্ষয় অব্যয় তুমি সনাতন পুৰুষ। ১৮। তোমাৰ দেহত আদি অন্ত মধ্য নাই। অসীম ঐশ্বৰ্যশালী অতুলন বলী, জোন বেলি দুয়োমিলি দুনয়ন হয়। মুখখনি জিলিকে যেন প্ৰখৰ অগ্নিহে। তোমাৰ শকতিৰে তুমিয়েই ত্ৰিভুবন সৃজন কৰিছা। ১৯। সৰগ ধৰাৰ মাজে অন্তৰীক্ষ তুমিয়েই ধাৰণ কৰিছা। তুমিয়েই সকলোটি দিক-পৰিচয়, অনন্ত প্ৰসাৰী এনে ভীষণ ৰূপত স্বৰ্গ, মৰ্ত্য পাতালৰে তিনিটি ভূবন কম্পমান হয়। ২০। দলে দলে দেৱগণে তোমাতেই সমৰ্পণ কৰে, তোমাৰ কায়াত প্ৰৱেশিছে। কোনোজনে ভীত হৈ জয় জয় কৰে, মহৰ্ষি সিদ্ধই স্বস্তি স্বস্তি বোলে। ২১। ৰুদ্ৰ, আদিত্য, বসু, দেৱতাসকল, যক্ষ, ৰক্ষ আৰু গন্ধৰ্ব্ব, অসুৰ, পিতৃ-পিতামহ আৰু সিদ্ধ মৰুৎ সকলোটি তোমাৰ ভীষণ ৰূপত বিস্মিত। ২২। হে' মহাবাহু, অগণন বাহু, পাদ, উৰু, বহু বহু দাঁত থকা মূৰ্তি, সুবিশাল, ভয়াল বয়ান দেখা পাই আমিও অতিকে ভীষণ ভীতিগ্ৰস্ত। তনু মোৰ বিকল হৈছে, চিত্ত বিহ্বল হৈছে । ২৩-২৪। হে' সৰ্বব্যাপী, বিস্ফোৰিত বদনে তোমাৰ গগণ প্ৰসাৰিছে তোমাৰ বিশাল উজ্জ্বল নয়ন দেখি অন্তৰাত্মা মোৰ কঁপি উঠিছে। সেই ভয়ানক দাঁত দেখি চিনিছোঁ তোমাক - তুমি মহাকাল। তোমাৰ মুখলৈ চাই আমাৰ দৃষ্টিৰ বিভ্ৰম ঘটিছে। প্ৰসন্ন হোৱাঁ প্ৰভু, থান দিয়া তযু অভয় চৰণ তলত। ২৫। ভীষ্ম, দ্ৰোণ, কৰ্ণ, শৈল্য, ৰাজা দুৰ্য্যোধন তোমাৰ মুখ গহ্বৰত সবাই প্ৰৱেশিছে। কাৰো কাৰো শিৰ চুৰ্ণ হৈ দাঁতৰ সন্ধিত লাগি ৰ'ল। ২৬-২৭। যিদৰে সমুদ্ৰ বক্ষত তটিনী হেৰায়, যিদৰে জুইৰ বুকুত ছগা জাহ যায়, বীৰসৰে সিদৰেই ধুমুহাৰ দৰে তোমাৰ মুখৰ অগণি কুণ্ডত জাপ দিবলৈ লৰৰ ধৰিছে । ২৮-২৯। সকলোটিক লেলিহান অগ্নিৰে গ্ৰাসি নিছা, লেহনত তৃপ্তি লভিছা। তোমাৰ উগ্ৰ প্ৰভাৱে সমস্ত জগত ভৰি আছে । ৩০। প্ৰণিপাত কৰোঁ প্ৰভু , প্ৰসন্ন হোৱাঁ। তোমাৰ ক্ৰোধৰ কাৰণ জনাবানে? কোন তুমি,



কিয় উগ্ৰৰূপ ধাৰণ কৰিছাঁ? তুমি কি কৰ্মত প্ৰবৃত্ত আছাঁ। ৩১।

কৃষ্ণ ঃ কাল মই, জগতৰ সংহাৰৰ বিৰাট মুৰুতি। কল্পৰ অন্তত, কাম মোৰ লোকসংহাৰ। সখা ৰণত যদি প্ৰবৃত্ত নোহোৱাও কুৰু পাণ্ডৱৰ যত বীৰ মহাবীৰ কোনোজন জীৱিত নাথাকে। ৩২ । গতিকে তুমি ধনঞ্জয়, হাতত গাণ্ডীৱ তুলি লোৱা, অৰাতি নিধন কৰাঁ। যশোভাৱ ৰাজ্যভাৰ লৈ প্ৰজাগণ শাসন কৰিবা। তুমি মাত্ৰ নিমিত্তহে, সকলোৰে সংহাৰৰ ময়েই কাৰণ। ৩৩। ভীষ্ম দ্ৰোণ কৰ্ণ বীৰ জয়দ্ৰথ আৰু যত বীৰগণ আছে, ময়ে নিধন কৰি ৰাখিছোঁ, তুমি ছায়া হে বধিবা, বেজাৰৰ কাৰণ নাই । ৩৪।

সঞ্জয় ঃ কৃষ্ণৰ কথাত পৰম আশ্বাস লভি ভকতি ভাৰত মাত থোকাথোকি হল। কঁপি কঁপি নতজানু মধ্যম পাণ্ডৱে কৃতাঞ্জলি কৰে।৩৫।

অৰ্জুন ঃ হে' হৃষীকেশ, তোমাৰ মাহাত্ম্য কীৰ্ত্তনে জগতৰ হৰিষ মিলিছে কিয় ভালদৰে বুজি পালোঁ। তোমাৰ নাম শুনিলে ৰাক্ষস ভীত হৈ উৰ্দ্ধশ্বাসে পলায় কিয় আৰু কিয় মহাত্মা আত্মহাৰা হয় বুজি পালোঁ। ৩৬। দেৱৰো দেৱতা তুমি অনন্ত ঈশ্বৰ, জগতৰ পৰম আধাৰ। ব্ৰহ্মাৰো গুৰু তুমি, পিতা তুমি হিৰণ্য গৰ্ভৰ। সমস্ত জগতে কিয় তোমাক শিৰে নমস্কাৰ নকৰিব। তুমিয়েই কায, কাৰণ, অক্ষৰ ব্ৰহ্ম, তুমি সত-অসতৰ গুণাতীত। ৩৭। তুমিয়েই আদি দেৱ, পুৰুষ পুৰাণ, জগতৰ পৰম নিধান। জানোতা মাথোন তুমিয়েহে, তোমাতেই সকলো জ্ঞানৰ অন্ত পৰে। তুমিয়ে পৰম ধাম জগতৰ চুকে কোণে বিয়পি আছাঁ। ৩৮। হে' ভগৱান, তোমাক চিনিছোঁ, তুমি বায়ু, অগ্নি, যম, শশাংক, বৰুণ, ব্ৰহ্মাৰ জনক পিতামহ প্ৰজাপতি। শত কৌটি নমস্কাৰ জনাওঁ তোমাক। ৩৯। আগে পাছে দশোদিশে প্ৰণাম কৰিছোঁ, অনন্ত বল বীৰ্য, প্ৰভু অপাৰ শকতি, জগত বিয়পি আছাঁ, ধৰিছা আধাৰ । ৪০। তোমাৰ মহিমা নাজানি সখা কৃষ্ণ যাদৱ বুলি কত শতবাৰ অজানিতে প্ৰীতিভাৱে মূঢ়মতি হৈ, আমি তোমাক ডাকিলো। খাৱনে- শোৱনে, উঠনে-বহনে সদলে-নিৰলে আৰু ধেমালি চলেৰে, হয়তোবা পৰিহাসে হেয়জ্ঞান কৰোঁ। আমাৰ অপৰাধ মাৰ্জনা কৰাঁ। ৪২ । ত্ৰিজগত পতি হৰি গুৰু পুজ্যজন, ক'ত পাম তোমাতকৈ শ্ৰেষ্ঠ অনুপম, দণ্ডৱত হৈ প্ৰভু প্ৰণাম কৰোঁ, পুত্ৰ বুলি সখা বুলি সৰ্বদোষ মৰিষণ কৰাঁ। ৪৩-৪৪। প্ৰভু , তযু বিশ্বৰূপ সামৰা, অৰূপৰ ৰূপ দেখি পুলকিত হওঁ । প্ৰলয়ৰ মূৰ্তি দেখি হৃদয় কঁপিছে। কাকুতি কৰোঁ প্ৰভু , মোহন মুৰুতি পুনৰ দেখাবাঁ। ৪৫। হাতে গদা চক্ৰ আৰু কিৰিটি শিৰত, চতৰ্ভূজ ৰূপ পুনৰ দেখুৱা। ৪৬।

কৃষ্ণ ঃ হে' ধনঞ্জয়, তোমাত প্ৰসন্ন হৈ যোগৰ বলেৰে, তেজোদ্দীপ্ত জগতব্যাপ্ত আদিতম অনন্তৰ আশ্বৰ্য পৰম বিশ্বৰূপ দেখুৱালোঁ। তোমাৰ বাহিৰে কোনোজনে দেখা নাই। ৪৭-৪৮। হে' মোৰ পৰম ভকত, মোৰ কালৰূপ সম্বৰিলোঁ। এতিয়া পুৰণি মৰমী ৰূপত দৰিশন দিওঁ। ৪৯।

সঞ্জয় ঃ বাসুদেৱে কালৰূপ সম্বৰণ কৰি পুনৰাই প্ৰসন্ন ৰূপ ধাৰণ কৰিলে। ৫০।

অৰ্জুন ঃ হে' জনাৰ্দ্দন, তোমাৰ এই চিনাকি মানৱ ৰূপত ধীৰ হওঁ, স্থিৰ হওঁ আৰু হৰষিত হওঁ। ৫১।

কৃষ্ণ ঃ যি দিব্য ৰূপ চাবলৈ দেৱতাই আৰাধনা কৰে, হাজাৰ হাজাৰ যুগ ধৰি ঋষি মুনিয়ে উপাসনা কৰে, সেই কালৰূপ মাথোঁ তুমিহে দেখিলা। ৫২-৫৩। একান্ত ভকতৰো এই ৰূপ মিলিব ভাগ্যত। সিজনাৰ জনা আৰু দেখাৰ সাধনা পূৰ্ণ হ'ব, মোতেই প্ৰৱেশ কৰি পৰম সান্ত্বনা লাভ কৰিব। ৫৪। হে' মোৰ প্ৰিয় অৰ্জুন, যিজনাই সকলো কাম মাথোঁ মোৰ বুলি, ময়ে মাথোঁ জগতৰ গতি বুলি ভালকৈ জানে, যি সকাম কৰ্মৰ পৰা দূৰতে বিদূৰ, যাৰ সকলো জীৱৰে মৰ্মিতা একেই, যিজনাৰ বাবে মই জীৱনৰ লক্ষ্য; মই হওঁ সিজনাৰ অন্তিম আলয়। ৫৫।

## দ্বাদশ অধ্যায়

# ভক্তিযোগ

## কৃষ্ণ লাভৰ পথ

অৰ্জুন ঃ হে' প্ৰভু, কোনোজনে ভকতি ভাৱত মনত উদ্দেশ্য নাৰাখি উপাসনা কৰে, আন কোনোজনে নিৰুপাধি নিৰাকাৰ অব্যক্ত অক্ষৰ ধ্যান কৰে। দয়াকৰি কোৱা প্ৰভু শ্ৰেষ্ঠ কোনজন? সগুণ উপাসকনে কিম্বা নিৰ্গুণ ব্ৰহ্ম উপাসক ?১।

কৃষ্ণ ঃ পাৰ্থ, যি পৰম শ্ৰদ্ধাৰে মোতেই সৰ্বদায় ভজে মোতে নিতে নিতে যুক্ত হয়, সিজনাই শ্ৰেষ্ঠতম যোগী। ২। যিজনে হৃদয়ত অচিন্ত্য অচল নিত্য একাকাৰ নিৰ্বিকাৰ অক্ষৰ ব্ৰহ্মৰ সন্ধান কৰে, সকলো ভূতৰে সুখৰ কাৰণ হয় সিজনাও অন্তিমত মোতে লয় হয়। ৩-৪। জ্ঞানযোগী মহাজনে জ্ঞানৰ পোহৰেৰে মুকুতিৰ সোণালী ৰথৰ পথ আলোকিত কৰে। পাছে অব্যক্তত চিত্ত স্থিৰ অতি ক্লেশকৰ। ৫। যিজনাই জগতৰ মায়াৰ বান্ধোন পৰিহৰি ধ্যান স্থিৰ কৰি মন হৃদয় সমৰ্পণ কৰিলে, জনম-মৰণে ভৰা নৰকৰ পৰা তেনেজন ভক্তযোগীক মই আলফুলে তুলি ধৰোঁ। ৬-৭। চঞ্চল চিত মোতে সমৰ্পণ কৰাঁ মোতে বুদ্ধি অৰ্পণ কৰাঁ, জীৱন নদীৰ ইটো পাৰে তুমি মোৰে পাৰঘাট পাবাঁ। ৮। মনৰ পখীটি যদি উৰি যায়, থিতাপি নলয়, মোৰ নাম সুঁৱৰি তুমি অভ্যাস যোগৰ নিকা পথ লোৱাঁ। এই অভ্যাসৰ থাপনাতে মোক পাবাঁ। ৯। যদি অনুশীলনত বিফল হোৱা, মোৰ হৰিষৰ হেতু কম, কৰাঁ, তেনে কৰ্ম কদাপি বিফল নহয়। ১০। যদি তাকো সাধনত বিফল হোৱা মদযোগে, মানে মোতে অৰ্পণ ৰূপ যোগ আশ্ৰয় কৰি কৰ্মৰ ফল ত্যাগ কৰাঁ। মনত ৰাখিবা মাথোঁ যোগেশ্বৰ হে কৰ্মফলদাতা। ১১। অভ্যাসৰ শ্ৰেষ্ঠ জ্ঞান, জ্ঞানতকৈ ধ্যান শ্ৰেষ্ঠ। ধ্যানতে কৰ্মফল ত্যাগ ভাৱনা উদয় হয়। ত্যাগৰ আলিৰ মূৰত শান্তিময় ধাম। ১২। যদি মনটো ঝৰ্ণাৰ জলহেন নিৰ্মল হয়, ঈৰ্ষা কিম্বা মই ভাৱে কলুষিত নহয়, সুখ-দুখ জোৱাৰ ৰহিত দয়াৰ সাগৰ হয়, সদানন্দ সংযত সমাহিত হয়; যাৰ জ্ঞান বুদ্ধি মোতে অৰ্পিত, তেনে ভকতত মই হৰষিত হওঁ। ১৩-১৪। যিজনা কাৰো ত্ৰাসৰ কাৰণ নহয় বা ভয় ভীত কি চিনি নাপায়, প্ৰাপ্তিত আনন্দিত নহয় বা দুখতো ব্যথিত নহয়, যিজনাৰ মন সৰ্বদায় শুদ্ধ সমাহিত হৈ থাকে, কামনাবিহীন আৰু

দক্ষ কুশলী হয়, হৰিষে-বিষাদে সমানে নিস্পৃহ শোকত কাতৰ নহয়, শুভাশুভ সকলোতে সমান অনীহা, শতৰু সখাত ক'তো একো ভিন নকৰে, যশ, গ্লানি, শীতে, তাপে উদ্বেগ নহয়; গৃহহীন হৈও ধৰাকে আলয় বুলি ভাবে, অসতৰ পৰা বহু দূৰে দূৰে থাকে, চলুকেই সাগৰ বুলি যিজন হৰ্ষিত হয়, ভকতি ৰসত যাৰ চিত সিক্ত হয়। ১৫-১৯। ভকতি যোগৰ সেই অমৃত পথেৰে পৰম শ্ৰদ্ধাৰে যি নিতে সোঁৰৰে তেনেজন ভকতেই মোৰ প্ৰাণাধিক। ২০।

## ত্ৰয়োদশ অধ্যায়

# ক্ষেত্ৰ ক্ষেত্ৰজ্ঞ বিভাগ যোগ
# প্ৰকৃতি, পুৰুষ আৰু চৈতন্যৰ বিবেক

অৰ্জুনঃ হে' কেশৱ, প্ৰকৃতিৰে পুৰুষৰ মোহন সংযোগ বিষয়ে জানিবৰ হাবিয়াস হয়। ক্ষেত্ৰ ক্ষেত্ৰজ্ঞ কি কিদৰে বুজিম? জ্ঞান কি, জ্ঞেয় কোন কিদৰে চিনিম?

কৃষ্ণঃ হে' ভাৰত, জ্ঞানীগনে তনুকে ক্ষেত্ৰ বুলি কয়। যিজনাই সেই পথাৰত খেতি কৰে সেইজনাকে ক্ষেত্ৰজ্ঞ বুলি কয়। ২। ক্ষেত্ৰজ্ঞ ৰূপত ময়ে সকলো দেহত; আত্মাৰে পৰমাত্মাৰ এই মোহন সম্পৰ্ক যিজনাৰে অৱগত তাকে কয় জ্ঞান। ৩। এতিয়া চমুকৈ ক্ষেত্ৰৰ কথাটি কওঁ, তাৰ ৰূপ কিম্বা কিবা তাৰ গুণ কি, ক'ত তাৰ আদি আৰু কি তাৰ দোষ, গুণ ক্ষেত্ৰৰ এই স্বৰূপ সমূহৰ কথা বেদতে লিখা আছে। অতীতৰ ভালেমান ঋষি মুনিয়ে কবিতাৰ ছন্দেৰে, সুৱদী সুৰিয়া সুৰে, পানী পানী যেন কৰি সকলো লিখি থৈ গৈছে। ৫। ক্ষিতি, নভ, অপ, তেজ মৰুৎ, পঞ্চ ভুত, অহং ভাৱ আৰু বুদ্ধিৰ চমক, দশ ইন্দ্ৰিয়, মন আৰু ৰূপ আদি (ৰূপে ৰসে গন্ধে স্পৰ্শে) পাঁচোটি বিষয়, ইচ্ছা-দ্বেষ, সুখ-দুখ, চেতনা-সংঘাত এইবিলাকেই ক্ষেত্ৰ আৰু ক্ষেত্ৰৰ বিকাৰ। ৬-৭। দৰ্পহীন, গৰ্বহীন, ক্ষমা, সৰলতা, সদাচাৰী, সংযমী, ধীৰ আৰু স্থিৰ, বিষয়ত অনীহা, আসক্তিবিহীন, জন্ম-মৃত্যু-জড়া ব্যাধিত যি ব্যথিত নহয়, আশা আৰু নিৰাশাত বিচলিত নহয়; বিনয়ৰে গুৰুৰ বাণীত ৰত হয়, পুত্ৰ গৃহ পৰিবাৰ সকলো যাৰ বাবে অসাৰ, একান্ত ভকতি ৰাখে হৰিৰ পদত, নিৰলাত বাস কৰে, তত্ত্ব অন্বেষণ কৰে, আধ্যাত্ম জ্ঞানৰ অনুশীলন ৰত হয়, মান অভিমান তেওঁৰ ওচৰ নাচাপে - এইবিলাকেই সখা জ্ঞানৰ পৰিচয় দিয়ে। ব্যতিৰেকে অজ্ঞানৰ। ৮ - ১২। পৰম জ্ঞানৰ কথাটি হ'ল জ্ঞান পথ ব্ৰহ্মৰ পদত অন্ত পৰে, তাকেই অধ্যাত্ম জ্ঞানৰ জ্ঞেয় কয়। অনাদি অব্যয় ব্ৰহ্ম কায়, - কাৰণৰ অতীত। ১৩। লক্ষ কোটি হাত পদে সমস্ত জগত ব্যাপি আছে, চকু, কাণ, মুখে সমস্ত মণ্ডল জোৰে, ত্ৰিজগত তাতে পৰমাত্মাৰ বুকুৰ উমত উমলি-জামলি থাকে। ১৪। তেওঁ স্পৰ্শ, দৰ্শন, শ্ৰৱণ,আস্বাদন আদি বুজাৰ যতমানে কাৰণ। যদিওবা চকু কাণ নাই তেওঁ সবাৰে আধাৰ,

সকলো গুণৰ ভোক্তা । ১৫। তেওঁ নিজে নিৰাকাৰ, গুণাতীত হৈয়ো সকলো গুণৰ ভোক্তা । ১৫। তেওঁ

নিজে নিৰাকাৰ, গুণাতীত হৈয়ো সকলো ভূতৰ অন্তৰত থাকে বাহিৰে ভিতৰে সকলোতে লীন, অণু, পৰমাণু হেতু ৰূপ বিহীন, অজ্ঞানীৰ বাবে বহু নিলগত থাকে, জ্ঞানীজনাৰ বাবে পিছে নিচেই কাষত । ১৬। সকলো ভূততে বিভক্ত যদিও কদাপি নহয় বিভাজন। জগতৰ পালক হৈয়ো প্ৰলয় কালত সংহাৰ কাৰক। পুনু নতুন জগত সৃষ্টি কৰে।১৭। তেওঁ জ্যোতিস্মান গ্ৰহ নক্ষত্ৰৰ জ্যোতিৰ আকৰ, আন্ধাৰৰ বুকু ভেদা জ্ঞানৰ পোহৰ। তেওঁ জ্ঞান লভ্য জ্ঞেয়, সবাৰে হৃদয়ে থকা আলোকৰ অনন্ত আকৰ। ১৮। চমুতে ক্ষেত্ৰ, জ্ঞান আৰু জ্ঞেয়ৰ ৰূপৰ সকলো কথা সামৰি তুমি সোধা প্ৰশ্নৰ উত্তৰ ইয়াকে ক'লো। ইয়াতে মুক্তি পথৰ সন্ধান পাবা। ১৯। পুৰুষৰ দৰেই প্ৰকৃতিও অনাদি, পঞ্চভূত দশেন্দ্ৰিয় ঈশ্বৰৰ শকতি মাথোন। মনৰ ষোল্লটি বিকাৰ সমে গুণৰ প্ৰসাৰ সকলোটি প্ৰকৃতিৰ প্ৰসৰ ইচ্ছাৰ পৰিণাম। ২০। শৰীৰৰ সুখ দুখ ইন্দ্ৰিয়ৰ দান, প্ৰকৃতিয়েই জাগতিক কাৰ্যৰ কাৰণ। জীৱনৰ সুখ-দুখ ভুঞ্জিবৰ হেতু পুৰুষেই কাৰণ। ২১। প্ৰকৃতি আশ্ৰয় কৰি পুৰুষেই সুখ-দুখ, ৰূপ-ৰস প্ৰকৃতিজ গুণ ভোগ কৰে। তাৰে গুণ ভোগি জীৱন যাপন কৰে আৰু পুনুবাৰ সতী কিম্বা অসতী কোলাত সি জনম লয়। ২২। পাহৰি নাযাবা, জীৱনৰ ভুক্তহে তুমি ভোক্তা নহয়, সেই থুনুকা দেহত আৰু এক ভোগি আছে - পৰমেশ্বৰ। তেঁৱেই ভোক্তা আৰু তেঁৱেই পালক, তেওঁ সকলো কৰ্মৰ অনুমন্তা সাক্ষী - পৰম প্ৰভু। ২৩। জড়া প্ৰকৃতি আৰু প্ৰকৃতিৰ গুণ তাৰে সতে যি জীৱৰ সম্বন্ধ জানে তেওঁ মোক্ষ লাভ কৰে। তেওঁ যোগী হওক সন্ন্যাসী হওক কোনো কথা নাই, তেওঁৰ পুনৰ্জন্ম নহয়।২৪। কোনোজনে নিজৰ মাজতে যোগৰ পথেৰে গৈ ধ্যানৰ বলত, কোনোজনে জ্ঞান আলোকত, আনজনে কৰ্মযোগ আচৰি পৰম পুৰুষক দেখা পালে। ২৫। আৰু কোনো কোনোৱে জ্ঞানৰ পোহৰ নাপালেও জ্ঞানীৰ লগতে থাকি, জ্ঞানীৰে আলাপ কৰি অন্তৰৰ ভকতি অঞ্জলি উজাৰিলে, তাৰেই তৰিলে তেওঁ। ২৬। সখা, স্থবিৰ জংগম যিমানে দেখিছাঁ, সবাৰে কাৰণ হ'ল ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ মোহন সংগম । ২৭। অবিনাশী পুৰুষ জীৱ জগতৰ প্ৰতিটি দেহৰ মাজে সকলোতে বিৰাজে। যদিও জীৱ দেহ লয় পায়, গৰাকি পুৰুষ পাছে অক্ষয় অব্যয়। যিজনে এই গুপুত কথাটি বুজে সকলো ভূততে গৰাকীৰ ৰূপ দেখে, তেওঁৰ ভেদ ভাৱ দূৰতে বিদূৰ হয়, আৰু লোকাতীত লক্ষ্য পায় বুলি ধ্ৰুৰূপ জানিবা । ২৮ - ২৯ । আত্মা উদাসীন বুলি যিজনাৰ বোধহয় - অকৰ্তা আত্মাৰ মাথোঁ নিৰ্লিপ্তিয়েই সাৰ, জীৱনৰ যতমানে কাম প্ৰকৃতিয়েহে সম্পাদন কৰে, সিজনাৰ সত্যৰ দৰ্শন



হয় । ৩০। যিজনা সাধকে একেজন পৰম ব্ৰহ্মৰ জীৱৰ দেহে দেহে বহুময় ৰূপ দেখে সিজনা পৰম ব্ৰহ্মত বিলীন হয় । ৩১। শুনা অৰ্জুন, শাশ্বত জীৱ আত্মা নিৰ্গুণ, অব্যয়, যদিওবা কায়া তাৰেই আলয় হয় সেইজন অতিথিহে, গৃহস্থ নহয়, তেওঁ একো কামকে নকৰে - পাপ-পূণ্য কোনোটিতে অংশ নলয়। ৩২। দূৰ দিগন্ত ব্যাপি মাথোঁ আমি নীলাকাশ দেখোঁ, শতকোটি তৰালিৰে সৰি পৰা অযুত জোনাক দেখোঁ যাৰ উদাৰ হৃদয়ে বতাহত উটি ফুৰা ধুলাৰ কণিকা ধৰি ৰাখে - পাছে নিষ্কলংক নীলাকাশ সদায় পৰিষ্কাৰ। দেহাটি যদিও আত্মাৰ আলয় হয় আত্মা কদাপি অশুচি নহয় । ৩৩ । একেটি সুৰুযে আকাশ পোহৰ কৰিছে আলোকিত কৰিছে সমস্ত জগত। দেহাতেই ঘৰ পতা ক্ষেত্ৰজ্ঞ আত্মাই চেতনাৰ আলোকেৰে দেহা পোহৰায় । ৩৪ । জ্ঞানৰ চকুৰে ক্ষেত্ৰ ক্ষেত্ৰজ্ঞৰ ভেদাভেদ দেখি মুক্তি মঙ্গলৰ পথ চিনি পাই পৰম লক্ষ্যত উপনীত হয়। ৩৫।

# সহজ অসমীয়াত গীতা



শ্ৰীমদ্ভগৱদগীতা মানবীয় জ্ঞান আৰু উপলব্ধিৰ সৰ্বোত্তম ফল। ইয়াৰ দৰ্শন আৰু সাহিত্য দুয়োটাৰে অবিভাজ্য সংশ্লেষণ ঘটিছে। তত্ব-জিজ্ঞাসুসকলক গীতাই তত্বৰ সন্ধান দিছে আৰু ৰসান্বেষীসকলক দান কৰিছে ৰসৰ সন্ধান। গীতাই কাকো বিমুখ কৰা নাই, কাকো বিমুখ নকৰে।

মুখ্যতঃ গীতা দৰ্শন শাস্ত্ৰ। এই গ্ৰন্থ হ'ল উপনিষদ তথা বেদান্তৰ সাৰ। আত্মাৰ অমৰত্ব, নিষ্কাম কৰ্মযোগ আৰু ঈশ্বৰৰ ওচৰত পৰিপূৰ্ণভাৱে আত্মসমৰ্পণ- গীতাই এই মৰ্মবাণী ঘোষণা কৰি আহিছে। গীতা উপনিষদেই; গীত কৰি গাব পৰাকৈ ৰচনা কৰাৰ বাবেই 'গীতা'।

ড° নগেন শইকীয়া

প্ৰশান্ত কুমাৰ বৰদলৈ জল সম্পদ অভিযান্ত্ৰিক বিদ্যাত আমেৰিকাৰ ৰাইগাৰ্ছ বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ উপাধি লভা অভিযন্তা। তেওঁ ইয়াৰ আগেয়ে 'অমিত্ৰাক্ষৰ ছন্দত গীতা' নামৰ গীতাৰ এক মুকলি অনুবাদ প্ৰকাশ কৰিছে, যি খনৰ অনুবাদৰ 'স্বচ্ছন্দ প্ৰবহমানতাৰ' বাবে পাঠক সমাজৰ মাজত জনপ্ৰিয় হৈছে। এইবাৰ তেওঁ সহজ অসমীয়াত গীতা অনুবাদ কৰি সাধাৰণ পাঠকৰ ওচৰলৈ শ্ৰীমদ্ভগৱদগীতাখন ওচৰ চপাই আনিছে, যাৰ ফলত সাধাৰণ পাঠকৰ লগতে দৰ্শনৰ ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উপকৃত হ'ব আৰু দূৰৰ পৰা নমস্কাৰ কৰা সকলকো শ্ৰীমদ্ভগৱদগীতাৰ ওচৰ চাপিবলৈ সুযোগ দিব।

ISBN : 978-81-7213-249-1

9 788172 132491

পূৰ্বাঞ্চল প্ৰকাশ
গু বা হা টী

মুল্য: ৭০.০০/-